চণ্ডিকা আখ্যান

মুকলিমুৰীয়া চৌল
পোঃ অঃ কোবোকাত্তলী
যোৰহাট - ৭৮৫ ০১৫

শ্রীকবক চন্দ্র গোস্বামী

চণ্ডিকা আখ্যান

প্রথম প্রকাশ—১৯৮২
প্রকাশক—শ্রীবাধানাথ বৰঠাকুৰ, বি. এল
ভবাজান, যোৰহাট - ১

মূল্য—১২৲ টকা

লিখকৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত

মুদ্রক :
লাৱণ্য প্রেছ, উজানবজাৰ, গুৱাহাটী - ১

প্ৰকাশকৰ কথা

চণ্ডীকা আখ্যান পুথিখনি "মুকলিমুৰীয়াটোল"ৰ শ্ৰদ্ধেয় শ্ৰীযুত কনক চন্দ্ৰ গোস্বামীদেৱৰ গৃহত হাতে লিখা অৱস্থাতে আমি দেখিবলৈ পাওঁ। ওপৰে ওপৰে পঢ়ি চাই মনলৈ ভাব আহিল যে আমাৰ সৰ্ব্ব-সাধাৰণ মানুহে সংস্কৃত ভাষাত লিখা আমাৰ ধৰ্ম্মীয় গ্ৰন্থসমূহৰ তাৎপৰ্য্য বুজি নেপায়, কেৱল ধৰ্ম্মগ্ৰন্থ বুলিয়েই ইবিলাকৰ প্ৰতি শ্ৰদ্ধা জনায়। চণ্ডীকা আখ্যান পুথিখনি সৰল অসমীয়া ভাষাত লিখা হৈছে, সেয়েই ইয়াক সৰ্ব্বসাধাৰণতে লিখাপঢ়া জনা লোকৰো বোধগম্য হৈছে বুলি আমাৰ ধাৰণা।

শক্তি জগতৰ মূল আধাৰ। শক্তি নহলে চৰাচৰ ব্ৰহ্মাণ্ডৰ কোনো কাৰ্য্যই সিদ্ধি নহয়, সেয়েই উপনিষদত হৈছে "নায়মাত্মা বলহীনেন লভ্যঃ"। ভগৱান শ্ৰীকৃষ্ণয়ো গীতাত তেওঁৰ প্ৰিয়তম সখি মধ্যম পাণ্ডৱ অৰ্জ্জুনক দুৰ্ব্বলতা এৰি শক্তিমন্ত হবলৈ উপদেশ দিছে "ক্ষুদ্ৰংহৃদয়-দৌৰ্ব্বল্যং ত্যক্তোত্তিষ্ঠ পৰন্তপ"। এই মহাশক্তিৰ আৰাধনা কৰিয়েই, দানৱ উপদ্ৰুত দেৱগণ বাৰে বাৰে স্বৰ্গচ্যুত হৈও পুনৰ স্বৰ্গলাভ কৰিছিল। সৰ্ব্বশক্তিস্বৰূপিনী মহামায়া চণ্ডী দেৱীৰ অনুগ্ৰহতে সুৰথ ৰজাই অতুল ঐশ্বৰ্য্য লাভ কৰিছিল আৰু সমাধিবৈশ্যই লাভ কৰিছিল মোক্ষ পদ। সেয়েই শক্তি অবিহনে চৰাচৰ বিশ্বৰ অস্তিত্বই যে বিপৰ্য্যস্ত হব, তাক কোৱা বাহুল্য মাথোন। এই শক্তিৰ প্ৰতীক, চণ্ডী, দুৰ্গা, কালী (যি নামেৰেই কোৱা নহওক) সম্বন্ধে "চণ্ডীকা আখ্যান" পঢ়ি সম্যক জ্ঞান লাভ কৰিব পৰা হব বুলি আমাৰ বিশ্বাস। এই ধাৰণা লৈয়েই কিতাপখনি প্ৰকাশ কৰি বাইজৰ হাতত দিয়াৰ মনস্থ কৰা হ'ল। ইয়াত কোনো ব্যৱসায়ীক লাভালাভৰ আকাংখ্যা আমাৰ নাই। পঢ়ুৱৈসমাজৰ সামান্যতম উপকাৰ হলেও আমি ধন্য মানিম।

কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শ্ৰীৰজনীকান্ত -দেৱ শৰ্ম্মাদেৱে তেখেতৰ কৰ্ম্মব্যস্ততাৰ মাজতো অশেষ কষ্ট স্বীকাৰ কৰি কিতাপখনি পঢ়ি চাই আৱশ্যকীয় শুধৰণি দি যি সাহায্য আগবঢ়ালে, সেইবাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ।

শ্ৰীৰাধানাথ ৰবঠাকুৰ, বি. এল

সূচীপত্র

১।	অর্গলাস্তব ...	১
২।	দেবী সূক্ত ...	৪
৩।	প্রথম অধ্যায়	৬
৪।	দ্বিতীয় অধ্যায় ...	২০
৫।	তৃতীয় অধ্যায় ...	৩০
৬।	চতুর্থ অধ্যায় ...	৩৬
৭।	পঞ্চম অধ্যায় ..	৪৪
৮।	ষষ্ঠ অধ্যায় ...	৫৫
৯।	সপ্তম অধ্যায় ...	৫৮
১০।	অষ্টম অধ্যায় ...	৬২
১১।	নবম অধ্যায় ...	৭১
১২।	দশম অধ্যায় ...	৭৭
১৩।	একাদশ অধ্যায় ...	৮১
১৪।	দ্বাদশ অধ্যায় ...	৯১
১৫।	ত্রয়োদশ অধ্যায় ...	৯৭
১৬।	মহিষনাশিনী (আলেখ্য) ...	১০১

আগ কথা

দুবছৰৰ আগতে সনাতন হিন্দুধৰ্মৰ দাই গ্ৰন্থ আৰু সৰ্বশ্ৰেষ্ঠ ভাৰতীয় দৰ্শন শ্ৰীমদ্‌ভগবদ্‌গীতাৰ অমিত্ৰাক্ষৰ ছন্দত অসমীয়ালৈ অনুবাদ কৰি 'গীতা-মাধুৰী' নামে এখন কিতাপ প্ৰকাশ কৰিলোঁ। কিতাপ-খনে বাইজৰ পৰা আশাতীতৰূপে সমাদৰ লাভ কৰা দেখি মনত আনন্দও লভিলোঁ। গীতা-মাধুৰী প্ৰকাশ হোৱাৰ পিছত শ্ৰীহেমানন্দ শাস্ত্ৰী আৰু অধ্যাপক শ্ৰীঅৰনীধৰ বৰুৱা প্ৰমুখ্যে কেবাজনো ব্যক্তিয়ে সনাতন হিন্দুধৰ্মৰ অন্যতম দাই গ্ৰন্থ শ্ৰীশ্ৰীচণ্ডীৰো এটা অসমীয়া অনুবাদ কৰিবলৈ পৰামৰ্শ আগ বঢ়ালে। বিশেষকৈ শ্ৰীমতী কল্যাণীয়ে (মোৰ বৰ ছোৱালী) এইখন গ্ৰন্থৰ অনুবাদ কৰাৰ কথা কৈ নিজৌ আমনি কৰিবলৈ ধৰিলে। যদিও আঙুলি মুৰতেই লিখিব পৰা, তথাপি শ্ৰীমদ্ভগবদ্‌গীতাৰ গদ্য আৰু পদ্য উভয়তে অসমীয়া ভাষাত কেবাখনি পুথি আছে ; আৰু এইবিলাকৰ ভিতৰত পৰম শ্ৰদ্ধাভাজন সুপণ্ডিত স্বৰ্গীয় বাধানাথ ফুকনদেৱৰ 'শ্ৰীমদ্ভাগৱদ্-গীতা' এখন অমূল্য গ্ৰন্থ। কিন্তু পবিত্ৰাপৰ কথা যে শ্ৰীশ্ৰীচণ্ডীৰ অসমীয়া ভাষাত তেনে কোনো উল্লেখযোগ্য পুথি নাই। আমাৰ প্ৰাতঃস্মৰণীয় পৰমপূজ্যপাদ ককাদেউতা স্বৰ্গীয় কীৰ্ত্তিচন্দ্ৰ দেৱ গোস্বামী বিদ্যাভূষণদেৱে ১৮৩০ শকৰ ১ আহিনত অৰ্থাৎ আজিৰ পৰা প্ৰায় ৭৩ বছৰৰ আগতে 'চণ্ডিকাখ্যান' নামে পদ্যত এখনি পুথি প্ৰকাশ কৰিছিল। গ্ৰন্থখন পদত লিখি প্ৰতি অধ্যায়ত একোটা নামো দিছিল, দিহা-নাম গোৱাৰ সুবিধাৰ অৰ্থে। পদত লিখাৰ কাৰণে, শক্তি-পূজাত আইসকলে নাম গাবলৈকো যথেষ্ট সুবিধা পাইছিল। কিন্তু দুখৰ কথা বৰ্ত্তমান সমাজত এই গ্ৰন্থৰ সমাদৰ হেৰাই গ'ল। সংস্কৃতজ্ঞ পণ্ডিতসকলৰ কথা নুকৌয়া, কিন্তু সাধাৰণ শিক্ষিত লোকসকলৰ, বিশেষকৈ যুৱক-যুৱতীসকলৰ নিমিত্তে চণ্ডীৰ উপাখ্যান বুজিব পৰাকৈ, আৰু এনে এখন সুন্দৰ কাব্যৰ প্ৰতি মন আকৰ্ষণ কৰিব পৰাকৈ আধুনিক ছন্দত এই গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰিলে সমাজৰ কিঞ্চিতমানো উপকাৰ হলে হওক—এই

উদ্দেশ্যৰে এই কার্য্যলৈ মোৰো ধাউতি হ'ল। কেবাখনো চণ্ডীৰ কিতাপ (সংস্কৃত আৰু বঙালী ভাষাত লিখা) সংগ্রহ কৰি টীকা-টিপ্পনী, অন্বয় অনুবাদ আদি এবছৰমান পঢ়াৰ পিচত, অনুবাদ-কার্য্য সম্পূর্ণ কৰিলোঁ আজি প্রায় ছমাহমানৰ আগতেই। অৱশ্যে মূল গ্রন্থত সংস্কৃত শ্লোক-সমূহৰ যি মাধুর্য্য পৰিলক্ষিত হয়, অনুবাদ কৰোঁতে হয়তো সেই মাধুর্য্য হেৰাই গৈছে। তথাপি মোৰ সীমিত জ্ঞানেৰে যিমান দূৰ সম্ভৱ মূলৰ সৌন্দর্য্য যাতে সম্পূর্ণ হ্রাস নাপায়, তাৰ কাৰণে যত্ন কৰিছোঁ আৰু সেই উদ্দেশ্যে ঠায়ে ঠায়ে দুই চাৰিটা কথা যোগ-বিয়োগ কৰিব লগাও হৈছে। ইয়াৰ উপৰিও 'খড়্গ', 'শিৰশ্ছেদ', 'ভীষণ', 'বিনাশ', বিনাশিনী আদি কিছুমান শব্দ পুনঃ পুনঃ ব্যৱহাৰ কৰিব লগীয়া হোৱাত কাব্যিক সৌন্দর্য্য ম্লান হলেও, মূল পুথিত থকা এই শব্দবিলাকৰ প্রয়োগ অপৰিহার্য্য।

অনুবাদ-কার্য্য শেষ কৰি গ্রন্থখনৰ নামকৰণ কৰা হ'ল— 'চণ্ডিকা-আখ্যান'; কিন্তু যিহেতু মোৰ জ্ঞানৰ গণ্ডী নিচেই সংকীর্ণ সেয়েহে কোনো এজন বিজ্ঞ লোকক নেদেখুৱাকৈ কিতাপখন প্রকাশ কৰিবলৈ সাহ নহ'ল। প্রথমে কিতাপৰ পাণ্ডুলিপিটো মোৰ পৰম স্নেহ-ভাজন, গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ সংস্কৃত বিভাগৰ 'ৰিডাৰ' ডঃ শ্রীঅশোক কুমাৰ গোস্বামী, এম-এ, পি এইচ ডিলৈ পঠাই দিলোঁ, আৰু তেওঁৰ সুপৰামর্শ অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক আৰু অধ্যক্ষ শ্রদ্ধাভাজন খ্যাতনামা পণ্ডিত ডঃ শ্রীমুকুন্দমাধৱ শর্মা এম-এ, পি এইচ ডি, ডি লিট, কাব্যতীর্থ মহোদয়ক পাণ্ডুলিপিটো দি, কিতাপখনৰ ভুল-ভ্রান্তি শুধৰাই এখনি ভূমিকা লিখি দিবলৈ অনুৰোধ জনালোঁ। শ্রদ্ধেয় ডঃ শর্মাদেৱে তেখেতৰ কর্মব্যস্ত জীৱনৰ বহুমূলীয়া সময় খৰচ কৰি, কিতাপখনৰ বর্ণাশুদ্ধিকে আদি কৰি, ভালেমান আঁসোৱাহ শুধৰাই এখনি পাণ্ডিত্যপূর্ণ মূল্যবান ভূমিকা লিখি দি, তেখেতৰ কাব্যৰ প্রতি থকা অনুৰাগৰ নিদর্শনেৰে, এই লিখকক স্নেহসিক্ত অন্তৰেৰে সহায় কৰি যথেষ্ট প্রেৰণা দিলে আৰু গ্রন্থখনৰো সৌষ্ঠৱ বৃদ্ধি কৰিলে। এই সহানুভূতিপূর্ণ সাহায্যৰ

কাৰণে পৰম শ্ৰদ্ধাভাজন ডঃ শৰ্মাদেৱলৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

'চণ্ডিকা-আখ্যান'ৰ পাণ্ডুলিপিটো শ্ৰদ্ধেয় ডঃ শৰ্মাদেৱে চাই দিয়াৰ পিচত কেবাজনো লোকৰ পৰামৰ্শ অনুসৰি 'মহিষ-নাশিনী' নামে এখন আলেখ্য যুগুত কৰি মূল কিতাপৰ লগতে সন্নিবিষ্ট কৰি দিয়া হ'ল। অৱশ্যে আলেখ্যখন কোনো অভিজ্ঞ লোকক দেখুৱাব নোৱাৰাত যথেষ্ট আঁসোৱাহপূৰ্ণ হোৱাটো অস্বাভাৱিক নহয়।

অনুবাদ-কাৰ্য্য সম্পূৰ্ণ হ'ল, ভূমিকাও সংগ্ৰহ কৰা হ'ল, কিন্তু ঘাই সমস্যা হ'ল কিতাপখন প্ৰকাশ কৰাটো। বৰ্ত্তমান সময়ত ব্যয়-বহুল ছপা কাৰ্য্যৰ কাৰণে প্ৰয়োজনীয় অৰ্থ সংগ্ৰহ কৰাটো আমাৰ দৰে আৰ্থিক সমস্যাই জুকলা কৰা ব্যক্তিৰ নিমিত্তে বৰ চিন্তা কৰিব লগীয়া বিষয়। ছপা-কাৰ্য্যৰ ব্যয় অনুসৰি কিতাপৰ মূল্য নিৰূপণ কৰিলেও গ্ৰাহকে ভয় খায়। সুখৰ বিষয় যে অসমৰে এগৰাকী বিখ্যাত ব্যৱসায়ী, সমাজকৰ্মী আৰু ধৰ্মনিষ্ঠ লোক শ্ৰীৰাধানাথ বৰঠাকুৰ, বি.এল-দেৰক আমাৰ এই সমস্যাৰ কথা কোৱাত তেখেতে অতি আগ্ৰহেৰে কিতাপখনি প্ৰকাশ কৰাৰ দায়িত্ব গ্ৰহণ কৰিলে। অন্যথাই হয়তো 'চণ্ডিকা-আখ্যান'ক বাইজৰ হাতত অৰ্পণ কৰাৰ সৌভাগ্য আমাৰ নঘটিল-হেঁতেন। এই বদান্যতাৰ বাবে তেখেতক আন্তৰিক কৃতজ্ঞতা জনাই মঙ্গলময়ী ভগৱতীৰ চৰণত তেখেতৰ সুখ-শান্তিময় সুদীৰ্ঘ জীৱন কামনা কৰিলোঁ। মোৰ এই কাৰ্য্যত প্ৰেৰণা যোগোৱা আৰু দিহা-পৰামৰ্শেৰে উদগনি দিয়াসকলৰ ঘাইকৈ ডঃ শ্ৰীঅশোক কুমাৰ গোস্বামী, অধ্যাপক শ্ৰীঅৱনীধৰ বৰুৱা, শ্ৰীহেমানন্দ শাস্ত্ৰী আৰু শ্ৰীমতী কল্যাণী গোস্বামীৰ নাম পুনৰ স্নেহেৰে সুঁৱৰিলোঁ

সদৌ শেষত ভুল-ভ্ৰান্তিৰ কাৰণে ক্ষমা ভিক্ষা কৰি 'চণ্ডিকা আখ্যান'ক বাইজৰ হাতত অৰ্পণ কৰিলোঁ। বাইজে কিদৰে ইয়াক গ্ৰহণ কৰে তাৰ ওপৰতে লিখকৰ পৰিশ্ৰমৰ মূল্য নিৰ্ভৰ কৰিব।

মুকলিমুৰীয়া টোল
১২-৯-১৯৮১

বিনীত—
শ্ৰীকনকচন্দ্ৰ গোস্বামী

উছৰ্গা

শ্ৰীশ্ৰীচণ্ডীৰ অনুবাদ কৰি থকা সময়ত আৰু এতিয়াও এই উপাখ্যানখনিৰ বিষয়ে চিন্তা কৰিলে মাজে মাজে মনত পৰে আমাৰ ঘৰত শাৰদীয় দুৰ্গোৎসৱত চণ্ডীপূজাত উছৰ্গা কৰিবলৈ ভোগ ৰন্ধন আৰু পৰিবেশন কাৰ্য্যত সদালিপ্তা—এটি বগা লাহী শৰীৰত এজোৰ উজ্জ্বল মুগাৰ সাজেৰে, কপালত সেন্দুৰৰ দুটাকৈ বঙা ফোঁটেৰে, দুইৰ তাপত উদ্ভাসিত হাস্যময় সৌন্দৰ্য্যময় এখনি মুখেৰে, আৰু আবেলি দুই তিনি বজালৈকে সম্পূৰ্ণ উপবাসেৰে থকা ভক্তিভৰা অন্তৰৰে মোৰ স্নেহময়ী মাতৃদেৱীলৈ। সেই মোৰ পৰম আৰাধ্যা মাতৃদেৱী স্বৰ্গীয়া শৈব্যাদেৱীৰ পৱিত্ৰ স্মৃতিত ত্ৰৈলোক্য-মাতৃৰ এই 'চণ্ডিকা-আখ্যান' উছৰ্গা কৰিলোঁ।

কনক গোস্বামী

ভূমিকা

দেৱী দুর্গাৰ আন এটা নাম চণ্ডী বা চণ্ডিকা। মার্কণ্ডেয় পুৰাণৰ ৮১ সংখ্যক অধ্যায়ৰ পৰা ৯৩ সংখ্যক অধ্যায়লৈ গ্ৰন্থভাগক দেৱী-মাহাত্ম্য বুলি কোৱা হয়। এই দেৱীমাহাত্ম্যখণ্ডৰে আন এটা নাম চণ্ডী। ভাস্কৰ ৰায় দীক্ষিতৰ দ্বাৰা প্ৰণীত গুপ্তৱতী টীকাত চণ্ডী নামটোৰ ব্যাখ্যা এনেদৰে দিছে—চণ্ড শব্দৰ অৰ্থ দেশ কাল আদিৰ দ্বাৰা অপৰিসীমিত পৰব্ৰহ্ম। চণ্ড শব্দত স্ত্ৰীলিঙৰ ঈপ্ প্ৰত্যয় যোগ দি চণ্ডী শব্দটো পোৱা গৈছে। সেয়ে, চণ্ডী মানে পৰব্ৰহ্মমহিষী বা ব্ৰহ্মশক্তি। সেই ব্ৰহ্মশক্তিয়েই দেৱী দুর্গা। চণ্ডী গ্ৰন্থখন চণ্ডীদেৱীৰ মন্ত্ৰশৰীৰ বা মন্ত্ৰমূৰ্ত্তি। গতিকে চণ্ডীদেৱীয়েই চণ্ডীগ্ৰন্থ। বিষ্ণু পুৰাণতো ভগবান বিষ্ণুৰ এটা শব্দশৰীৰ বা শব্দমূৰ্ত্তি আছে বুলি কল্পনা কৰি লৈ কৈছে—'সকলোবিলাক কাব্য, আৰু সকলোবিলাক গীত শব্দমূৰ্ত্তিধাৰী মহাত্মা বিষ্ণুৰেই দেহৰ অংশ।' 'কাব্যালাপাশ্চ য়ে কেচিদ্ গীতকান্যখিলান্যপি। শব্দমূৰ্ত্তিধৰস্যৈতে রিষ্ণোৰংশা মহাত্মনঃ॥' এই নামৰ ব্যাখ্যা হয়তো এনেদৰেও কৰিব পাৰি—মার্কণ্ডেয় পুৰাণত 'দেৱীমাহাত্ম্য' নামটোহে আছে। দেৱীয়ে চণ্ডী। গতিকে দেৱীমাহাত্ম্যৰ আন এটা নাম হ'ব পাৰে চণ্ডীমাহাত্ম্য। শ্ৰীমদ্‌ভগৱদ্‌গীতোপনিষদৰ সংক্ষিপ্ত নাম গীতা হোৱাৰ দৰে চণ্ডীমাহাত্ম্যৰ নামেই সংক্ষেপে চণ্ডী হ'ল বুলি ভাবিব পাৰি। চণ্ডীত তেৰটা অধ্যায় আছে। তাৰে ১ম অধ্যায়ক প্ৰথম চৰিত্ৰ, ২ৰ পৰা ৪র্থ লৈ তিনিটা অধ্যায়ক মধ্যম চৰিত্ৰ আৰু ৫ম৷ৰ পৰা ১৩শলৈ বাকী নটা অধ্যায়ক উত্তৰ চৰিত্ৰ বোলা হয়। এই গ্ৰন্থত ৫৭৮টা শ্লোক আছে। কিন্তু 'মার্কণ্ডেয় উৱাচ', 'ৰৈশ্য উৱাচ' আদি বাক্যকো লেখত ধৰি মুঠতে সাত শ মন্ত্ৰ আছে বুলি গণনা কৰা হয়। এটা ব্যাখ্যা অনুসৰি দুর্গা-হোমত চণ্ডীৰ মন্ত্ৰ মাতি সাত শ বাৰ আহুতি

দিয়াৰ সুবিধাৰ বাবেই গ্ৰন্থখনক সাত শ মন্ত্ৰত ভাগ কৰা হৈছে। এই সাত শ মন্ত্ৰ থকা বাবে গ্ৰন্থখনৰ আন এটা নাম হ'ল দুৰ্গা-সপ্তশতী বা সংক্ষেপে সপ্তশতী। আন হাতে এই গ্ৰন্থ মন্ত্ৰঃ নামেৰেও ঠায়ে ঠায়ে উল্লিখিত হৈছে। গ্ৰন্থখন আৰম্ভ হৈছে 'মাৰ্কণ্ডেয় উৱাচ' কথাষাৰৰ 'ম' আখৰটোৰে আৰু শেষ হৈছে অন্তিম শ্লোকৰ 'সাৱৰ্ণি-ৰ্ভৱিতা মনুঃ। কথাষাৰৰ 'নুঃ' আখৰটোৰে। সেয়ে এই গ্ৰন্থৰ নাম মন্ত্ৰঃ। কাত্যায়নী-তন্ত্ৰত কৈছে—'মকাৰাদিনুকাৰান্তো মন্ত্ৰঃ পৰমদুৰ্লভঃ'—'মকাৰেৰে আৰম্ভ হোৱা আৰু নুকাৰত শেষ হোৱা মন্ত্ৰ বা চণ্ডী-গ্ৰন্থ পৰম দুৰ্লভ'।

চণ্ডীত তিনিটা পৌৰাণিক কাহিনী সোমাই আছে। প্ৰথমতে দেৱীৰ দ্বাৰা মধু-কৈটভ বধ, দ্বিতীয়তে দেৱীৰ দ্বাৰা মহিষাসুৰ বধ আৰু তৃতীয়তে ধূম্ৰলোচন, চণ্ড-মুণ্ড আৰু ৰক্তবীজ নামৰ অনুচৰ-বিলাকেৰে সৈতে শুম্ভ-নিশুম্ভ বধ। দেৱী মহামায়া। তেওঁ সমগ্ৰ জগৎ সম্মোহিত কৰি ৰাখে। তেওঁ সংসাৰ-বন্ধনৰ হেতু, অথচ তেৱেঁই মুক্তিপ্ৰদায়িনী। তেওঁ নিত্যা, অথচ তেৱেঁই মহিষাসুৰমৰ্দিনী, চণ্ডী, চামুণ্ডা আদি বিভিন্ন নাম আৰু ৰূপেৰে আৱিৰ্ভূতা হয়। নাৰায়ণৰ কাণৰ মলিৰ পৰাই উদ্ভৱ হোৱা মধু আৰু কৈটভ নামৰ অসুৰ দুটাক বধ কৰিবৰ বাবে ভগৱতী মহামায়া প্ৰভুৰ হৃদয়, চক্ষু, মুখ, কাণ আৰু দুবাহুৰ পৰা বহির্গতা হ'ল। মহিষাসুৰক সংহাৰ কৰিবৰ বাবে দেৱতাসকলৰ তেজঃপুঞ্জৰ পৰাই দিব্য এক নাৰীৰূপে মহামায়া মহাদেৱী মহাশক্তি আৱিৰ্ভূতা হ'ল। শাৰদীয় দুৰ্গা-পূজাৰ প্ৰতিমাত ঘাইকৈ এই মহিষমৰ্দিনী ৰূপটোকে ফুটাই তোলা হয়। দেৱীৰ আৱিৰ্ভাৱ আৰু অসুৰ-সংহাৰৰ বৰ্ণনাৰ মাজে মাজে একোটাহঁত সুন্দৰ সুন্দৰ স্তুতি সোমাই আছে। চণ্ডীৰ অসুৰ বধৰ সমূহ কাহিনী মেধা (মূল শব্দটো মেধস্) নামৰ এজন ঋষিয়ে সু�ৰথ নামে এজন ৰজা আৰু সমাধি নামৰ এজন বৈশ্যক একেলগে কৈ শুনাইছে। সুৰথ আৰু সমাধিনো কিভাৱে আহি মেধা ঋষিৰ ওচৰ পালেহি আৰু দেৱীৰ মাহাত্ম্য আৰু অসুৰ-সংহাৰৰ কাহিনী শুনাৰ পিছত তেওঁলোকে কি কৰিলে

সেই উপকাহিনীকো লগতে ধবিলে চণ্ডীব কাহিনী হয় মুঠতে চাবিটা। বর্ণনাব মাজে মাজে থকা মুনি আক সুবথ আক সমাধিব কথোপকথন, দেৱী আক দেৱতাসকলব সংবাদ, দেৱী আক অসুবব উক্তি-প্রত্যুক্তি আক অসুব আক অনুচবসকলব বচনসমূহব দ্বাবা এই গ্রন্থলৈ যথেষ্ট নাটকীয় সৌন্দর্য্য আহি. পবিছে। দেৱীব আবির্ভাবব বর্ণনাত অদ্ভুত-বস, যুদ্ধব বর্ণনাত বীববস আক দেৱীব স্তুতিসমূহব মাজেদি ভক্তি-বসব অভিব্যঞ্জনা হৈ পৌবাণিক বচনাব মাজতো কাব্যিক সৌন্দর্য্যব আভা ফুটি ওলাইছে।

সনাতন ধর্মাবলম্বীসকলব মাজত আক বাইকৈ শাক্তসকলব কাবণে চণ্ডী বিশেষভাবে মানাই গ্রন্থ। প্রবৃত্তিমার্গত নিবত সংসাবী দেৱীভক্তসকলব কাবণে এই গ্রন্থব বিশেষ আকর্ষণ আছে। ত্রিতাপ-ক্লিষ্ট সংসাবী ভক্তিসকলব কাবণে ই এক আশাব বার্ত্তা বহন কবি আনে। চণ্ডীব প্রথম চবিত্র, দ্বিতীয় চবিত্র আক তৃতীয় চবিত্র সকামভাবে পাঠ কবিলে তাব ফলত যথাক্রমে ধর্ম, অর্থ আক কাম (অর্থাৎ বৈষয়িক উন্নতি) লাভ হয় আক নিষ্কামভাবে পাঠ কবিলে প্রত্যেক চবিত্রব পবাই মোক্ষ লাভ হয়। গতিকে চণ্ডী-পাঠব পবাই চতুর্বর্গফল প্রাপ্তি হ'ব পাবে। চণ্ডীব শ্লোকসমূহব বিশাল মন্ত্রশক্তি আছে বুলি ভক্তসকলে বিশ্বাস কবে। সাধনাব আহিলাৰূপে চণ্ডীগ্রন্থব একাবৃত্তি, দ্বিবাবৃত্তি, অর্কাবৃত্তি (অর্থাৎ ১২ বাব আবৃত্তি) আদি ৰূপে বাবে বাবে পাঠ কবাব নিয়ম চলি আহিছে। 'পুটিত' শব্দব অর্থ হ'ল 'সংযুক্ত'। চণ্ডীব প্রতিটো মন্ত্রব আগে পিছে ওঙ্কাব বা আন কোনো এটা নির্দিষ্ট শ্লোক বা মন্ত্র বাবে বাবে যোগ দি পাঠ কবাকে পুটিত চণ্ডীপাঠ বোলা হয়। এনে চণ্ডীপাঠব বিশেষ 'মাহাত্ম্য আছে বুলি বিশ্বাস চলি আহিছে। উদাহবণ স্বৰূপে, 'জ্ঞানিনামপি চেতাংসি দেৱী ভগৱতী হি সা। বলাদাকৃষ্য মোহায় মহামায়া প্রয়চ্ছতি॥' (১/৫৫-৫৬) (সেই দেৱী ভগৱতী মহামায়াই জ্ঞানী-সকলবো চিত্ত বলেৰে আকর্ষিত কবি মোহগর্ত্তত পেলাই দিয়ে।), 'কবোতু সা নঃ শুভহেতুবীশ্বৰী। শুভানি ভদ্রাণ্যভিহন্তু চাপদঃ॥'

(৫/৮১) 'সেই মঙ্গলময়ী পরমেশ্বরীয়ে আমার পরম মঙ্গল বিধান করক আরু আপদসমূহ দূর করক।'—এনে মন্ত্রসমূহর জপর ফলত বিশেষ বিশেষ ফল অব্যর্থভাবে লাভ করা যায় বুলি এটা ধারণা চলি আহিছে।

গীতা-শাস্ত্রর (অর্থাৎ শ্রীমদ্‌ভগৱদ্‌গীতার) বৈষ্ণৱসকলর মাজত যর সমাদর আছে। আন হাতে চণ্ডীর সমাদর আছে শাক্তসকলর মাজত। সেই অনুক্রমে চণ্ডীক বৈষ্ণৱ গীতা-শাস্ত্রর শাক্ত প্রতিৰূপ বুলি বর্ণনা করা হয়। এই কথা তাৎপর্য্যপূর্ণ। বাস্তবিকতে চণ্ডী আরু গীতার মাজত কেইটামান বিশেষ মিল দেখা যায়। এই সাদৃশ্য প্রণিধানযোগ্য; আরু এই সাদৃশ্য অনুধাৱনর গুরুত্ব এই কারণে অধিক যে সনাতন ধর্মর শাক্ত আরু বৈষ্ণৱ এই দুটা ঘাই সম্প্রদায়র মাজত যে মূলতঃ কোনো ভেদ নাই সেই কথার উপলব্ধি এই সাদৃশ্য-জ্ঞানেও বহু পরিমাণে আনি দিব পারে। আপাতদৃষ্টিতে আমি গীতা আরু চণ্ডীর তলত দিয়া দরে মিল দেখিবলৈ পাওঁ:—

১। গীতাত মনুর প্রসঙ্গ স্পষ্টভাৱে দিয়া আছে। তুঃ "ইমং ৱিৱস্বতে যোগং প্রোক্তৱানহমব্যয়ম্। ৱিৱস্বান্ মনৱে প্রাহ মনুৰিক্ষ্বাকৱেঽব্রৱীৎ॥" (গীতা ৪/১) ইত্যাদি। চণ্ডীর আৰম্ভও হৈছে আরু শেষো হৈছে মনুর প্রসঙ্গেৰে। দ্বিতীয় মনু স্বাৰোচিষর অধিকার-কালতে স্বাৰোচিষর জ্যেষ্ঠ পুত্র চৈত্রর বংশত বজা সুরথর জন্ম হৈছিল। সেই সুরথেই গৈ আকৌ সূর্য্যর পুত্ররূপে সাৱর্ণি নামেৰে অষ্টম মনু কিদৰে হবলৈ পালে সেই কাহিনী মার্কণ্ডেয় মুনিয়ে নিজ শিষ্য ক্রৌষ্টুকি ভাগুৰিক ক'বলৈ লৈছে। এইদৰেই চণ্ডীর সমগ্র কাহিনীর আৰম্ভ হৈছে আরু দেৱীর বর লাভ করিয়ে যে সুরথেই গৈ সাৱর্ণি মনু হব সেই কথাৰে গ্রন্থখন শেষ হৈছে (তুঃ চণ্ডী ১/২-৪, ১৩/২২, ২৩, ২৮, ২৯।)

২। গীতার মতে ভগবান নিজে অজ (জন্মৰহিত) অৰিনশ্বর, সৎ আরু সকলো প্রাণীৰে ঈশ্বর। তথাপি তেওঁ নিজ মায়ার দ্বারা নিজ প্রকৃতিতে অধিষ্ঠিত হৈ জন্ম গ্রহণ করে (তুঃ অজোঽপি সন্নব্যয়াত্মা ভূতানামীশ্বরোঽপি সন্। প্রকৃতিং স্বামধিষ্ঠায় সম্ভৱাম্যা-

ত্মমায়য়া ॥' গীতা ৪/৬)—যেতিয়াই ধর্মৰ গ্লানি হয় আৰু অধর্মৰ অভ্যুত্থান হয় তেতিয়াই ভগবানে নিজকে নিজে সৃষ্টি কৰে। সাধুৰ পৰিত্রাণ আৰু দুষ্কৃতকাৰীৰ বিনাশৰ বাবে আৰু ধর্মসংস্থাপনৰ বাবে যুগে যুগে ভগবানে অৱতাৰ গ্রহণ কৰে (তুঃ গীতা ৪/৭-৮)। চণ্ডীৰ একাধিক কাহিনীৰ মাজেদিও এই কথাই প্রকাশ পাইছে যে দুষ্টৰ দমন আদি উদ্দেশ্য লৈয়ে ভগৱতী নানা ৰূপে আৱির্ভূতা হৈছে। অৱশ্যে গীতাত ভগৱানে নিজ প্রকৃতিৰ সহায়েৰে অৱতাৰ গ্রহণ কৰিছে, কিন্তু চণ্ডীত সেই প্রকৃতি বা মহামায়াই নিজেই ৰূপ গ্রহণ কৰিছে।

৩। গীতাৰ মতে সকাম বা নিষ্কাম যিভাৱেই নহওক যেয়ে যি ভাবেই ভগবানক ভজনা কৰে ভগবানেও তেওঁক তেনেদৰেই অনুগ্রহ কৰে) তুঃ 'যে যথা মাং প্রপদ্যন্তে তাংস্তথৈব ভজাম্যহম্।', (গীতা ৪/১১)। চণ্ডীতো দেৱীয়ে সুৰথ আৰু সমাধিক নিজ নিজ অভিলাষ অনুসৰিয়েই বৰ দিছে। সুৰথে হৃতৰাজ্য ঘুৰাই পাইছে আৰু সমাধিয়ে ব্রহ্মজ্ঞান লাভ কৰিছে। কাৰণ ভগৱতীক ভক্তিৰে আৰাধনা কৰিলে তেৱেঁই ইহলোকত বৈষয়িক সুখ আৰু পৰলোকত স্বর্গসুখ আৰু মুক্তি আনি দিয়ে (তুঃ আৰাধিতা সৈব নৃণাং ভোগস্বর্গাপৱর্গদা।", চণ্ডী ১৩/৫)। গীতাত ভগৱানে কোৱাৰ দৰে চণ্ডীত দেৱীয়ে নিজেই কৈছে 'মোৰ ওচৰত তোমালোকে যেয়ে যিহকে বৰ বিচাৰা মই তুষ্ট হৈ তাকে দিম' (চণ্ডী/২০-২৮)।

৪। গীতাত মায়া-শক্তিৰ বিষয়ে গুৰুত্ব সহকাৰে বর্ণনা কৰা হৈছে। ' দৈৱী হ্যেষা গুণময়ী মম মায়া দুৰত্যয়া। মামেৱ যে প্রপদ্যন্তে মায়ামেতাং তৰন্তি তে', গীতা ৭/১৪)— মোৰ এই ত্রিগুণাত্মিকা অলৌকিকী মায়া নিতান্ত দুৰতিক্রম্য। কিন্তু যি একান্তভাৱে মোক আশ্রয় কৰে সি এই মায়াক অতিক্রম কৰিব পাৰে। আকৌ কৈছে, 'ঈশ্বৰঃ সর্ৱভূতানাং হৃদ্দেশেঽর্জুন তিষ্ঠতি। ভ্রাময়ন্ সর্ৱ-ভূতানি যন্ত্রাৰূঢ়ানি মায়য়া।', (গীতা ৮/৬১)—হে অর্জুন, ঈশ্বৰে সমস্ত

প্রাণীবর্গক নিজ মায়া-শক্তিবে যন্ত্রচালিত পুতলাব দবে পবিভ্রমণ কবাই সমস্ত প্রাণীব হৃদয়ত বিবাজ কবিছে। চণ্ডীতো প্রায় একেটা স্থবতেই কৈছে, 'মমত্বগর্ত্তেঽতিমহান্ধকাবে ত্রিভ্রাময়ত্যেতদতীব বিশ্বম্'। চণ্ডী ১৩/৩১,—হে ভগবতী, গভীব অজ্ঞানৰূপ অন্ধকাব আক মমতা-পূর্ণ সংসাবগর্ভত মানুহক আপোনাব বাহিবে আক আন কোনে বাবে বাবে ভ্রমণ কবাব পাবে! চণ্ডীব প্রথম অধ্যায়তে মহামায়া ভগবতী যোগনিদ্রাব বিশদ বর্ণনা কবা হৈছে আক তেৱেঁই যে সকলো প্রাণীব নিয়ন্ত্রক আক বন্ধ-মোক্ষব হেতু তাক প্রতিপাদন কবিছে (তুঃ 'তথাপি মমতাবর্ত্তে মোহগর্তে নিপাতিতাঃ। মহামায়াপ্রভাবেণ সংসাবস্থিতিকাবিণা।। তন্নাত্র বিস্ময়ঃ কার্য্যো যোগনিদ্রা জগৎপতেঃ। মহামায়া হবেশ্চৈতত্তয়া সংমোহ্যতে জগৎ ।।', (চণ্ডী ১/৫৩-৫৫)। বাস্তবিকতে মহামায়াব স্বৰূপ বর্ণনাব আপাহতে সমগ্র চণ্ডী-শাস্ত্রব অৱতাবণা কবা হৈছে।

৫। গীতাব মতে ভগবানেই সমস্ত জগতব উৎপত্তিব কাবণ। ভগবানব শক্তিব ক্রিয়াতে সমস্ত জগৎ ক্রিয়াশীল। বুদ্ধি, জ্ঞান, অসৎ-মোহ, সুখ-দুখ, জন্ম-মৃত্যু, ভয়-অভয় আদি বিপবীত ভাব ভগবানব পবাই উদ্ভব হয় (তুঃ গীতা ১০/৮, ১০/৪-৫)। চণ্ডীতো এই ভাব ফুটি ওলাইছে। ভগবানব কাণব মলিব পবাই মধু-কৈটভব উৎপত্তি হৈছিল, চণ্ডী ১/৬৮)। অসুৰো দেৱীব নিজবে সৃষ্টি। সেয়েহে তেওঁব বিষয়ে কোৱা হৈছে—

'সবগত বসতি দিবব বাবে
বধ কবি সমব ক্ষেত্রত
শত্রুকো কবিলা দয়া
দয়াময়ী তুমি দেৱী দয়াব আধাব, (তুঃ চণ্ডী ৪/২১-২৩)

৬। গীতাব একাদশ অধ্যায়ত বিশ্বৰূপ-দর্শনত ভগবানব এটা ভয়াল ৰূপ বর্ণনা কবা হৈছে, (তুঃ গীতা ১১/২৪-৩০)। চণ্ডীতো ভয়ঙ্কবী চামুণ্ডা ৰূপ দেৱীবেই। শত্রুব প্রতিও দয়াশীলা দেৱীয়েই যুদ্ধক্ষেত্রত ভীষণ নিষ্ঠুবতা ধাবণ কবে, (তুঃ চণ্ডী ৪/২২)।

৭। গীতাতেই (১৮/৬৮–৭১) গীতা-পাঠৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। চণ্ডীৰো দ্বাদশ অধ্যায়ত চণ্ডী-শ্ৰৱণৰ মহিমা বৰ্ণনা কৰা হৈছে।

৮। গীতা আৰু চণ্ডী দুয়োখনেই আন বৃহত্তৰ গ্ৰন্থৰ অংশ। গীতাৰ মূল হ'ল মহাভাৰত। মহাভাৰত এখন 'ইতিহাস' গ্ৰন্থ। চণ্ডী হ'ল মাৰ্কণ্ডেয় পুৰাণৰ অৰ্থাৎ এখন পুৰাণৰ অংশ। ইতিহাস আৰু পুৰাণ, এই দুয়োটা মূলৰে আকৌ এটা বিশেষ মিল আছে। বেদৰ মূল তাৎপৰ্য্যকে বিশদভাৱে বুজাই দিবৰ বাবেই ইতিহাস আৰু পুৰাণৰ প্ৰবৰ্ত্তন হৈছিল—'ইতিহাসপুৰাণাভ্যাং বেদং সমুপবৃংহয়েৎ।'

৯। দুয়োখন গ্ৰন্থৰে বিষয় উপস্থাপনৰ ভঙ্গী প্ৰায় একেই। সঞ্জয়ে ধৃতৰাষ্ট্ৰক যুদ্ধক্ষেত্ৰৰ বৰ্ণনা দি যোৱাৰ প্ৰসঙ্গতে শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰূপে গীতা-শাস্ত্ৰৰ উপস্থাপন কৰা হৈছে। মাৰ্কণ্ডেয় মুনিয়ে নিজ শিষ্য ক্ৰৌষ্টুকি ভাগুৰিক সাৱৰ্ণি মনুৰ আৱিৰ্ভাৱৰ বিষয়ে কোৱাৰ প্ৰসঙ্গতে মেধা ঋষি আৰু সুৰথ আৰু সমাধিৰ কথোপকথনৰূপে চণ্ডীৰ বিষয়-বস্তু দাঙি ধৰা হৈছে।

১০। গীতাৰ শ্লোকসংখ্যা সাত শ আৰু চণ্ডীৰো মন্ত্ৰসংখ্যা সাত শ। এই কথা বিশেষভাৱে তাৎপৰ্য্যপূৰ্ণ। চণ্ডীত যিভাৱে শ্লোকাৰ্দ্ধ আৰু 'বৈশ্য উবাচ' আদি সৰু সৰু বাক্যকো মন্ত্ৰ বুলি ধৰি লৈ মন্ত্ৰৰ সংখ্যা মুঠতে সাত শ কৰা হৈছে, তাৰে চাই ধাৰণা হয় যেন গীতাৰ শ্লোকসংখ্যাৰ লগত সঙ্গতি ৰাখিবলৈকে এনে কৰা হৈছিল। তু:—

'কথন্তে কিম্ন সদ্বৃত্তাঃ কিম্ন দুৰ্বৃত্তাঃ মে সুতাঃ॥ ২৫
ৰাজোৱাচ। ২৬
যৈৰ্নিৰন্তো ভৱাঁল্লুব্ধৈঃ পুত্ৰদাৰাদিভিৰ্ধনৈঃ ২৭
তেষু কিং ভৱতঃ স্নেহমনুবধ্নাতি মানসম্। ২৮
ৱৈশ্য উৱাচ। ২৯
এৱমেতদ্ যথা প্ৰাহ ভৱানস্মদ্গতং ৱচঃ। ৩০, চণ্ডী-১)

১১। গীতা আৰু চণ্ডী উভয়তে যুদ্ধৰ পটভূমি অথবা যুদ্ধৰ বৰ্ণনাক বিশেষ প্ৰাধান্য দিয়া হৈছে। বাস্তবিকতে দুয়োখন যুদ্ধই

ব্যক্তিৰ নৈতিক অন্তৰ্দ্বন্দ্ব আৰু সমাজৰ আদৰ্শৰ সংঘাতৰ প্ৰতীক। দৰাচলতে দুৰ্যোধন গ্ৰন্থতে দৈৱী-শক্তি আৰু আসুৰিক শক্তিৰ সংঘাত, দেখুৱা হৈছে।

১২। গীতাত ভগৱানে নিজে যুদ্ধ কৰা নাই। অৰ্জুনেহে শত্ৰুক সংহাৰ কৰিছে। কিন্তু চণ্ডীত দেৱীয়ে নিজে যুদ্ধ কৰিছে— 'মই ইহঁতক আগতেই মাৰিয়েই থৈছোঁ। হে সব্যসাচী, তুমি নিমিত্ত মাত্ৰ হোৱাঁ'—'ময়ৈবৈতে নিহতাঃ পূৰ্ৱমেৱ নিমিত্তমাত্ৰং ভৱ সব্যসাচিন্ ॥" (গীতা ১১/৩৩)

এনেদৰে আৰু বহুতো সাদৃশ্য সুধীসকলে ভাবি উলিয়াব পাৰে। গীতা-শাস্ত্ৰই সাংসাৰিক কৰ্মৰ প্ৰতি বিমুখ হ'বলৈ নিষেধ কৰিছে। কিন্তু কৰ্মফলৰ প্ৰতি উদাসীন হ'বলৈ উপদেশ দিছে। চণ্ডীয়েও সুৱথ আৰু সমাধিক দিয়া বৰ অনুসৰি প্ৰবৃত্তি আৰু নিবৃত্তি উভয় মাৰ্গকে স্বীকৃতি দিছে। চণ্ডী-শাস্ত্ৰই এক বিশেষ ধৰণে পীড়িত মানৱৰ প্ৰতি আশাৰ বাণী বহন কৰিছে। দেৱতাসকল যেতিয়া অসুৰসকলৰ দ্বাৰা পীড়িত হৈছিল তেতিয়া তেওঁলোকৰ মিলিত তেজঃপুঞ্জৰ পৰা ভগৱতীৰ উদ্ভৱ হৈছিল। তাৎপৰ্য্য হ'ল এই যে এখন সমাজত সঙ্কটে দেখা দিলে অশুভ শক্তিৰ ক্ষমতা বৃদ্ধি পালে সমাজৰ সমূহ বাইজৰ মিলিত ইচ্ছাশক্তিৰ বলত শুভ-শক্তিৰ উদ্ভৱ হ'ব পাৰে।

শ্ৰদ্ধেয় কনকচন্দ্ৰ গোস্বামীদেৱে বৰ সুন্দৰ আৰু সাৱলীলভাৱে, নিষ্ঠাৰে সৈতে 'চণ্ডিকা-আখ্যান' নাম দি চণ্ডীৰ অসমীয়া পদ্যানুবাদ আগবঢ়াইছে। এই অনুবাদত শাস্ত্ৰৰ গাম্ভীৰ্য্য আৰু কাব্যৰ মাধুৰ্য্য উভয়ৰে আস্বাদ লাভ কৰা যায়। শ্ৰদ্ধেয় গোস্বামীদেৱলৈ অভিনন্দন ॥

মুকুন্দমাধৱ শৰ্মা

(ডঃ মুকুন্দমাধৱ শৰ্মা, এম, এ, পি. এইচ ডি, লিট্ কাব্যতীৰ্থ, অধ্যাপক আৰু অধ্যক্ষ, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়)

চণ্ডিকা-আখ্যান

॥ অর্গলাস্তর ॥

জয় হওক চামুণ্ডা তোমাৰ জয় হওক সৰ্ব জীৱৰ জননী
জয় হওক সৰ্বব্যাপিনী দেৱী জয় হওক কালৰাত্রি সৃষ্টি সংহাৰিণী
প্রণামিছোঁ ভক্তিভাৱে চৰণত তোমাৰ জননী।
তুমিয়েই জয়ন্তী মঙ্গলা কালী ভদ্রকালী আৰু কপালিনী
দুৰ্গা শিবা ক্ষমা ধাত্রী স্বাহা আৰু স্বধা স্বৰূপিণী
তযু-পদ-কমলত প্রণতিৰে কৰিছোঁ মিনতি।
মধু আৰু কৈটভৰ বিনাশৰ বাবে ব্রহ্মাই তোমাৰ স্তুৰ পঠন কৰিলে
দিলা বৰ সিদ্ধি কৰি অভীষ্ট ব্রহ্মাৰ সেই হেতু কৰোঁ নমস্কাৰ
সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।
মহিষনাশিনা তুমি সাধকৰ সুখপ্রদায়িনী তুমি কৰোঁ নমস্কাৰ
সৌন্দৰ্য্য বিজয় দিযা দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।
ধূম্রলোচনৰ তুমি বিনাশকাৰিণী ধৰ্ম অৰ্থ কামদাত্রী কৰোঁ নমস্কাৰ
সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।
ৰক্তবীজ ঘিঘাতিনী চণ্ড-মুণ্ডবিনাশিনী হে দেৱী কৰোঁ নমস্কাৰ
সৌন্দৰ্য্য বিজয় দিযা দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।
শুম্ভ-নিশুম্ভৰ তুমি নিধনকাৰিণী ত্রৈলোক্যৰ শুভবিধায়িনী কৰোঁ নমস্কাৰ
সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।
তোমাৰ চৰণ দুটি সৰ্বজনে কৰিছে বন্দনা হে মাতৃ সৌভাগ্যদায়িনী
ময়ো কৰোঁ নমস্কাৰ
সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।
চিন্তাই নাপাই ঢুকি স্বৰূপ-চৰিত্র যাৰ হে সৰ্বশত্রুবিনাশিনী কৰোঁ নমস্কাৰ
সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।
ভক্তিভাৱে প্রণতজনৰ তুমি দুৰ্গতি হৰণ কৰা জননী অপৰ্ণা কৰোঁ নমস্কাৰ
সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

ভক্তিৰে তোমাৰ স্তৱ পাঠ কৰোঁতাৰ সৰ্বৰোগ দূৰ কৰা তুমিহে চণ্ডিকা মাতৃ কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

সমৰত বিজয়শালিনী তুমি সৰ্বপাপবিনাশিনী কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

আমাক সৌভাগ্য দিয়া ৰোগ-ব্যাধি দূৰ কৰা প্রদানিছা সুখ মাতৃ কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

তুমি মাতৃ ত্রৈলোক্যৰ মঙ্গল সাধন কৰা দান কৰা ঐশ্বৰ্য্য বিভূতি কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

তুমি দিয়া বল বীৰ্য্য পৰাক্রম কৰা তুমি শত্রুক দলন কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

সুৰাসুৰ সকলোৰে শিৰৰ ৰতন সদায় লুণ্ঠিত মাতৃ তযু পদকমলত কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

তুমিয়ে আমাক কৰা বিদ্যাবান কীৰ্ত্তিমান আৰু ধনবান মাতৃ কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

প্রচণ্ড দুর্দান্ত দৈত্য অসুৰৰ মহাদর্প তুমিয়ে নাশন কৰা কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

চতুর্মুখে ব্রহ্মাযো তোমাৰ স্তৱ কৰিছে পঠন চতুর্ভুজা কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

ভগৱান শ্রীকৃষ্ণয়ো ভক্তিভাৰে পাঠ কৰে স্তৱ-স্তুতি অম্বিকা তোমাৰ কৰোঁ নমস্কাৰ

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

পার্বতীৰ পতি ভোলানাথে তোমাৰ বন্দনা কৰে পৰম শ্রদ্ধাৰে কৰোঁ নমস্কাৰ।

সৌন্দৰ্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাৰ।

শচীপতি ইন্দ্রয়ো তোমাক পূজে ভক্তি সহকাবে দেৱী কবোঁ নমস্কাব
সৌন্দর্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাব।
ভকতব অন্তৰত বিমল আনন্দ দিয়া অম্বিকা গোসানী তুমি কবোঁ নমস্কাব
সৌন্দর্য্য বিজয় দিয়া দিয়া খ্যাতি কৰা মাতৃ শত্রুক সংহাব।
মনোবৃত্তি অনুগামী দিয়া তুমি ভার্য্যা মনোৰমা মাতৃ কবোঁ নমস্কাব
সৌন্দর্য্য বিজয় দিয়া দিযা খ্যাতি কৰা মাতৃ শত্রুক সংহাব।
অতিকে দুর্গম এই সংসাব-সাগব পাব কৰা ত্রাণকত্রী কবোঁ নমস্কাব
সৌন্দর্য্য বিজয় দিয়া দিযা খ্যাতি কৰা মাতৃ শত্রুক সংহাব।
অর্গলা নামেৰে পাঠ কবি এই স্তব
মহাস্তোত্র দেৱীৰ মাহাত্ম্য পাঠ কৰিব মানবে,
এইৰূপে সপ্তশতী চণ্ডীৰ সম্যক পূজন কবিলে
মানবে দুর্লভ বৰ জীবনত লাভে।

—:॥:—

দেৱী-সূক্ত

অষ্টবসু ৰুদ্ৰ একাদশ
দ্বাদশ আদিত্য আৰু বিশ্বদেৱ ৰূপে
মই আছোঁ কৰি বিচৰণ ;
মিত্ৰ বৰুণ ইন্দ্ৰ অগ্নি আৰু অশ্বিনীকুমাৰক
অমৰৰ অৰাতিনাশক
সোম ভগ পূষা আৰু দেৱৰ্ষি ত্বষ্টাক মই
কৰিছোঁ ধাৰণ।
ব্ৰহ্মদৰ্শিনী মই বিত্ত-প্ৰদায়িনী
দেৱশ্ৰেষ্ঠা সকলোৰে মযেই ঈশ্বৰী।
দেশব্যাপি অনেক ৰাজ্ঞিযে
সৰ্বৰূপে সকলোতে বিৰাজকাৰিণী মোক
কৰে আৰাধনা
নিবেদন কৰি শ্ৰদ্ধা বিমল ভকতি।
সকলো জীৱৰে মই ভক্ষণ শকতি।
শক্তি - স্বৰূপিণী মযে সকলো প্ৰাণীৰ,
যিজনে নাজানে মোক যথাৰ্থ ৰূপেৰে
সিজনৰ নাথাকে কদাপি সীমা
দুখ দুৰ্গতিৰ।
দেৱ আৰু মানব পূজিত এই পৰম তত্ত্বৰ
মই নিজে দিছোঁ উপদেশ।
পৰিত্ৰাণ কৰিবলৈ ইচ্ছা কৰোঁ মই যিসবক
সৰ্বশ্ৰেষ্ঠ কৰি মই সেইসকলক

দান কৰোঁ ব্ৰহ্মত্ব ঋষিত্ব আৰু
সজ্ঞ জ্ঞান বক্তাৰূপে এই ব্ৰহ্মাণ্ডত।
মহাদেৱে ত্ৰিপুৰ অসুৰ বধ কৰাৰ কালত
ত্ৰিপুৰৰ বিনাশৰ বাবে
আপোন শক্তিৰে মোৰ ৰুদ্ৰৰ হাতৰ ধনু
কৰিলোঁ বিস্তাৰ
মই সাধু সুজনৰ ৰক্ষাৰ নিমিত্তে কৰোঁ
সংগ্ৰাম দুৰ্বাৰ ;
মযে আছোঁ অন্তৰে বাহিৰে ব্যাপি
বিশ্ব-বসুধাৰ ।
পৰম আত্মা মোৰ এই ব্ৰহ্মাণ্ডৰ
শিৰৰ ভূষণ এই সুনীল গগন,
মযে মাথো কৰিছোঁ সৃজন।
পৰম চৈতন্যৰূপে ব্যাপি আছোঁ এই ত্ৰৈলোক্যত,
প্ৰকৃতি ৰূপেৰে সকলোতে মই বিৰাজিতা,
আছোঁ মই স্বৰ্গলোক স্পৰ্শ কৰি
মায়াময় শৰীৰৰ দ্বাৰা।
কৰিছোঁ মযেই সৃষ্টি এই ত্ৰিভুবন
বতাহৰ দৰে মই নহৈ চালিত আনৰ শক্তিৰে
তিনিও ভুবন ব্যাপি মই অৱস্থিতা ;
আকাশ অনন্ত শূন্য আৰু বসুধাৰ
ক্ষণে ক্ষণে বিকাৰৰ আছে সম্ভাবনা
মই কিন্তু বিকাৰবিহীনা।
এই সকলোটি মাথো মোৰেই মহিমা
মই নিজে সম্পূৰ্ণ নিলিপ্তা।

চণ্ডিকা-আখ্যান

প্রথম অধ্যায়

মার্কণ্ডেয় ঋষিয়ে কলে ক্রৌষ্টুক মুনিক,—
শুনা তপোধন,
কওঁ মই জনম-বৃত্তান্ত সেই
অষ্টমাধিপতি মনু সূর্য্যপুত্র সাৱর্ণি নামৰ।
আৰু কওঁ—
পূজি মহামায়া
দেৱীৰ প্রসাদ লভি
কিদৰে সাৱর্ণি হ'ল মন্বন্তৰপতি।
প্রাচীন কালত
স্বাৰোচিষ নামে খ্যাত দ্বিতীয় মনুৰ
অধিকাৰ অৱসান হোৱাৰ পিছত
চৈত্রবংশ সমুদ্ভৱ সুৰথ নামৰ
আছিল এজন ৰজা ধৰাৰ বুকত।
নিজ ঔৰ্য্যপুত্রৰূপে
কৰিছিল প্রজাক পালন
কৰিছিল সাধুক সন্মান আৰু দুষ্টক দমন।
কিন্তু ক্রমে শত্রুৰূপে থিয় দিলে ৰজাৰ বিপক্ষে
যতমানে অধীনস্থ যবন ৰাজন।
পৰিণাম ৰূপে
প্রবল প্রতাপী সেই ৰজা সুৰথৰ
যুদ্ধ হ'ল শত্রুৰ লগত।

যদিওবা হীনবল যবন বাহিনী
তথাপিতো প্রবল প্রতাপী আৰু
দুষ্টক দমনকাৰী ৰজা সুৰথক
পৰাজিত কৰিলে ৰণত।
ঘূৰি আহি নিজ পুৰীলই
পৰাজিত সুৰথ ৰাজন
অধিপতি হ'ল মাথো আপোন ৰাজ্যত।
ক্ৰমে ক্ৰমে দুষ্ট আৰু হীন কৌশলেৰে বলী
অমাত্যবৰ্গই,
হীনবল সুৰথ ৰজাৰ
নিজ নগৰীত থকা
ধনাগাৰ সৈন্য সেনাবল
সকলোটি ছলনাৰে কাৰলে হৰণ।
হেৰুৱাই ৰাজ্যধন সেনা-সৈন্যবল
এদিন অকলশৰে নৃপতি সুৰথে
ঘোঁৰাৰ পিঠিত কৰি আৰোহণ,
মৃগযাৰ ছল কৰি
ডাঠ এক অৰণ্যলৈ কৰিলে গমন।
তেওঁ সেই বনৰ মাজত
চৌদিশ আগুৰি থকা
অসূযাবিহীন বহু বনৰ প্ৰাণীয়ে
আৰু
শুশোভিত অগণন শিষ্যসকলেৰে
দ্বিজশ্ৰেষ্ঠ মেধস মুনিৰ
পুণ্যাশ্ৰম কৰিলে দৰ্শন।
মুনিয়ে ৰজাক দেখি আদৰণি জনালে যেতিয়া
তেতিয়া ৰজাই
অস্থিৰ চিত্তেৰে আশ্ৰমত থাকিব ধৰিলে
এনি তেনি কৰি বিচৰণ।

এইদৰে থাকোতে ৰজাই
মমতাৰ বশীভূত হৈ
এনেদৰে ভাবিব ধৰিলে ;—
'পূৰ্বে মোৰ পিতৃ পিতামহে
সুৰক্ষিত কৰি অহা ৰাজপুৰীখনি
যাক মই পৰিত্যাগ কৰি আহিলোঁ এতিয়া,
কৰিছে পালন জানো
কুলধৰ্ম অনুসাৰে
অসৎ চৰিত্রহীন
মোৰ ভৃত্য অনুচৰবোৰে ?
সমৰত সুনিপুণ মদস্রাবী যিটো মোৰ
আছিল প্রধান হাতী অতিকে আপোন,
বশৱৰ্ত্তী হৈ শতকৰ
নাজানোঁ এতিয়া
কিবা সুখ ভোগ তাৰ মিলিছে ভাগ্যত।
ভোগ কৰি মোৰে ধন মোৰে অন্ন
মোৰে অনুগ্রহ,
আছিল যতেক প্রজা মোৰ অনুগত,
সেইবিলাকেই হায় এতিয়া কৰিছে
উপাসনা অন্য নৃপতিৰ
আপোন সুখত।
আজীৱন অনৰ্থক ব্যয়কাৰী
সেই মোৰ অমাত্যবৰ্গই
অতিকষ্টে উপাৰ্জন কৰা মোৰ ৰাজ-ভঁৰালৰ
ৰত্নৰাজি অচিৰে কৰিব ক্ষয়—বুজিছোঁ নিশ্চয়।'
এনেদৰে সুৰথ ৰজাই
কৰিব ধৰিলে চিন্তা
বৰ্তমান ভবিষ্যত আৰু অতীতৰ।

আশ্রমৰ কাষৰত এদিন ৰজাই
দেখা পাই বৈশ্য এজনক
সুধিলে ইদৰে ;
"কোন তুমি উপস্থিত হ'লাহি ইয়াত ?
কিহৰ কাৰণে বাৰু
শোকাকুল বিষাদে কাতৰ মন
দেখিছোঁ তোমাৰ ?
নাই যদি আপত্তি, একোই
কোৱা মোক কাহিনী তোমাৰ।"
এনেকুৱা প্ৰীতিভৰা ৰজাৰ বচন শুনি
বিনয়েৰে প্ৰত্যুত্তৰ জনালে বৈশ্যই ;
"বৈশ্য মই সমাধি নামেৰে
জন্ম মোৰ ধনীৰ বংশত,
কিন্তু খেদি দিলে মোক আপোন ঘৰৰ পৰা
ল'ৰা তিৰোতাই
অন্ধ হৈ ধনৰ লোভত।
ভাৰ্য্যা পুত্ৰ বন্ধুগণে
কাঢ় লৈ ধন-সোণ মোৰ
নিজৰ ঘৰৰ পৰা কৰিলে বিদূৰ।
সেই বাবে
হেৰুৱাই সকলোটি মনৰ দুখত
পশিলোহি নিজম বনত,
তথাপি নহ'ল লঘু যাতনা বুকৰ।
এতিয়া ইয়াত আহি
পোৱা নাই শুভাশুভ বতৰা একোকে
পুত্ৰ ভাৰ্য্যা কিম্বা স্বজনৰ।
সিবিলাকে আপোন গৃহত
সুখ ভোগ কৰিছেনে ভুগিছে যাতনা

হৈছে অসৎ কিম্বা শত্রু মোৰ ল'ৰা ?
একোকে সম্ভেদ মই পোৱা নাইকিয়া।
দিনে-ৰাতি সেয়ে মোৰ প্ৰাণৰ যাতনা।"
উত্তৰত সুৰথে সুধিলে ;
যিবিলাক ধনলোভী পুত্ৰ-ভাৰ্য্যা স্বজনৰ দ্বাৰা
নিজৰ ঘৰৰ পৰা হ'লা বিতাড়িত
সিহঁতৰ বাবে তুমি কিহৰ কাৰণে বাৰু
চেনেহত হৈছা চিন্তিত ?
সমাধিয়ে দিলে সমিধান—
"আমাৰ সম্পৰ্কে তুমি
সমুচিত কথাকেই কৈছা ৰাজন
কিন্তু মই কি কৰিম উপায়বিহীন।
হোৱা নাই মন মোৰ এতিয়াও
নিৰ্মম নিষ্ঠুৰ।
সিবিলাকে ধনৰ লোভত
পিতৃস্নেহ পতি আৰু স্বজনৰ মৰম সাদৰ
কৰি পৰিত্যাগ
ঘৰৰ পৰাই মোক কৰিলে বিদূৰ।
সেইবিলাকৰ প্ৰতি নাজানোঁ কিয়নো
এতিয়াও অনুৰক্ত মন মোৰ
চেনেহেৰে পূৰ।
শুনাহে ৰাজন
প্ৰতিকূল স্বজনৰ প্ৰতি
মন মোৰ স্নেহেৰে প্লাবিত বুলি
বুজিছোঁ যদিও
বুজা নাই স্নেহৰ কাৰণ।
সিহঁতৰ কাৰণেই
মই আজি অস্বস্তিৰ পেলাওঁ নিশ্বাস

সিহঁতেই মোৰ মনোবিকাৰ কাৰণ
কিন্তু মই কি কৰিম হে ৰাজন ?
প্ৰীতিহীন সেই মোৰ ভাৰ্য্যা পুত্ৰ স্বজনৰ প্ৰতি
পৰা নাই নিষ্ঠুৰতা কৰিব পোষণ।"
ইদৰেই পৰস্পৰ বাক্যালাপ কৰি
বণিক সমাধি আৰু নৃপতি সুৰথে
দুয়ো লগ হৈ
মেধসৰ সমীপত হ'ল উপস্থিত।
উভয়ে তেতিয়া যথাযোগ্যভাৰে
কৰি সম্ভাষণ সেই মুনিৰ লগত
বাক্যালাপ কৰিব ধৰিলে
ৰজাই প্ৰথমে ক'লে --
ঋষিবৰ
নোৱাৰি বুজিব আমি
আমাৰ এই দুখৰ কাৰণ
চাপিছোঁহি কাষ আপোনাৰ
দয়া কৰি দিয়ক বুজাই
উপলব্ধি হয় যেন আমি দুজনাৰ
যদিওবা নহওঁ অজ্ঞানী
তথাপিতো অজ্ঞানীৰ দৰে
মোৰ হৃতৰাজ্য আৰু প্ৰতিকূল স্বজনৰ প্ৰতি
আছোঁ কিয় বান্ধ খাই
মমতা-পাশত ?
আৰু এই বৈশ্যও নিজৰ
ভাৰ্য্যা পুত্ৰ স্বজনৰ দ্বাৰা
বিতাড়িত বদুৰত হৈ
কিয় বাৰু এতিয়াও অনুৰক্ত
দুৰাত্মা পুত্ৰত কিম্বা ভাৰ্য্যা বান্ধৱত ?

এইদৰে আমি দুয়োজনে
প্ৰত্যক্ষ কৰিও দুষ্ট বিষয়-বাসনা
মমতাৰ বশবৰ্ত্তী হৈ
বিষয়ত আকৃষ্ট চিত্তেৰে
অতিশয় দুখ ভোগ কৰিছোঁ নিতউ।
ঋষিবৰ।
এয়ুৰ, বিভ্ৰম মাথো
শোভা পায় অজ্ঞানীজনৰ,
কিন্তু কি কাৰণে
এই মোহ এই মায়া চিত্তত জন্মিছে
জ্ঞাননিৰপেক্ষভাৱে আমি দুজনাৰ ?"
ক'লে ঋষিবৰে—
"ইন্দ্ৰিয়ৰ গোচৰ বস্তু জ্ঞেয় হয় সকলো প্ৰাণীৰ
সিদৰে বিষয়ো আছে ভিন ভিনৰূপে।
কিছুমান প্ৰাণী আছে নেদেখে দিনত
কিছুমান প্ৰাণী আছে অন্ধ আন্ধাৰত
কিছুমান প্ৰাণী আছে
সমদৃষ্টি ৰাতি বা দিনত।
তুমি যি জ্ঞানৰ কথা কৈছা ৰাজন
সি কথা যদিও সত্য
নোহে সত্য
কেৱল নৰ হে জ্ঞানী
এই কথাশাৰী।
যিহেতুকে
আছে জ্ঞান পশু-পক্ষীসকলোৰো এই পৃথিবীত।
বিষয় ভাগত যিবা জ্ঞান আছে মানুহৰ
সেই জ্ঞান আছে ৰজা
পশু-পক্ষী প্ৰভৃতিৰ, সাধাৰণ সকলো জীৱৰ।

পশু-পক্ষী প্রভৃতিৰ আছে যিবা জ্ঞান
সেই জ্ঞানো আছে মানুহৰ।
মনুষ্য অথবা পশু এই উভয়তে
বাহ্য বিষয়ৰ জ্ঞান সম পর্য্যায়ৰ।
এই জ্ঞান আছে বুলিয়েই
আপুনি পীড়িত হৈ ক্ষুধা-যাতনাত
পোৱালিক যাচি দিয়ে চৰাইবিলাকে
ধান-চাউল আদি কৰি আহাৰৰ কণা
মায়া মমতাত।
লোভ কৰি প্রত্যুপকাৰৰ
আপোন পুত্রৰ প্রতি স্নেহশীল সততে মানুহ
দেখা পোৱা নাই জানো তুমিও ৰাজন?
ইন্দ্রিয়-বিষয় জ্ঞান
যদিওবা আছে এই সকলো প্রাণীৰে
মহামায়াৰ মায়া প্রভাৱত
মায়াৰ গুহাত যেন বদ্ধ সকলোটি।
মহামায়া ভগৱতী
যোগনিদ্রা স্বৰূপিণী জগতপতিৰ,
নহবা বিস্মিত ৰজা
যতমানে তেওঁৰে মায়াই
মুগ্ধ কৰি আছে এই বিশ্ব-ব্রহ্মাণ্ডক।
জ্ঞান থাকিলেও
বলেৰে হৰণ কৰি চিত্ত মন জ্ঞানী সুজনৰো
মোহত আছন্ন কৰে,
সেই দেৱী ভগৱতী মহামায়া
জগতৰ স্থিতিকাৰিণীয়ে।
তেওঁৰে পৰাই ৰজা
উৎপাদিত হ'ল এই বিশ্ব-চৰাচৰ

তেওঁ যদি তুষ্টা হৈ বৰ দান কৰে
মুক্তি লাভ হয় মানৱৰ।
সেই দেৱী ব্ৰহ্মবিদ্যাস্বৰূপিণী মুক্তিৰ কাৰণ
আৰু সনাতনী,
তেৱেঁ সকলোৰে
আবদ্ধ হোৱাৰ হেতু বিশ্ব-বন্ধনত
আৰু তেওঁ বিশ্বৰ ঈশ্বৰী।"
তেতিয়া বজাই কলে,
"কোৱা মুনিবৰ
মহামায়া বুলি তুমি যিজনা দেৱীৰ কথা
কৰিছা প্ৰকাশ
কোন তেওঁ কিবা ৰূপ
কিদৰে উৎপন্না হ'ল ধৰাৰ বুকুত।
শুনোৱা আমাক তেওঁৰ কাৰ্য্যৰ আভাস।
দেৱীৰ সকলো কথা জানিবৰ বাবে
অন্তৰত জাগিছে হেপাহ।"
উত্তৰত কলে মুনিবৰে-
"সেই দেৱী নিত্যা আৰু জগতব্যাপিনী
তথাপিতো কওঁ শুনা
দেৱীৰ উৎপত্তি-কথা
বহু প্ৰকাৰৰ।
যদিওবা নিত্যা তেওঁ
জগত বিযাপি আছে
সৃজন পালন আৰু সংহৰণ কৰি
চৰাচৰ অখিল ভুবন ;
দেৱতাৰ কাৰ্য্য সিদ্ধি কৰিবৰ বাবে
যেতিযাই আবিৰ্ভাব হয বসুধাত
তেতিয়াই উৎপন্না হৈছে বুলি দেৱী মহামায়া
জাগে জাগৰণ।

প্রলয় ক্ষণত
জলেৰে প্লাবিত এই সমস্ত জগত
জগতৰ প্ৰভু বিষ্ণু ভগবান কমলাপতিয়ে
অনন্তশয্যাত গৈ কৰিলে শয়ন ;
যোগনিদ্ৰাৰূপে দেৱী মহামায়া জগত-মূৰ্ত্তিয়ে
শ্ৰীহৰিৰ মুদালে নয়ন
ভগৱান হ'ল অচেতন
তেতিয়া কাণৰ পৰা নিৰ্গত প্ৰভুৰ
মধু আৰু কৈটভ নামেৰে
জন্ম লভি দুটা বৰ ভীষণ অসুৰে
সাজু হ'ল কৰিবলৈ ব্ৰহ্মাক ভক্ষণ।
ভগবান শ্ৰীহৰিৰ নাভিকমলত থকা
প্ৰজাপতি ব্ৰহ্মাই তেতিয়া
সম্মুখত দেখা পাই অসুৰ দুটাক
আৰু দেখি
নিদ্ৰাত মগন সেই জগতপতিক
যোগনিদ্ৰা বশীভূত শ্ৰীহৰিক সচেতন কৰিবৰ বাবে
একাগ্ৰচিত্তেৰে
হৰিনেত্ৰ নিবাসিনী নিৰুপমা ভগৱতী
জগতৰ স্থিতি আৰু সংহাৰকাৰিণী
যোগনিদ্ৰা স্বৰূপিণী জগত-মাতৃক
এইদৰে স্তুতিগীত কৰিব ধৰিলে—
"তুমি স্বাহা তুমি স্বধা
উদাত্তাদি স্বৰূপা যজ্ঞস্বৰূপিণী নিত্যা
জন্ম জৰা মৃত্যুৰ অতীত—অমৃতৰূপিণী
হ্ৰস্ব দীৰ্ঘ প্লুত স্বৰ হল্‌বৰ্ণৰূপী তুমি
তুমিয়ে গায়ত্ৰী।
তুমিয়েই সৰ্বশ্ৰেষ্ঠা সবাৰে জননী।

তুমি দেবী সৃষ্টি স্থিতি সংহারকারিণী
ব্রহ্মজ্ঞান প্রকাশিনী মহাবিদ্যা তুমি।
তুমিয়েই মহামায়া
মায়া-প্রভাবেরে
নিখিল ব্রহ্মাণ্ড এই আছা মুগ্ধ করি।
মহামেধা মহাস্মৃতি মোহরূপা তুমি
তুমিযেই মহাসুরী মহেশ-শকতি।
সকলোরে প্রকৃতি স্বরূপা তুমি
সত্ত্ব রজ আরু তম ত্রিগুণধারিণী।
কালরাত্রি মহারাত্রি
ভয়ঙ্করী ঘোররূপা নিদ্রারাত্রি তুমি।
তুমি লক্ষ্মী বিশ্বর ঈশ্বরী।
তুমি লজ্জা তুমি বুদ্ধি তুমি পুষ্টি তুমি তুষ্টি
তুমি শান্তি তুমি ক্ষমা, জ্ঞানস্বরূপিণী।
শঙ্খ শূল গদা চক্র
ধনুর্বাণ খড়্গ ধরি তুমি ভয়ঙ্করা
তুমি অতি মনোরমা সুন্দরীরো অতিকে সুন্দরী
শ্রেষ্ঠারো অতিকে শ্রেষ্ঠা
তুমি দেবী পরম ঈশ্বরী।
অখিল বিশ্বত এই
সৎ বা অসৎ বস্তু আছে যতমানে
তুমিয়েই একমাত্র শক্তি সকলোরে।
জগতর সৃষ্টিকর্ত্তা যিজন পালক
অন্তিমত কালরূপে যিযে সংহারক
সিজন জগত-পতি বিষ্ণুক করিলা তুমি
বলেরে নিদ্রিত,
কোনেনো তোমার মাতৃ
গার পারে স্তুতি-গীত মহিমা-মণ্ডিত ?

তুমিয়েই জন্ম দিছা
মোক আৰু বিষ্ণু-মহেশক,
কাৰনো শকতি আছে
ৰচিবলে' গীত তৰ এই ধৰণীত।
হে দেৱী কৰিচোঁ প্ৰণতি
নিজ গুণে তুষ্টা হৈ
মধু আৰু কৈটভ নামৰ এই ঘোৰ অসুৰদ্বয়ক
মুগ্ধ কৰা মায়াৰে তোমাৰ।
আৰু
জগতৰ পতি শ্ৰীহৰিক কৰি সচেতন
টোপনিৰ পৰা,
বধ কৰিবৰ বাবে অসুৰদ্বয়ক
অচিৰতে কৰা দেৱী
জ্ঞানৰ সঞ্চাৰ নাৰায়ণ পৰম পিতাৰ।"
এনেদৰে ব্ৰহ্মাই যেতিয়া
স্তৱ পাঠ কৰিলে দেৱীৰ
তুষ্টা হৈ দেৱী তামসীয়ে
মধু আৰু কৈটভৰ বধৰ উদ্দেশ্যে
ভগবান কেশৱক জাগৰিত কৰিবৰ বাবে
প্ৰভুৰ হৃদয় চকু মুখ কাণ দুবাহুৰ পৰা
হৈ বহিৰ্গতা
অব্যক্তজন্মা ব্ৰহ্মাক দিলে দৰশন।
নিদ্ৰামুক্ত হ'ল জনাৰ্দন
ততালিকে বহিল শয্যাত জগন্নাথ পতিতপাৱন,
দেখা পালে সম্মুখত
দুৰাত্মা অসুৰ ঘোৰ মধু-কৈটভক,
অতিবীৰ্য্য পৰাক্ৰমী ৰোষে-ক্ষোভে আৰক্ত নয়ন
সাজু হৈ ৰৈ আছে
কৰিবলৈ ব্ৰহ্মাক ভক্ষণ।

পৰিহাৰ কৰি শয্যা মাধৱে ভেটিয়া
আক্ৰমিলে অসুৰদ্বয়ক—মধু-কৈটভক ;
অৰ্দ্ধদশ হেজাৰ বৰ্ষ বাহু যুদ্ধ কৰি
কৰিলে সমৰ।
প্ৰলয়ৰ জলধিত উঠিল খলক
তথাপিতো অসুৰৰ পৰাজয় নহ'ল সম্ভৱ।
মহামায়া দেৱীযে ভেটিয়া
অতি বলবান সেই
হিতাহিত বিচাৰ বিহীন
অসুৰ দুটাৰ
মায়াৰে বিমুগ্ধ কৰি বিমোহিলে মন।
মোহাচ্ছন্ন দুয়োজনে সমৰ গৰ্বত
কলে কেশৱক—
'দিওঁ বৰ
লোৱা তুমি তোমাৰ ইচ্ছানুক্ৰমে
তুষ্ট আমি দেখি তব শকতি যুদ্ধত।"
কলে নাৰায়ণে—
"মোৰ প্ৰতি তুষ্ট যদি হৈছা সচাই
দিয়া বৰ—বধ্য মোৰ হোৱা দুজনাই
ইযাৰ বাহিৰে
অন্য বৰৰ মোৰ প্ৰয়োজন নাই।"
মহামায়া দেবীৰ মাযাত
মোহাচ্ছন্ন অসুৰ দুটাই ভাবিলে মনত
জলেৰে প্লাবিত এই সমস্ত জগত
নাই ক'তো স্থলৰ আভাস।
কওঁ যদি বধিব পাৰিবা বুলি
জলহীন যি কোনো স্থানত
নহওঁ নিহত আমি এই সমৰত।

এই ভাবি ছলনা কৰিলোঁ বুলি কলে মাধৱক —
"দিলোঁ বৰ বধ্য হ'ম তোমাৰ হাতত
কিন্তু নোৱাৰিবা বধিব আমাক জলৰ গৰ্ভত,
বধিব পাৰিবা মাথো
জলহীন অন্য কোনো স্থানৰ বুকত।"
"সেয়ে হ'ব নহ'ব অন্যথা',
এই বুলি শঙ্খ চক্ৰ গদাধাৰী বিষ্ণু ভগৱানে
আপোনাৰ দুই উৰু কৰিলে বিস্তাৰ,
আৰু সেই উৰুতেই দেৱীৰ কৃপাত
ধৰি চক্ৰ সুদৰ্শন শিৰশ্ছেদ কৰিলে সহজে
মায়ামুগ্ধ অসুৰ দুটাৰ।
এনেৰূপে আৰাধনা কৰোঁতে ব্ৰহ্মাই
আবিৰ্ভূতা হৈছিল দেৱী মহামায়া।
কওঁ শুনা
আৰু আছে নাৰায়ণী ঈশ্বৰীৰ অপাৰ মহিমা।

দ্বিতীয় অধ্যায়

শেষ কৰি উপাখ্যান মধু-কৈটভৰ
মেধস মুনিযে কলে বজা সুৰথক
মহিষমৰ্দ্দিণী দুৰ্গা দেৱীৰ কাহিনী আৰু
ৰধবাৰ্ত্তা মহিষাসুৰৰ।
পুৰণি কালৰ কথা।
দেৱৰাজ ইন্দ্ৰ আৰু মহিষাসুৰৰ ৰাজত্ব কালত
শতেক বছৰ ব্যাপি
দেৱাসুৰে যুজিছিল সমৰ ক্ষেত্ৰত।
মহাবলবান সেই অসুৰবিলাকে
হেলাৰঙে দেৱসৈন্য পৰাজিত কৰিলে ৰণত,
দেৱতাক জয় কৰি মহিষ অসুৰে
ইন্দ্ৰত্বও লভিলে স্বৰ্গত।
প্ৰথমে বিধিৰ সতে আলোচনা কৰি
হেৰুবাই ৰাজ্য ধন গৌৰৱ সম্মান
পৰাজিত দেৱতাসকলে হৃতৰাজ্য উদ্ধাৰৰ বাবে
ব্ৰহ্মাক লগত লৈ
বিষ্ণু আৰু মহেশৰ সমীপলে' কৰিলে গমন,
মাধৱ মহেশ দুযো একে স্থানতেই
আছিল তেতিযা নানা কথাত মগন।
বিষ্ণু আৰু মহেশক যথাযোগ্য প্ৰণতি জনাই
পৰাজয় শোক ব্যথা বাহুল্যেৰে ভৰা
বিবৰিলে অত্যাচাৰৰ কথা

অতিকে দুর্দ্দান্ত সেই মহিষাসুৰৰ,
সূৰ্য্য অগ্নি বায়ু চন্দ্ৰ যম ৰুণৰ
যতমানে অধিকাৰ অমৰগণৰ
কাঢ়ি নিলে সকলোটি
দুর্দ্দান্ত অসুৰে সেই অৰাতি ত্ৰাসৰ।
অতিকে দুৰ্গতি আজি হ'ল দেৱতাৰ,
স্বৰগৰ পৰা আজি বিতাড়িত হৈ
দুখে শোকে জৰ্জৰিত দেৱতাবিলাকে
সাধাৰণ মানুহৰ দৰে মৰতত কৰি বিচৰণ
মৰ্মান্তিক ভুগিছে নিকাৰ।
নিবেদিলোঁ যতমানে অত্যাচাৰৰ কথা
জনালোঁহি দুষ্ট অসুৰৰ
আমি এই দেৱতাগণৰ প্ৰতি
যতমানে অত্যাচাৰ লাঞ্ছনাৰ
কৰুণ কাহিনী।
তোমালোক দুজনাৰ পূত চৰণত
মাগিছোঁ শৰণ।
চিন্তা কৰা অচিৰতে
কিদৰে কৰিব পাৰি অসুৰ নিধন।'
দেৱতাৰ সকৰুণ দুখৰ কাহিনী শুনি
ব্ৰহ্মা বিষ্ণু মহেশৰ হিয়াত উঠিল জ্বলি
ক্ৰোধৰ অগনি,
বদনমণ্ডল হ'ল ভ্ৰূকুটী-কুটিল।
ক্ৰোধত অধীৰ সেই
বিষ্ণু আৰু ব্ৰহ্মা মহেশৰ
মুখমণ্ডলৰ পৰা তেজৰ প্লাবন নামিল।
ইন্দ্ৰ আদি সমাগত যতেক দেৱতা
সবাৰো মুখৰ পৰা তেজ নিৰ্গত হ'ল

ধৰাৰ বক্ষত ;
শিৱ-বিধি মাধৱৰ আৰু সেই অমৰগণৰ
তেজোৰাশি মিলি গ'ল এটি পলকত।
দিগন্ত বিয়পি শিখা জ্বলন্ত পৰ্বত সম
তেজঃপুঞ্জ সকলোৱে কৰিলে দৰ্শন।
দেৱতাৰ শৰীৰসম্ভূত সেই
দিগন্ত বিয়পি থকা অনুপম তেজোৰাশি
পুঞ্জীভূত হৈ
দিব্য এক নাৰীৰূপ কৰিলে ধাৰণ।
মহামায়া মহাদেৱী মহাশক্তি মায়াৰ কাৰণ।
সৃষ্টি হ'ল শিৱৰ তেজৰ পৰা বদনমণ্ডল
যমৰ তেজত হ'ল কেশ বিন্যোপন
বিষ্ণুৰ তেজত হ'ল বাহু অতুলন।
চন্দ্ৰৰ তেজত হ'ল স্তনযুগ্ম অতি মনোহৰ
মধ্যদেহ সৃষ্টি হ'ল তেজেৰে ইন্দ্ৰৰ।
নিতম্বৰ সৃষ্টি হ'ল ভূমৰ তেজত
বৰুণ-তেজেৰে জঙ্ঘা উৰু শোভাকৰ।
ব্ৰহ্মাৰ তেজেৰে হ'ল চৰণযুগল
ভৰি আৰু হাতৰ আঙুলি ক্ৰমে
বসুগণ আৰু ভাস্কৰৰ।
প্ৰজাপতি দক্ষ প্ৰভৃতিৰ
তেজেৰেই হ'ল সৃষ্টি দশনপংক্তিৰ
নেত্ৰত্ৰয় সৃষ্টি হ'ল তেজেৰে অগ্নিৰ।
সন্ধ্যাৰ তেজেৰে
সৃষ্টি হ'ল ভ্ৰূযুগলৰ
সৃষ্টি হ'ল বায়ুৰ তেজেৰে
সুদৰ্শন কাণ দুখনৰ।
অন্য অন্য দেৱতাৰ মিলিত তেজেৰে
সৃষ্টি হ'ল দেৱীৰ শৰীৰ।

তোতিয়া অসুৰ-পীড়িত সেই দেৱতাসকলে
দেৱতাৰ শোণিতসম্ভূতা সেই দেৱী মূৰ্ত্তিক
কৰি দৰশন
হ'ল সবে আনন্দ অধীৰ।
সেই দেৱীমূৰ্ত্তিয়েই অসুৰক বিনাশ কৰিব বুলি
দেৱতাসকলে
দেৱীৰ হাতত দিলে অস্ত্ৰ সমৰৰ।
আপোন শূলৰ দৰে দিলে শূল পিনাকপাণিয়ে
আপোন চক্ৰৰ দৰে দিলে চক্ৰ দেৱ নাৰায়ণে।
শঙ্খটি বৰুণে দিলে
শক্তি দিলে দেৱ হুতাশনে
ধনুৰ্বাণ প্ৰদানিলে দেৱতা পবনে।
দেৱৰাজ পুৰন্দৰে
ঐৰাৱতৰ ঘণ্টা আৰু বজ্ৰ কৰিলে প্ৰদান
যমে দিলে কালদণ্ড যিটো নিজ দণ্ডৰ সমান।
সমুদ্ৰই দিলে মহাপাশ
ব্ৰহ্মাইও অক্ষমালা কমণ্ডলু অৰ্পিলে দুৰ্গাক।
লোমকূপে ৰশ্মিৰাশি
দিলে দিবাকৰে
খড়্গ কৱচ চৰ্ম দিলে আহি কালে।
ক্ষীৰোদধি আহি দিলে
মুকুতামণ্ডিত হাৰ বস্ত্ৰ মনোহৰ
চূড়ামণি কিৰীটি শিৰৰ,
কাণৰ কুণ্ডল আৰু কঙ্কণ হাতৰ।
মনোহৰ বাজু দিলে সমস্ত বাহুত
কপালত অৰ্দ্ধচন্দ্ৰ চৰণে নূপুৰ।
পৰম সুন্দৰ মালা পিন্ধালে ডিঙিত
আঙুলিত সোণৰ আঙঠি দিলে
হীৰামুক্তা মৰকত ৰত্নেৰে খচিত।

বিশ্বকর্মাই দিলে নির্মল পৰশু আৰু
দিব্য অস্ত্ৰ অভেদ্য কবচ ;
অম্লান পঙ্কজ-মালা সাগৰে পিন্ধালে
শিৰ আৰু দেৱীৰ বক্ষত,
মনোহৰ এটি পদ্ম যাচিলে হাতত।
হিমালয়ে দিলে সিংহ দেৱীৰ বাহন
নানা বিধ মণি-মুক্তা অমূল্য ৰতন।
মধু সহ মধুপাত্ৰ
কুবেৰেও কৰিলে অৰ্পণ।
ধৰণী ধাৰণকৰ্ত্তা সৰ্ব নাগেশ্বৰে
মহামণি বিভূষিত নাগহাৰ সমৰ্পিলে
অতি সুশোভিত।
এইদৰে যেতিয়াই দেৱতাসকলে
অস্ত্ৰ আৰু ভূষণেৰে সন্মান কৰিলে,
তেতিয়া দেৱীয়ে
অট্টহাস্য কৰি উচ্চৰৱে কৰিলে নিনাদ।
ভয়ানক নিনাদত পূৰ্ণ হ'ল সমগ্ৰ আকাশ
প্ৰতিধ্বনি উঠি তাৰ কঁপিল ধৰণী
বসুমতী টল্‌মল্‌ পৰ্বত অস্থিৰ
জগত ক্ষুভিত হ'ল
সমুদ্ৰত হ'ল খলকনি।
দেৱগণে জয়ধ্বনি দিলে সেই সিংহবাহিনীৰ
মুণিগণে ভক্তিভাৱে কাযমনোবাক্যে বিনয়েৰে
স্তৱ পাঠ কৰিলে দেৱীৰ।
ত্ৰিভুবন ক্ষুব্ধ দেখি অসুৰবিলাকে
সসৈন্যে সজ্জিত হৈ অস্ত্ৰ-শস্ত্ৰ লৈ
সাজু হ'ল সমৰৰ বাবে।
"আঃ ই কি ! কিহৰ নিনাদ

কিহৰ শব্দত ইটো কঁপে ত্রিভুৱন
সৈন্যগণ
আগবাঢ়া তত্তালিকে কৰা অন্বেষণ।”
এই বুলি মহিষাসুৰেও
লক্ষ্য কৰি অট্টহাস্য দেৱীৰ নিনাদ
ক্ষিপ্রবেগে সৈন্য সহ কৰিলে গমন।
আগবাঢ়ি মহাসুৰে কিছুক্ষণ পাচতেই
দেৱী সিংহবাহিনীক কৰিলে দর্শন।
দেহৰ কান্তিৰে দেৱী
আছে ব্যাপি সমস্ত পৃথিবী ;
পদৰ ভৰত বসুমতী কঁপে ঘনে ঘন,
কিৰীটিৰ জেউতিকে প্রদীপ্ত আকাশ,
ধনুৰ শবদ শুনি পাতালত ত্রাস,
হেজাৰ বাহুৰে সেই দেৱী জননীৰ
আচ্ছাদিছে সমগ্র ভুবন।
তেতিয়া লাগিলে যুদ্ধ
ঘোৰযুদ্ধ অসুৰৰ দেৱীৰ লগত ;
চতুর্দিশ দীপ্ত হ'ল
দেৱী আৰু অসুৰৰ শৰ সংঘতিত।
অসুৰৰ সেনাপতি চিক্ষুৰ প্রধানে
সৈন্য সহ যুঁজিছিল দেৱীৰ লগত,
চতুৰঙ্গ সেনা লৈ নামিছিল 'চামৰ' ৰণত
উদগ্র আৰু মহাহনু অসুৰ দুটাৰ
আছিল সঙ্গত ৰথ হেজাৰ বিজাৰ।
পাচকোটি সৈন্য লৈ অসিলোমা বীৰ
পশিলে যুদ্ধত।
মহাসুৰ বাস্কলৰ
ষাঠি লক্ষ্য ৰথযান আছিল লগত।

মহাসুৰ পাৰিষাৰিত্তৰ
আছিল সহস্ৰাধিক
হাতী ঘোৰা কোটি ৰথ সমৰ ক্ষেত্ৰত।
বিড়ালাক্ষ অসুৰেও
পঞ্চাশ অযুত ৰথ কৰি আহৰণ
যোগ দিলে অসুৰ পক্ষত।
বলৱন্ত অসংখ্য অসুৰে আৰু
হাতী ঘোৰা ৰথ লৈ
অৱতীৰ্ণ হ'ল সমৰত।
সমৰ প্ৰান্তত সবাৰে শেষত
অসুৰৰ অধিপতি মহিষাসুৰেও
কোটি কোটি হাতী ঘোৰা অগণন ৰথেৰে আবৃত হৈ
হ'ল উপস্থিত।
দুৰ্দান্ত অসুৰবোৰে হাতে হাতে লৈ সবে
ভিণ্ডিপাল তোমৰ মুষল
শক্তি খড়্গ পৰশু পট্টিশ
কৰিছিল ভীষণ সমৰ।
কোনোটো অসুৰে শক্তি কোনোৰে মুষল যাঠী
দেৱীলৈ কৰিলে নিক্ষেপ,
কোনোটোৱে অসি-প্ৰহাৰেৰে
অম্বিকাক বধিবৰ বাবে কৰিলে প্ৰচেষ্টা।
ভগৱতী দেৱী চণ্ডিকাই
নিজ অস্ত্ৰ কৰি বৰিষণ
নিবাৰিলে অস্ত্ৰ দানৱৰ,
ঋষি আৰু দেৱতাৰ জয়গান শুনি
প্ৰফুল্লবদনা সেই দেৱীয়ে তেতিয়া
অস্ত্ৰেৰে আঘাত কৰি
জৰ্জৰিত কৰিলে শৰীৰ

হীনমতি দুষ্ট অসুৰৰ।
দেৱীৰ বাহন সিংহ মহাকোপে হ'ল মতলীয়া।
কেশৰত কঁপনি জগাই
অৰণ্যৰ অগনিৰ দৰে
অসুৰৰ সেনাৰ মাজত
মহাবেগে বিচৰণ কৰিব ধৰিলে।
যুদ্ধ কৰি অসুৰৰ সঙে সেই দেৱী চণ্ডিকাই
যতমানে ত্যাজিলে নিশ্বাস.
সেই নিশ্বাসৰ পৰা
জন্ম হ'ল শত শত প্রমথগণৰ,
আৰু সিবিলাকে ভিণ্ডিপাল পৰশু অসিৰে
অসুৰ বিনাশ হেতু কৰিলে সমৰ।
সেই যুদ্ধ মহা উদ্ধৰত
দেৱীৰ প্রমথগণে
কোনোৱে বজালে শঙ্খ কোনোৱে বজালে ঢাক
কোনোজনে দিলে তাল খোল মৃদঙ্গত।
আৰু তেতিয়া দেৱীযে
শক্তি গদা খড়্গ ত্রিশূলেৰে
শত শত অসুৰক কৰিলে বিনাশ।
শত শত অসুৰক ঘণ্টাৰ শব্দেৰে মুহি
কৰিলে মুচ্ছিত
শত শত অসুৰক তীক্ষ্ণ অসি আঘাতেৰে
কৰিলে খণ্ডিত।
অনেক অমৰ-বৈৰী
গদা-আঘাতত হল ভূমিত শায়িত।
আন হাতে অনেক অসুৰে
মুষলৰ আঘাতত অতিকে পীড়িত হৈ
শোণিতকে কৰিলে বমন ;

হৃদযত শূলৰ আঘাত লাগি
বহু অসুৰৰ হ'ল ধৰাত শযন।
সমৰৰ সম্মুখত থকা বহুত অসুৰে
বাণবিদ্ধ হৈ ত্যজিলে জীৱন।
কোনোৰ ছিগিল বাহু
কণ্ঠছেদ হ'ল কোনোটোৰ
অগণন অসুৰৰ কটিদেশ মস্তক বিদীর্ণ হ'ল
মিলিল মৰণ।
কোনোটোৰ উৰু ভাগি উঠিব নোৱৰা হৈ
মাটিতেই বাগৰি পৰিল।
কোনোবাটো অসুৰৰ দুবাহুৰ এটা কটা গ'ল
কোনোটোৰ এটা আৰু চকু ক্ষত হ'ল
কোনোটোৰ এটা ভৰি মাজতে ভাগিল।
কিছুমানে ছিন্নমুণ্ড হৈ মাটিত বাগৰি
ৰণ কৰিবৰ বাবে পুনৰ উঠিল।
অন্য বহু কবন্ধই অস্ত্রেবে সজ্জিত হৈ
চণ্ডিকাক কৰিলে প্রহাৰ,
চেবে চেৱে ৰণবাদ্য তূর্য্য-নিনাদৰ
ছেওঁ ধৰি নাচোন নাছিলে
মহাঘোৰ অসুৰে অপাৰ।
অসি শূল গদাধাৰী কিছুমান অসুৰে দেৱীক
'ক্ষান্ত হ' 'ক্ষান্ত হ' বুলি পাৰিলে আটাহ,
লগে লগে দেবাৰ শৰত
ছিন্নমুণ্ড হৈ ধৰণীত ত্যজিলে নিশ্বাস।
নিপাতিত হাতী ঘোৰা বিধস্ত ৰথেৰে
আচ্ছাদিত হ'ল ৰণ-ভূমি
অসুৰৰ মিলিল সন্ত্রাস।
অসুৰ পক্ষত

মৃত হাতী ঘোৰা অগণন অসুৰ সৈন্যৰ
তেজৰ মহানদী হ'ল প্ৰবাহিত।
যিদৰে অগ্নিয়ে
পলকতে তৃণ-কাঠ ভস্মীভূত কৰে
সিদৰেই ভগৱতী অম্বিকা দেৱীয়ে
অসুৰৰ মহাসৈন্য ক্ষয়প্ৰাপ্ত কৰিব ধৰিলে
ক্ষন্তেক পৰতে।
অম্বিকাৰ কেশৰীয়ে কঁপাই আপোন কেশ
মহাকোপে কৰিলে গৰ্জন
চতুৰ্দিশ খলক লগাই,
সেই গৰ্জনত ত্ৰাসৰ সঞ্চাৰ হৈ
হেৰুৱালে প্ৰাণ বহু অসুৰ-সেনাই।
দেৱীৰ প্ৰমথগণে যুদ্ধ কৰি অসুৰৰ সতে
দেখুৱালে অতুল বিক্ৰম,
তুষ্ট হৈ ৰণ-কোশলত সেই প্ৰমথগণৰ
পুষ্প-বৃষ্টি কৰে দেৱগণে।

তৃতীয় অধ্যায়

হোৱা দেখি নিপাতিত সৈন্যগণ দেৱীৰ হাতত
সেনাপতি চিক্ষুৰ প্ৰধান
ক্ৰোধত অধীৰ হৈ
ৰণ কৰিবৰ বাবে অম্বিকাৰ সমে
হ'ল অগ্ৰসৰ ।
জলবৃষ্টি কৰি মেঘে
যিদৰে আবৰি ৰাখে সুমেৰু-শিখৰ,
সিদৰেই মহাসুৰে শৰ বৰিষণ কৰি
আচ্ছাদিত কৰিলে মাতৃক দেৱী জগতৰ ।
কিন্তু দেৱী চণ্ডিকাই
হেলাৰেই ব্যৰ্থ কৰি শৰ চিক্ষুৰৰ
ধনুৰ্বাণ জুৰি
ছেদ কৰি জয়ধ্বজা
বিনাশিলে সাৰথি ৰথৰ
আৰু কাটি ধনুৰ্বাণ
ধনুহীন চিক্ষুৰক বাণবিদ্ধ কৰিলে যেতিয়া
হেৰুৱাই ধৈৰ্য্য ৰথ সাৰথি লগৰ
অসুৰে তেতিয়া খড়্গ চৰ্ম শূল লৈ
খেদি গ'ল অম্বিকাৰ প্ৰতি,
শাণিত খড়্গেৰে কৰিলে আঘাত ঘোৰ
সিংহৰ মুৰত আৰু দেৱীৰ হাতত,
কিন্তু দেৱীৰ হাতত লাগি
খড়্গ ভাগি পৰি ৰ'ল মাটিৰ বুকত ।

মহাক্রোধে বঙ্কিম নয়নে তেতিয়া অম্বুবে
গগনে জিলিকি থকা প্রদীপ্ত ৰবিৰ দৰে
চিক্‌মিক্ শাণিত ত্রিশূল
ভদ্রকালীৰ প্রতি কৰিলে ক্ষেপণ,
দেৱীয়েও আপোন শূলেৰে
সেই শূল কৰিলে মোচন।
খণ্ড খণ্ড হ'ল দৈত্য-শূল
হৃদয় বিদীর্ণ হৈ অসুৰৰ মিলিল মৰণ।
মহাবীর্য্য সেনাপতি
চিক্ষুৰৰ বিনাশ দেখি সমৰ-ক্ষেত্রত
বীর্য্যবান চামৰ অসুৰে
হাতীৰ পিঠিত উঠি কুপিত অন্তৰে
চণ্ডিকাৰ সম্মুখত হ'ল উপস্থিত।
আৰু ততালিকে
কৰিলে ক্ষেপণ শক্তি অম্বিকাৰ প্রতি।
ভগৱতী অম্বিকাই হুংকাৰ ধ্বনিৰে
ব্যর্থ কৰিলত
প্রভাহীন হৈ সেই শক্তি হ'ল ভূপতিত
শক্তি ভূপতিত দেখি চামৰ অসুৰে
ক্ষেপণ কৰিলে শূল ভীষণ ক্রোধত
কিন্তু
ধনুর্বাণ ধৰি চণ্ডিকাই
ছেদন কৰিলে শূল এটি পলকত।
তাৰ পিছতেই
চণ্ডিকাৰ বাহন সিংহই
জাপ মাৰি গজকুম্ভ কৰি আৰোহণ
চামৰৰ সতে
বাহুযুদ্ধ কৰি কৰিলে সমৰ।

খড়্গেকতে কৰিলে বিনাশ
নখেৰে আঘাত কৰি শিৰ অসুৰৰ।
আনহাতে শিলাখণ্ড বৃক্ষাদি ক্ষেপণ কৰি
দেৱী অম্বিকাই,
উদগ্ৰ নামে অসুৰক কৰিলে বিনাশ।
ভিণ্ডিপালৰ দ্বাৰা বাস্কলাসুৰক,
একে াতে বাণ মাৰি
আস্ৰ আৰু অন্ধকাসুৰক বধি
আঁতৰালে অমৰৰ ত্ৰাস।
মহাহনু উগ্রমুখ উগ্রবীৰ্য অসুৰত্রয়ক
ত্রিশূলেৰে বিনাশিলে ত্রিনয়না দেৱী চণ্ডিকাই
বিড়ালাক্ষ অসুৰৰ মুণ্ডচ্ছেদ কৰিলে অসিৰে
দুৰ্দ্ধৰ আৰু দুর্মুখক বিনাশিলে শৰ-সন্ধানেৰে।
এইৰূপে ক্ষীণ হৈ যোৱা দেখি নিজ সৈন্যবল
দৈত্যাধিপতি মহিষ অসুৰে,
মহিষৰ ৰূপ ধৰি
কৰিলে ত্রাসৰ সৃষ্টি দেৱীৰ আগত।
চণ্ডিকাৰ সৈন্যবিলাকক
কাৰোবাক মুখৰ প্রহাৰে
কাৰোবাক খুৰা-আঘাতেৰে
কাৰোবাক শিঙেৰে বিদাৰি
কাৰোবাক বেগেৰে কচালি
কাৰোবাক নিশ্বাস-বেগেৰে
কাৰোবাক ঘোৰ গর্জনেৰে
নহাক্রোধে চূৰ্ণিত কৰিব ধৰিলে।
এইদৰে মহিষৰ ৰূপ ধৰি অসুৰ-পতিয়ে
প্রমথ-সৈন্যক নাশি নানা উপায়েৰে
লৰ মাৰি যোৱা দেখি কেশৰীৰ ফালে

ক্রোধত অস্থিৰ হ'ল দেৱী ভগৱতী।
মহাবীৰ্য্য সেই অসুৰেও
খণ্ডতে উফৰি ফুৰি থুৱাৰেই খান্দিলে ভূতল
উচ্চ পৰ্বতৰ মালা শিঙেৰে খহাই
কৰিলে গৰ্জন।
লৱৰত অসুৰৰ পৃথিবী বিদীৰ্ণ হ'ল
ধৰণী প্লাবিত হ'ল সমুদ্ৰ জলেৰে
সঞ্চালন কৰোতে বিশাল নেজ মহিষাসুৰৰ।
কম্পমান শিঙৰ আঘাত লাগি
খণ্ড খণ্ড হল মেঘ নীল আকাশৰ।
নিশ্বাস বায়ুৰ দ্বাৰা উচ্চ পৰ্বতৰ মালা
বাগৰি পৰিল যেন আকাশৰ পৰা।
এনে ভাবে ক্ৰুদ্ধ মহিষক
হোৱা দেখি সমাগত ভীষণ মূৰ্ত্তিৰে
ভগৱতী দেৱী ভৱানীয়ে
অসুৰক বধিবলে চিন্তিলে উপায়।
খন্তেক পাচতে মহাপাশ কৰিলে ক্ষেপণ,
মহিষ অসুৰ হ'ল
বন্দা সেই অম্বিকাৰ অব্যৰ্থ পাশত।
পাশবদ্ধ মহাসুৰে ত্যাগ কৰি মহিষৰ ৰূপ
মায়াৰী কেশৰী ৰূপ কৰিলে ধাৰণ।
সিংহমূৰ্ত্তি ধৰি সেই দুৰ্দান্ত অসুৰে
ভয়ানক কৰিলে সমৰ।
আৰু দেৱী অম্বিকাই শিৰশ্ছেদ কৰিলে যেতিয়া তাৰ
ললে সি কৃপাণধাৰী ৰূপ অসুৰৰ।
আৰু সেই অসুৰক অসি চৰ্ম সহ
যেতিয়াই বাণবিদ্ধ কৰিলে দেৱীয়ে
পুনৰ হাতীৰ ৰূপ ললে মহাসুৰে।

গজরূপী অসুরে যেতিয়া
দেবীৰ বাহন সেই
কেশৰীক আক্রমণ কৰি তাৰ ভীষণ শুঁৰেৰে
কৰিলে গর্জন
দেৱীয়ে খড়্গেৰে তাৰ সেই শুঁৰ ভয়ঙ্কৰ
অচিৰতে কৰিলে ছেদন,
আৰু সেই মহাসুৰে ত্রৈলোক্য ক্ষুভিত কৰি
পুনৰ মহিষ বেশ কৰিলে ধাৰণ।
তেতিয়া জগতমাতা হ'ল অতি ভীষণ কুপিতা
বাৰে বাৰে মধু পান কৰি আৰক্তনয়না দেৱী চণ্ডিকাই
মৃদু মৃদু হাঁহিৰ ধৰিলে।
অসুৰেও বলদর্পে মতলীয়া হৈ
দেৱীলে' ক্ষেপণ কৰি পর্বত-শিখৰ
নিনাদেৰে গগন কঁপালে।
চূর্ণ কৰি ক্ষেপিত পর্বতমালা সুতীক্ষ্ণ বাণেৰে
মধুৰাগে উজ্জ্বলবদনা দেৱী
চণ্ডিকাই কলে এই দৰে —
"শুন হেৰ অসুৰ অধম
কৰোঁমানে মধুপান
যিমান শকতি আছে কৰ আস্ফালন,
কিন্তু যেতিয়াই মই তোক কৰিম নিধন
তেতিযাই দেৱতাসকলে
আনন্দৰ উল্লাসত অট্টহাস্য কৰি
কৰিব গর্জন'।
এই বুলি সিংহৰ পিঠিৰ পৰা দেৱী গোসানীয়ে
জাপ মাৰি মহিষৰ কান্ধত এপদ থৈ
সমগ্র বিশ্বৰ ভৰ আৰোপণ কৰি
আক্রমণ কৰিলে কণ্ঠত

ত্রিশূলেৰে হানিলে বক্ষত।
ভেতিয়া
পদাক্রান্ত মহিষৰ মুখ-গহ্বৰৰ পৰা
বাজ হ'ল অৰ্দ্ধেক অসুৰ
অভিভূত দেৱী বিক্রমত।
সমৰত বত সেই মহিষাসুৰৰ শিৰশ্ছেদ কৰিলে দেৱীয়ে
অতি তীক্ষ্ণ অসি-প্রহাৰত।
হোৱা দেখি মৃত্যু সেই
অসুৰৰ অধিপতি মহিষাসুৰৰ
অৱশিষ্ট অসুৰ সৈনিক যত কৰে পলায়ন;
আনন্দে নধৰা হ'ল শক্রশূন্য দেৱতাৰ মন।
দেৱৰ্ষি মহৰ্ষি আৰু দেৱগণ মিলি
ভগৱতী চণ্ডিকাৰ কৰিব ধৰিলে স্তুতি স্তৱ অতুলন।
গালে গীত সুললিত গন্ধৰ্বসকলে
মনোমোহা ভঙ্গিমাৰে অপ্সৰাসকলে
সৰগত নাচোন নাচিলে।

চতুর্থ অধ্যায়

ঋষিয়ে পুনৰ কলে ৰজা সুৰথক—
অতি বলবান সেই মহিষাসুৰক
যেতিয়াই সৈন্য-সেনানীৰে
ভগৱতী চণ্ডিকাই কৰিলে নিধন
ইন্দ্রাদি দেৱতাগণে পুলকিত মনে
জানু পাৰি কৃতাঞ্জলি হৈ
ভকতিৰে স্তুতি কৰি চণ্ডিকাৰ বন্দিলে চৰণ।
"সমস্ত অমৰ-শক্তি তোমাতে বিলীন দেৱী
নিজ শক্তি প্রভাৱেৰে
আছা তুমি জগত বিয়পি।
দেৱ আৰু মহর্ষিগণৰ
পূজনীয়া তুমি বিশ্বেশ্বৰী
কৰা দেৱী আমাৰ মঙ্গল তুমি
চৰণত কৰিছোঁ প্রণতি।
ভগৱান ব্রহ্মা-বিষ্ণু-মহেশেও যাৰ
নোৱাৰে বর্ণনা দিব
অতুল প্রভাব আৰু অতুলন বল বিক্রমৰ
সেই দেৱী জগত ঈশ্বৰী তুমি নাৰায়ণী
কৰা যেন জগত পালন আৰু অশুভ নাশন।
পুণ্যবানসকলৰ আবাস কক্ষত
লক্ষ্মী স্বৰূপে দেৱী তুমি বিৰাজিতা
পাপমতিবিলাকৰ গৃহত অলক্ষ্মীৰূপে
সবাৰে বিদিত তুমি বিপদ স্বৰূপা।

বুদ্ধিৰূপে আছা তুমি হৃদয়ত
শুদ্ধবুদ্ধি নির্মল জনৰ।
শ্রদ্ধাৰূপে বিৰাজিছা
অন্তৰত সাধু জ্ঞানী সন্তসকলৰ।
লজ্জাস্বৰূপে তুমি
কুলীনজনৰ দেৱী শোভিছা অন্তৰ।
হে দেৱী ভগৱতী কৰিছোঁ মিনতি স্তুতি
কৰা হে পালন এই বিশ্ব-চৰাচৰ।
অচিন্তনীয় এই ৰূপ সৌন্দর্য্যৰ
দৈত্যাসুৰ ক্ষয়কাৰী বল বিক্রমৰ
দেৱাসুৰ সমৱত প্রতিভাত শক্তি-প্রভাবৰ
কিদৰে কৰিম মাতৃ বর্ণনা তোমাৰ।
তুমি দেৱী ত্রিগুণকাৰিণী
জগতৰ হেতু স্বৰূপিণী।
হৰিহৰ আদি কৰি দেৱতাসকলে
লোভ মোহ কাম ক্রোধ মদ মাৎসর্য্যৰ
দোষেৰে দূষিত হৈ ৰিপূৰিলাকৰ
নাজানে তোমাৰ মাতৃ মহিমা অপাৰ।
তুমি মাতৃ সকলোৰে আশ্রয় স্বৰূপা।
চৰাচৰ এই বিশ্ব মাথোন তোমাৰেই অংশ।
পৰমা প্রকৃতি তুমি বিকাৰ বিহীনা।
যি স্বাহা স্বধা শব্দ কৰিলে শ্রবণ
তৃপ্ত হয় অমৰসকল আৰু পিতৃ-পিতামহ
তুমি স্বাহা স্বধা স্বৰূপিণী বিশ্বৰ মঙ্গল।
মুক্তিকামী জিতেন্দ্রিয় ঋষি-মুণিগণে
চিন্তা কৰে শুদ্ধচিত্তে তোমাৰ চৰণ।
চিন্তামণি তুমি দেৱী মুক্তিৰ কাৰণ।
পৰাবিদ্যা স্বৰূপিণী

মুমুক্ষুৰ ব্ৰহ্মজ্ঞান তুমি ভগৱতী।
তুমি দেৱী শব্দস্বৰূপিণী
মনোহৰ পদেৰে সম্পূৰ্ণ ঋক্ সাম যজুৰ্বেদৰ
তুমিয়ে আধাৰ।
তুমি দেৱী কৃষিস্বৰূপিণী
কৃষি বাণিজ্যেৰে তুমি জগতক কৰিছা পালন;
তুমি দেৱী ভগৱতী
তুমি মেধা সাৰভূতা অখিল শাস্ত্ৰৰ,
তুমি দুৰ্গা দুৰ্গতিনাশিনী দেৱী
তুমিয়ে তৰণী মাতৃ ভৱ-সাগৰৰ।
হৃদয়বাসিনী মাতৃ তুমি মাধৱৰ
মস্তকবিহাৰী গৌৰী তুমি মহেশৰ।
উত্তম সুবৰ্ণ বৰ্ণ অতি কমনীয়
পুণিমাৰ চন্দ্ৰমাৰ প্ৰতিচ্ছবি যেন
ঈষৎ হাঁহিৰে তাত জেউতি চৰোৱা,
দেখি তব অনুপম বদনমণ্ডল
আচৰিত, কিদৰে মহিষাসুৰে ক্ৰোধান্বিত হৈ
কৰিলে প্ৰহাৰ মাতৃ তোমাৰ দেহত!
ক্ৰোধভৰে ভ্ৰূকুটীভীষণা
উদয় ক্ষণৰ যেন চন্দ্ৰমাৰ প্ৰভা
দেখি তব বদন কমল,
অতি আচৰিত কথা—
মহিষ অসুৰে কিয় বিসৰ্জন নিদিলে জীৱন?
কোন বাৰু জীৱিত থাকিব পাৰে
হয় যদি কৃতান্ত দৰ্শন?
বিশ্বৰ মঙ্গল হেতু হোৱা তুমি প্ৰসন্না জননী।
ক্ৰুদ্ধা হলে তুমি দেৱী সৃষ্টি বিনাশ হ'ব
মিলিব মৰণ,

বিপুল বাহিনী সহ মহিষাসুৰক বধি
দিলা দেৱী তাৰে নিদর্শন।
সুপ্রসন্না হৈ
যাক তুমি দান কৰা বাঞ্ছিত ৰতন
কৰা অনুগ্রহ,
লাভ কৰি ঐশ্বর্য্য বিভূতি আৰু অতুল সম্মান তেওঁ
পৃথিবীত হয় কীর্ত্তিমান।
ধৰ্ম্মৰ নহয় ক্ষয়, তেনেকুৱা ধার্মিক জনৰ
নম্রনত পুত্ত ভার্য্যা পৰিবাৰ লৈ
হয় ভাগ্যবান।
পুণ্যবান ব্যক্তিয়ে নিজৌ
আদৰেৰে ধর্ম-কার্য্য সকলোটি কৰি সমাপন
লাভ কৰি কৰুণা তোমাৰ
কৰে দেৱী স্বর্গলৈ' গমন।
তুমিয়েই ফলদাত্রী তিনিও লোকত
তুমিয়েই মুক্তিৰ কাৰণ,
তুমি দেৱী দুখ-ভয় বিনাশিনী
কৰা তুমি দাৰিদ্র্য নাশন।
সংকটৰ বেলা কিম্বা দুর্গম স্থানত
তোমাৰ পবিত্র নাম কৰিলে স্মৰণ।
কৰা তুমি বিনাশন সকলোৰে ভয়ৰ কাৰণ।
সুস্থভাৱে শুদ্ধচিত্তে পূজিলে তোমাক
কৰা তুমি আনন্দেৰে কল্যাণ সাধন।
তোমাৰ বাহিৰে মাতৃ
আছে কোন এই ধৰণীত
দয়া বিগলিত চিতে সকলো প্রাণীৰ
কোনে দেৱী উপকাৰ কৰিব সাধিত?
যদিহে বিনষ্ট হয় অসুৰবিলাক

হ'ব সুখ শান্তি জগতত
চিৰকাল নৰকত পতিত হোৱাৰ বাবে
নকৰক আৰু যেন পাপ আচৰণ ;
সমৰত মৃত্যুক বৰণ কৰি
সৰগলৈ' কৰক গমন ;
এই ভাবি কৰিলা চণ্ডিকা তুমি
অসুৰৰ বিনাশ সাধন।
নাছিল শকতি জানো তোমাৰ জননী
ভস্মীভূত কৰিবলৈ' দুৰন্ত অসুৰ যত
এটি কটাক্ষত ?
কিন্তু তোমাৰ দেৱী অস্ত্ৰৰ আঘাত লাগি
পূততনু হৈ সৰগত কৰক বসতি বুলি
বিনাশিলা দৈত্যকুল অস্ত্ৰ-প্ৰহাৰত।
এইদৰে শত্ৰুৰ প্ৰতিও দেৱী
আছিল তোমাৰ মতি বিগলিত দয়া পৰশত।
কৰিলে দৰ্শন বুলি
তোমাৰেই চন্দ্ৰমা সদৃশ ভাস্বৰ আনন
চালে চকু চাট মৰা
অতিকে শাণিত অসি ত্ৰিশূলৰ চিক্‌মিকনিত
অসুৰৰ দৃষ্টিশক্তি নহ'ল বিহীন।
দুষ্টক দমন কৰা স্বভাৱ তোমাৰ
তুলনাও নাই দেৱী
তোমাৰ সৌন্দৰ্য্যৰূপ মায়া-মহিমাৰ।
অসুৰৰ বিনাশ কালত
দেখুৱালা অনুপম অচিন্তনীয় বীৰ্য্য আপোনাৰ
সৰগত বসতি দিবৰ বাবে
বধ কৰি সমৰ ক্ষেত্ৰত
শত্ৰুকো কৰিলা দয়া

দয়াময়ী তুমি দেৱী দয়াৰ আধাৰ।
কাৰ সতে কিদৰে তুলনা হ'ব
বিক্রম তোমাৰ ?
অতি মনোৰম ৰূপ সৌন্দৰ্য্য আধাৰ ;
অথচ শত্রুৰ প্রতি ভয়ৰূপা ভয়ঙ্কৰী
সৃষ্টি কৰি ত্রাসৰ সঞ্চাৰ।
দয়া আৰু নিষ্ঠুৰতাৰ অপূর্ব মিলন
তোমাতেই মাথো শোভা পায়,
ত্রৈলোক্যত তোমাৰ মাতৃ তুলনা নোলায়।
বিনাশি শত্রুক দেৱী সমৰ ক্ষেত্রত
ৰক্ষা কৰিলা তুমি এই ত্রিভুবন
শত্রুগণো পশিলে স্বৰ্গত,
আমাৰ মনৰ পৰা দূৰ হ'ল অবাতিৰ ভয়
বাৰংবাৰ প্রণিপাত কৰোঁ দেৱী তযু চৰণত।
হে দেৱী মহিষমর্দিনী
ৰক্ষা কৰা শূল খড়্গ
ঘণ্টাধ্বনি ধনুর্গুণ শবদে আমাক।
ত্রিশূল ঘূৰাই তযু
উত্তৰ দক্ষিণ আৰু পূৰ পশ্চিমত
ৰক্ষা কৰা আমাক চণ্ডিকা দেৱী
ধৰোঁ চৰণত।
তিনিও লোকত দেৱী আছে যত ৰূপ মনোহৰ
আছে যত অতিকে ভীষণ ৰূপ অতি ভয়ঙ্কৰ
সেই ৰূপেৰেই দেৱী আমাক পালন কৰা
ৰক্ষা কৰি বিশ্ব-চৰাচৰ।
হে দেৱী অম্বিকা জননী
তোমাৰ হাতত থকা
খড়্গ শূল গদা আদি অস্ত্রবিলাকেৰে

ৰক্ষা কৰা আমাক সততে।"
পুনৰাই কলে মুনিবৰে—
এনেদৰে দেৱতাসকলে স্তুতি-গান কৰি
যতনে গোটাই আনি
সুগন্ধি কুসুমৰাশি নন্দন বনৰ
ধূপ-দীপ-গন্ধ আৰু অনুলেপনেৰে
ষোড়িয়া অমৰগণে ভক্তিভাৱে দেৱীক পূজিলে
ভগৱতী চণ্ডিকাই কলে এইদৰে—
"শুনা দেৱগণ
পূজাত সন্তুষ্টা মই -কোৱাঁ মোক কামনা মনৰ,
তোমালোক সকলোৰে অভিলাষ কৰিম পূৰণ।"
বিনয়েৰে নিবেদিলে দেৱতাসকলে
এনেদৰে কামনা মনৰ—
"হে দেৱী ভগৱতী
দুৰন্ত অৰাতি অতি মহিষাসুৰক বধি
কৰিলা আমাৰ মহা মঙ্গল সাধন,
ভয়-ভীতি অৱশেষ একো নাৰাখিলা।
হে দেৱী মহেশ্বৰী
তথাপিতো তুষ্টা যদি দয়া কৰি দিব খোজা বৰ,
কৰিছোঁ প্ৰাৰ্থনা,
বিপদ কালত যেন স্মৰিলে তোমাক
ৰক্ষা কৰা সংকটৰ পৰা।
আৰু যি মানুহে
এই স্তৱ পাঠ কৰি
উপাসনা কৰিব তোমাক দেৱী ভক্তিৰে হিয়াৰ,
তুমিও প্ৰসন্না হৈ সিজনাৰ প্ৰতি
বৃদ্ধি কৰিবা যেন
ধন-জন পুত্ৰ-ভাৰ্য্যা সম্পদ সম্ভাৰ।"

সুৰথক ঋষিবৰে পুনৰ বুলিলে—
এই বুলি দেৱতাসকলে
অমৰগণৰ আৰু জগতৰ হিতৰ কাৰণে
যেতিয়াই কৰিলে প্ৰাৰ্থনা
দেৱীও প্ৰসন্না হৈ 'সেয়ে হওক' বুলি
নিমিষতে হ'ল অন্তৰ্হিতা।
ত্ৰৈলোক্যৰ মঙ্গল কামনা কৰি
সম্মিলিত দেৱতা-তেজেৰে
এইদৰে ধৰণী-বক্ষত জন্ম লাভ কৰিছিল
ভগৱতী মহামায়া মহিষমৰ্দিনা দেৱী অম্বিকাই।
পুণৰাৰ এই দেৱী আদ্যা শকতিয়ে
শুম্ভ-নিশুম্ভ আৰু দুষ্টমতি দৈত্যগণ নাশিবৰ বাবে
জগতৰ ৰক্ষাৰ কাৰণে.
দেৱতাৰ হিত কামনাৰে
গৌৰীৰূপে কৰিছিল জনম গ্ৰহণ
ক'ম মই জনম-বৃত্তান্ত সেই
কৰিবা শ্ৰৱণ।

পঞ্চম অধ্যায়

কলে ঋষিবৰে—
পুৰাণ কালত শুম্ভ আৰু নিশুম্ভ নামেৰে
আছিল অসুৰ দুটা অতি পৰাক্ৰমী।
মদগৰ্ব বাহুৰ বলেৰে পৰাজিত কৰিলে ইন্দ্ৰক
কাঢি ললে স্বৰ্গ-ৰাজ্য যজ্ঞভাগ অমৰৰ পৰা
প্ৰকাশি ক্ষমতা।
আৰু সেই উভয় ভ্ৰাতৃযে কৰিলে গ্ৰহণ
অধিকাৰ চন্দ্ৰ সূৰ্য্য যম কুবেৰৰ
অগ্নি বৰুণ আৰু দেব পৱনৰ।
তেতিয়া দেৱতাগণে
সেই দুটা দৈত্যৰ হাতত পৰাজিত হৈ
হেৰুৱাই নিজ ৰাজ্য নিজ অধিকাৰ,
সুৰঁৰি আশ্বাস-বাণী জননী দুৰ্গাৰ
স্মৰণ কৰিলে সেই
অসুৰমৰ্দিনী দেৱী অপৰাজিতাক।
দিছিল দেৱীযে বৰ
মহিষৰ মৰণৰ উত্তৰ কালত
'আপদত তোমালোকে কৰিলে স্মৰণ
ততালিকে মই আহি
বিপদক কৰিম নাশন।'
এতিয়া দেৱতাগণে সুৰঁৰি পূৰ্বৰ কথা
গিৰিৰাজ হিমাচল শিখৰত উপস্থিত হৈ

মহিষমর্দিনী দেবী চণ্ডী ভবানীর
এইদবে আবম্ভিলে স্তুতি—
তুমি দেবী মহামায়া ইন্দ্রিয়ব অধিষ্ঠাত্রী
কল্যাণরূপিণী
চবণত নতশিবে কবিছোঁ প্রণতি।
তুমি দেবী প্রকৃতিরূপিণী
সৃষ্টি-স্থিতি-পালনকাবিণী
ভক্তিভাবে চবণত জনাওঁ প্রণতি।
তুমি নিত্যা ভয়ঙ্কবী
গৌবী দেবী জগত ধবিত্রী
বাবংবাব চবণত কবিছোঁ প্রণতি।
তুমি চন্দ্র তুমি সূর্য্য
পবম আনন্দময়ী জ্যোৎস্নাস্বরূপিণী
বাবংবাব চবণত কবিছোঁ প্রণতি।
তুমি বুদ্ধি তুমি সিদ্ধি
লক্ষ্মী অলক্ষ্মী তুমি দেবী মহেশ্বরী
বাবংবাব চবণত কবিছোঁ প্রণতি।
তুমি দুর্গা দুর্গতব ত্রাণকর্ত্রী দুর্গতিনাশিনী
তুমি কৃষ্ণ ধূম্রবর্ণা জগতব সাবভূতা খ্যাতিস্বরূপিণী
বাবংবাব চবণত কবিছোঁ প্রণতি।
তুমি অতি মনোবমা অতিকে ভীষণা
ক্রিয়ারূপা তুমি দেবী জগতব পালনকাবিণী
বাবংবাব চবণত কবিছোঁ প্রণতি।
বিষ্ণুমায়ারূপে যিগবাকী দেবী
বিবাজিছে সকলো জীবত,
বাবংবাব প্রণতি জনাওঁ আমি তেওঁবেই পদকমলত
চেতনা স্বরূপে যিগবাকী দেবী
বিবাজিছে সকলো জীবত

বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
নিদ্ৰা স্বৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত,
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
ক্ষুধাৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
ছায়াৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
শক্তিৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
তৃষ্ণাৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
ক্ষমাৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
জাতিৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত
লজ্জাৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
শান্তিৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।

শ্রদ্ধারূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
কান্তিৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
লক্ষ্মীৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
বৃত্তিৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
স্মৃতিৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
দয়ারূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
তুষ্টিৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
মাতৃৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
ভ্ৰান্তিৰূপে যিগৰাকী দেৱী
বিৰাজিছে সকলো জীৱত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
ইন্দ্ৰিয়ৰ অধিষ্ঠাত্ৰী দেৱীৰূপে সকলো জীৱৰ

যিজনা বিয়পি আছে জগতৰ সৰ্ব পদাৰ্থত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
চৈতন্যস্বৰূপা দেৱী আছে যিগৰাকী
ব্যপ্ত হৈ সমস্ত বিশ্বত
বাৰংবাৰ প্ৰণতি জনাওঁ আমি তেওঁৰেই পদকমলত।
পূৰ্বত অমৰগণে
লাভ কৰি অভিলাষ অভীষ্ট মনৰ
স্তুতি-স্তৱ কৰিছিল যিজনা দেৱীৰ,
দেৱৰাজ পুৰন্দৰে কৰে যাৰ উপাসনা
প্ৰতি দিনে দিনে,
দৈত্য-ভয়ে ভীত হৈ আমি যাৰ পূজিছোঁ চৰণ,
ক্ষন্তেকতে নাশ হয় সকলো বিপদ
যাক কৰিলে স্মৰণ,
আমাৰ মঙ্গল আৰু বিশ্বৰ কল্যাণ হেতু
কৰা দেৱী সংকট নাশন।"
এইদৰে অমৰসকলে স্তৱ পাঠ কৰাৰ কালত
আহিল পাৰ্বতী দেৱী
স্নান কৰিবৰ ছলে জাহ্নবী-জলত।
'নতজানু হৈ তোমালোকে কাৰ স্তৱ কৰিছা ইয়াত'
এই বুলি অমৰগণক
ভগৱতী দেৱীয়ে সুধিলে।
দেৱীৰ দেহৰ পৰা আবিৰ্ভূতা হ'ল শিৱা
দিলে সমিধান—
'শুম্ভ-নিশুম্ভৰ দ্বাৰা হৈ পৰাজিত
দুখে-শোকে জৰ্জৰিত দেৱতাবিলাকে
কৰিছে আমাৰ স্তুতি মহিমাৰ গান।"
পাৰ্বতীৰ শৰীৰ-কোষৰ পৰা যিহেতু উৎপন্না
সেই হেতু সেই দেৱী

কৌশিকী নামেৰে হ'ল ভুবন বিদিতা।
যেতিয়াই কৌশিকীৰ হ'ল আবির্ভাৱ
তেতিয়াই কৃষ্ণবৰ্ণা হৈ পার্বতীয়ে
হিমালয় পর্বতত কৰিলে বিৰাজ।
চণ্ড আৰু মুণ্ড নামে দুটা অনুচৰে
দৈত্যপতি যুৱৰাজ শুম্ভ নিশুম্ভৰ
হিমালয় শিখৰত কৰি বিচৰণ
সেই দেবী অম্বিকাৰ মনোহৰ ৰূপকান্তি
কৰিলে দর্শন।
সেই দুই অনুচৰে অম্বিকাক দেখি
বেগেৰে উভতি গৈ
এই বুলি নিবেদিলে চৰণত
দৈত্যপতি শুম্ভ অসুৰৰ—
"মহাৰাজ।
হিমালয় শোভা কৰি
অনুপম অতুলন সৌন্দর্য্য ৰাশিৰে
আছে এক নাৰী মনোৰমা,
দেখা নাই জীৱনত কেতিয়াও এনেকুৱা
সৌন্দর্য্য প্রতিমা।
ততালিকে সম্ভেদ সংগ্রহ কৰি সেই ৰমণীৰ
ভার্য্যাৰূপে মহাৰাজে কৰক গ্রহণ।
কোমলাঙ্গী সেই নাৰী
দেহৰ জেউতি ঢালি ভুবন মোহিনী;
দৈত্যৰাজ!
নয়ন সার্থক হ'ব সেই নাৰী কৰিলে দর্শন।
ত্রৈলোক্যত আছে যত
মণি-মুক্তা অশ্ব-গজ ঐশ্বর্য্য সম্পদ
সকলো শোভিছে প্রভু এই তব ৰাজ-প্রাসাদত;

গজশ্রেষ্ঠ ঐৰাৱত নন্দনৰ পাৰিজাত
উচ্চৈঃশ্ৰৱা অশ্ব অতুলন
লভিলে প্ৰভুৱে নিজে বাহুৰ বলত,
প্ৰভুৰ সদৃশ কিম্বা সমকক্ষ কোন আছে
এই জগতত ?
অনুপম ৰতন সদৃশ
হংসযুক্ত ব্ৰহ্মাৰ বিমানো আজি
বিৰাজিছে তোমাৰেই গৃহ প্ৰাঙ্গণত
কুবেৰক জয় কৰি
মহাপদ্মনিধি লাভ কৰিলা ৰাজন
অম্লান পঙ্কজমালা কিঞ্জল্কিনী নামে
সাগৰেও কৰিলে অৰ্পণ।
স্বৰ্ণ বৰিষণ কৰা ছত্ৰ বিতোপন
ৱৰুণক জয় কৰি হেলাৰঙে কৰিলা গ্ৰহণ।
শোভিছে গৃহত তৱ
প্ৰজাপতি দক্ষৰ বিমান
প্ৰকাশি তোমাৰ প্ৰভু বীৰ্য্যৰ প্ৰমাণ।
উৎক্ৰান্তিদা নামে শক্তি
মাৰণাস্ত্ৰ যমৰ হাতৰ
বলেৰে হৰণ কৰি দেখুৱালা পৰিচয়
বল-বিক্ৰমৰ।
নিশুম্ভৰ হাতত আছে পাশ ৱৰুণৰ
যতমানে মণি-মুক্তা ৰত্নৰাজি
সমুদ্ৰ - বক্ষৰ।
পাৱকেও যাচিলে প্ৰভুক
অগনিয়ে দহিব নোৱৰা
পৰম পৱিত্ৰ যুগ্মৱস্ত্ৰ মনোহৰ।
এইদৰে দৈত্যেশ্বৰ ! আপোন শক্তিৰ বলে

বিশ্বৰ সম্পদ বাশি কৰিলা হৰণ ;
এতিয়া কিয়নো বাকু
জগতৰ সৰ্বশ্ৰেষ্ঠ ৰমণী ৰতন
নকৰিব আগ্ৰহেৰে প্ৰভুৰে গ্ৰহণ ?"
চণ্ড আৰু মুণ্ডৰ মুখত শুনি
চণ্ডিকাৰ অপৰূপ সৌন্দৰ্য্যৰ কথা,
সুগ্ৰীব নামেৰে অসুৰ এটাক
দূতৰূপে অম্বিকাৰ সমীপলৈ'
দৈতেশ্বৰে কৰিলে প্ৰেৰণ।
কলে শুম্ভাসুৰে—
যোৱা শীঘ্ৰে, ব্যক্ত কৰি মনোবাঞ্ছা মোৰ
কোৱাঁগৈ ৰূপৱতী সেই ৰমণীক
যতেক বক্তব্য মোৰ
কথাৰে তোমাৰ।
যথোচিত কাৰ্য্য তুমি কৰিবা সাধন,
প্ৰীতিভৰা আনন্দ চিত্তেৰে
সেই সুন্দৰীয়ে যেন
অতি শীঘ্ৰে ইয়ালৈ কৰে আগমন।"
শিৰোগত কৰি আজ্ঞা শুম্ভ অসুৰৰ
হিমগিৰি শিখৰত বিৰাজিতা দেৱীৰ আগত
হৈ উপস্থিত
দৈত্য-দূত সুগ্ৰীৱ অসুৰে বুলিলে বচন
অৰ্থপূৰ্ণ মধুৰ ললিত।
"হে দেৱী পৰম সুন্দৰী
দৈতেশ্বৰ শুম্ভাসুৰ ত্ৰৈলোক্যৰ অধিপতি আজি
তেওঁ মোক দূতৰূপে কৰিছে প্ৰেৰণ ;
সেই হেতু উপস্থিত তযু সমীপত।
নোৱাৰে কৰিব যাৰ

আদেশ লঙ্ঘন এই নিখিল বিশ্বত,
পৰাজিত সমস্ত দেৱতা যাৰ বল-বিক্ৰমত
সেই শুম্ভ অসুৰ সম্ৰাটে
এইৰূপে কবলৈ মোক দেৱী কবিছে প্ৰেৰণ—
আজি মোৰ বশীভূত
সমস্ত দেৱতাগণ আৰু ত্ৰিভুবন
পৃথক পৃথক ৰূপে দেৱতাৰ যজ্ঞভাগ
মযে আজি কবিছো গ্ৰহণ ,
মোৰ অধীনত আজি
ত্ৰৈলোক্যৰ শ্ৰেষ্ঠ ৰত্নৰাজি অমূল্য ৰতন।
গজশ্ৰেষ্ঠ ঐৰাৰত অশ্বশ্ৰেষ্ঠ উচ্চৈঃশ্ৰৱা
দেৱতাই নতশিৰে মোৰ চৰণত
কৰিলে অৰ্পণ।
দেৱলোক, নাগলোক আৰু এই গন্ধৰ্বলোকত
আছে যত ৰত্নৰাজি অমূল্য সম্পদ
শোভা কৰি আছে মোৰ
ৰাজ-প্ৰাসাদত।
তুমি দেৱী বিশ্বৰ সুন্দৰী
নাৰী-ৰত্ন বুলি খ্যাতি লভিছা ধৰাত।
জাগিছে তোমাব প্ৰতি স্নেহ-প্ৰীতি
আসক্তি হিযাত।
যিহেতুকে মযে ভোক্তা এই ত্ৰৈলোক্যৰ
ধন-ঐশ্বৰ্য্যৰ
আহা তুমি দযা কৰি মোৰ কামলই।
নিবেদিছো প্ৰেম-প্ৰীতি মোৰ হৃদয়ৰ।
ৰতনস্বৰূপা তুমি খঞ্জননযনী
হোৱা মোৰ জীবনসঙ্গিনী ,
অথবা অনুজ মোৰ মহা পৰাক্ৰমী

নিশুম্ভক ভজি তুমি হোৱা ভাগ্যৱতী।
তুমি মোক স্বামীৰূপে কৰিলে ৱৰণ
অতুলন ঐশ্বৰ্য্যৰ হ'বা অধিকাৰী।
সেই হেতু সুবুদ্ধিৰে কৰি বিবেচনা
মোৰেই মহিষী হৈ
পূৰ্ণ কৰা দেৱী মোৰ মনৰ কামনা।"
এইদৰে দূতৰ মুখত শুনি
অভিলাষ দৈত্যাপতি শুম্ভ অসুৰৰ
জগদ্ধাত্ৰী ভগৱতী দুৰ্গা ভৱানীয়ে
হাঁহি মনে মনে
কলে অতি গম্ভীৰ বচনে—
"সঁচা কথা.
সঁচাকৈযে ত্ৰৈলোক্যৰ অধীশ্বৰ শুম্ভ মহাসুৰ
নিশুম্ভও শকতিত তেওঁৰে সদৃশ।
সত্যৰ অপলাপ হোৱা নাই
কথাত তোমাৰ।
কিন্তু পূৰ্বে অল্পবুদ্ধি হেতু
মই যিটো কৰিলো প্ৰতিজ্ঞা
এতিয়া কিদৰে তাৰ কৰিম অন্যথা।
শুনা মোৰ সংকল্পৰ কথা—
সমৰ বিজয়ী হৈ যেয়ে মোৰ দৰ্প চূৰ্ণ কৰি
বিক্ৰমৰ দিব নিদৰ্শন
তেওঁকেই স্বামীৰূপে কৰিম ৱৰণ।
সেই হেতু বিলম্বৰ নাই প্ৰয়োজন,
শুম্ভ বা নিশুম্ভ শীঘ্ৰে কৰি আগমন
জয় কৰি সমৰত মোক
পত্নীৰূপে কৰক গ্ৰহণ।"
দূতে দিলে প্ৰত্যুত্তৰ দেৱীৰ কথাৰ—

"শুনা দেৱী,
নকৰিবা দৰ্প তুমি মোৰ সম্মুখত
দুবুলিবা গৰ্বিত বচন ;
এই তিনি ভুৱনত
দৈত্যপতি শুম্ভ কিম্বা নিশুম্ভত কৈ
নাই দেৱী আৰু শ্ৰেষ্ঠজন।
শুম্ভ আৰু নিশুম্ভৰ কথাকে নকওঁ
অন্য অন্য মহাবলী দৈত্যৰ আগতো
নোৱাৰে স্থিৰেৰে ৰ'ব অমৰসকল।
তুমি কি কৰিবা নাৰী অকলশৰীয়া হৈ,
নাই সৈন্যবল।
সমৰত ইন্দ্ৰ আদি দেৱতাসকলে
নোৱাৰিলে তিষ্ঠিব দেৱী
সম্মুখত শুম্ভ আদি দৈত্যসকলৰ ;
নাৰী হৈ কিদৰে তুমি যুদ্ধৰ ক্ষেত্ৰত
অসুৰৰ সম্মুখলৈ' হ'বা অগ্ৰসৰ ?
সেই হেতু শুনা মোৰ সজ উপদেশ
ৰ'লা দেৱী প্ৰাসাদলৈ' শুম্ভ-নিশুম্ভৰ।
নিওঁ যদি কেশাকষণ কৰি সুন্দৰী তোমাক
সমূলি বিনাশ হ'ব
তোমাৰেই যশ গৌৰৱৰ।
তেতিয়া দেৱীয়ে কলে দূতৰ আগত—
"জানো মই ভালদৰে
অতি পৰাক্ৰমী সেই শুম্ভ মহাসুৰ,
নিশুম্ভও অতি বীৰ্য্যবান।
কিন্তু মই কি কৰিম উপায়-বিহীন।
কৰিলোঁ প্ৰতিজ্ঞা পূৰ্বে
শুভাশুভ একোকেই নকৰি বিচাৰ।

যোৱা তুমি
কোৱাঁ গৈ সাদৰেৰে দৈত্যপতি শুম্ভক তোমাৰ
কৰক উচিত কার্য্য
মোৰ এই শুনি সমাচাৰ।"

ষষ্ঠ অধ্যায়

দেৱীৰ বচন শুনি ক্রোধেৰে উভতি আহি
দূতৰূপী সুগ্রীৱ অসুৰে
দৈত্যেশ্বৰ শুম্ভ অসুৰক
নিবেদিলে দেৱীৰ সকলো কথা
কলে বিবাদৰে।
দূতৰ মুখেৰে দেৱীৰ সকলো কথা
হই অৱগত
খণ্ডত অধীৰ হৈ অসুৰ সম্রাটে
দৈত্যাধিপ ধূম্রলোচনক কৰিলে আহ্বান।
"সৈন্য সহ যোৱা তুমি ধূম্রলোচন
আনাগৈ গর্বিতা নাৰীক সেই
কৰি কেশ আকর্ষণ।
হয় যদি উপস্থিত অন্য কোনো ত্রাণকর্ত্তা
বিহ্বলা নাৰীৰ,
গন্ধর্ব অমৰ যক্ষ যেয়েই নহওক
বিনাশিবা সিহঁতক ছিন্ন কৰি শিৰ।"
যেতিয়াই আদে শু[illegible] ৰ সম্রাটে

ষাঠি হেজাৰ সৈন্য সহ ধূম্রলোচন বীৰে
কৰিলে গমন।
পিছত অসুৰে গৈ
হিমাচল নিবাসিনী অম্বিকাক কৰিলে দৰ্শন।
মুগ্ধ হৈ দেৱীৰ ৰূপত
উচ্চস্বৰে এইৰূপে বুলিলে বচন—
"নিজ ইচ্ছামতে যদি আনন্দ মনেৰে
নকৰা গমন
বলেৰে তোমাক নাৰী
ধৰি নিম কৰি তৰ কেশআকৰ্ষণ।'
তেতিয়া দেৱীয়ে কলে—
আছে তৰ অতুল বিক্ৰম,
অস্ত্ৰে-শস্ত্ৰে সুসজ্জিত সৈন্যেৰে তোমাক
দৈত্যেশ্বৰে কৰিছে প্ৰেৰণ,
অবলা ৰমণী মই
মই কি কৰিব পাৰোঁ কৰা যদি বলেৰে হৰণ?"
এইৰূপে যেতিয়া কলে সিংহবাহিনীয়ে
খড়্গ লৈ খেদি গল ধূম্রলোচনে।
কিন্তু পলকতে,
ভয়ঙ্কৰ হুংকাৰ - ধ্বনিৰে
অসুৰক ভস্মীভূত কৰিলে দেৱীয়ে।
অসুৰাধিপৰ হ'ল যেতিয়া বিনাশ
ক্ৰুদ্ধ হৈ যতমানে অসুৰ সৈন্যই
তীক্ষ্ণ শৰ শক্তি পৰশু লৈ
আচ্ছাদিত কৰিলে দেৱীক।
শক্তিৰ পৰমা শক্তি অম্বিকাই শৰ আঘাতেৰে
অসুৰৰ শৰ শক্তি শূল অসি কৰিলে খণ্ডিত।
দেৱীৰ বাহন কেশৰীয়ে কেশৰ জোকাৰি

মহাকোপে আক্রমিলে
অসুৰৰ সৈন্য বাহিনীক।
কোনোবাটো অসুৰক কৰ আঘাতেৰে
কোনোটোক দাঁত আৰু কোনোটোক সুতীক্ষ্ণ নখেৰে
কৰি আক্রমণ
কৰিলে নিধন।
নখেৰে বিদাৰি ভুৰু
বহুতৰে বিনাশিলে প্রাণ.
বহুতৰে চাপৰত মস্তক দ্বিখণ্ড হ'ল
সৈন্যগণ হ'ল খানবান।
বহুতৰে বাহু শিৰ ছিন্ন কৰি কৰিলে নিধন,
বহুতৰে উদৰ বিদাৰি
তপ্ত ৰক্ত কৰিলে ভক্ষণ।
ইদৰেই দেৱীৰ বাহন
অতি পৰাক্রমী সেই ক্রুদ্ধ মৃগেন্দ্রই
খন্তেকৰ ভিতৰতে সমস্ত অসুৰ সৈন্য
কৰিলে নাশন।
দৈত্যৰাজ শুম্ভই যেতিয়া
শুনিলে নিধন-বাৰ্ত্তা ধূম্রলোচনৰ
দেৱীৰ হাতত,
আৰু সেই অসুৰৰ ক্ষয়বাৰ্ত্তা
কেশৰীয়ে বিনাশিলে যাক খন্তেক পৰত,
ক্রোধত অস্থিৰ হৈ মাতি আনি ততালিকে
চণ্ড-মুণ্ড অসুৰদ্বয়ক
কৰিলে আদেশ—
"শুনা হেৰা চণ্ড-মুণ্ড অসুৰ প্রধান
অগণন সৈন্যেৰে বেষ্টিত হৈ
যোৱা তোমালোক

লৈ আনা শীঘ্রে সেই দুষ্টা ৰমণীক।
আনিবা কেশত ধৰি নতুবা বন্ধন কৰি
গৰ্বিতা নাৰীক।
হয় যদি শঙ্কা সমৰৰ
সকলো অসুৰ মিলি অস্ত্র-প্রহাৰেৰে
কৰিবা মূৰ্চ্ছিত।
মৃগেন্দ্র বাহন তাইৰ কৰিবা নিধন।
কেশৰীৰ ঘটিলে মৰণ সেই দুষ্টা মৃতপ্রায় হ'লে
আনিবা বন্ধন কৰি।
তুৰন্তে গমন কৰা, বিলম্বৰ নাই প্রয়োজন।

সপ্তম অধ্যায়

যেতিয়াই দৈত্যপতি শুম্ভাসুৰে কৰিলে আদেশ
চতুৰঙ্গ সৈন্য লৈ উদ্যত অস্ত্রেৰে
চণ্ডমুণ্ড দুয়োজনে তুৰন্তে গমন কৰি
হিমাচল পর্বতৰ কনক শিখৰ শোভি
অৱস্থিতা সিংহৰ পিঠিত
স্মিতমুখী চণ্ডিকাক কৰিলে দর্শন।
ভেতিয়া অসুৰদ্বয়ে
কাষতেই থকা যত অসুৰৰ সঙে
ধনুৰ্বাণ জুৰি আৰু শূল অসি উত্তোলন কৰি
অম্বিকাক বধিবলে হ'ল অগ্রসৰ।

আগবাঢ়ি যোৱা দেখি অসুৰ সেনাক
মহাক্ৰোধ জন্মিল দেৱীৰ
বদনকমল হ'ল ৰক্তিম বৰ্ণৰ
ভ্ৰুকুটিকুটিলা সেই অম্বিকাৰ কপালৰ পৰা
আবিৰ্ভূতা হ'ল কালী কৰালবদনা
বিচিত্ৰ খটাঙ্গধাৰী অতিকে ভীষণা
বিস্তাৰিত মুখ যাৰ বিস্তৃতনয়না
হাড়-ছাল অৱশিষ্টা অতি ক্ষীণকায়
ৰক্তেবর্ণে লেলিহান প্ৰসাৰিত জিভা
নৰমুণ্ড-মালা যাৰ শোভিছে গলত
অসি আৰু পাশ যাৰ আছে দুহাতত,
আৰক্ত নয়ন যাৰ আছে কোটৰত
শোভিছে বাঘৰ ছাল যাৰ ককালত।
সেই দেৱী কালিকাই প্ৰচণ্ড বেগেৰে
অসুৰৰ ওপৰত জপিয়াই পৰি
বধ কৰি কৰিলে ভক্ষণ দৈত্য অগণন।
মাথোন এহাতে ধৰি
আৰোহণকাৰী যোদ্ধা
ঘণ্টা আৰু চালকৰ সতে হাতীবিলাকক
মুখলৈ কৰিলে ক্ষেপণ।
সেইদৰে
ৰথ সহ সাৰথিক ঘোৰা সহ আৰোহীক
মুখত ভৰাই
ভীষণ দাঁতেৰে পিহি কৰিলে ভোজন।
কোনোৰ চুলিত আৰু কোনোৰ গলত ধৰ
কোনোটোক পদাঘাত কৰি আৰু
কোনোটোক বুকুৰে আফালি
অসুৰক কৰিলে নিধন।

দুৰন্ত অসুৰগণে অস্ত্ৰ-শস্ত্ৰ যতমানে
কৰিলে বৰ্ষণ
মহাকোপে কালিকাই মুখত সুমাই
চূৰ্ণ কৰি কৰিলে চৰ্বণ।
এইদৰে চণ্ডিকাই বলবান দৈত্যবিলাকৰ
কোনোক মৰ্দন আৰু কোনোক ভক্ষণ
কোনোটোক কৰিলে তাড়ন।
কোনোটোৰ অসি-আঘাতত
কোনোটোৰ শক্তি-প্ৰহাৰত
কোনোটোৰ দাঁতৰ আঘাত লাগি কণ্ঠ-উদৰত
অসুৰৰ মিলিল মৰণ।
নিমিষতে এনেদৰে
হোৱা দেখি নাশ সেই অসুৰ সৈন্যৰ
অতিকে ভীষণা সেই কালিকাৰ প্ৰতি
চণ্ডাসুৰ হ'ল অগ্ৰসৰ।
মহাবীৰ মুণ্ড অসুৰেও সেই সময়তে
ভীষণনয়না সেই কালিকাৰ চৌদিশ আবৃত কৰি
নিক্ষেপ কৰিলে শৰ
অতি ভয়ঙ্কৰ।
অসুৰে নিক্ষেপ কৰা অগণন শৰ
প্ৰৱেশিলে দেৱীৰ মুখত;
দেৱীৰ বদনপ্ৰভা হ'ল শোভাকৰ
যিদৰে ভাস্কৰে
ঘনঘোৰ মেঘ ভেদি বিতৰে কিৰণৰাশি
শোভা মনোহৰ।
কৰালবদনা দেৱী কালীয়ে তেতিয়া
প্ৰকাশি দশনপংক্তি
মহাক্ৰোধে অট্টহাস্য কৰি কৰিলে নিনাদ,

আৰু সেই চণ্ড অসুৰক
উচ্চাৰি হুংকাৰ-ধ্বনি উত্তোলন কৰি অসি
এহাতে কেশত ধৰি শিৰশ্ছেদ কৰি
কৰিলে বিনাশ।
হোৱা দেখি মৃত্যু সেই চণ্ড অসুৰৰ
মুণ্ডাসুৰে আক্ৰমণ কৰিলে দেৱীক,
দেৱীয়েও মহাকোপে খড়্গ আঘাতেৰে
মুণ্ডক বিনাশ কৰি
ধৰণীত কৰিলে লুণ্ঠিত।
যেতিয়াই চণ্ড-মুণ্ড দুয়োটাৰে ঘটিল পতন
অৱশিষ্ট সৈন্যবোৰে কোনোমতে ৰক্ষা পালে
কৰি পলায়ন।
কালীয়ে তেতিয়া
চণ্ড-মুণ্ড দুয়োটাৰে মস্তক হাতত লৈ
অট্টহাস্য কৰি কলে চণ্ডিকাক—
"সমৰ যজ্ঞত মই
পশুৰূপে বধ কৰি চণ্ড-মুণ্ড অসুৰদ্বয়ক
দিলোঁ এয়া উপহাৰ তোমাৰ হাতত।
নিজ হাতে নিধন কৰিবা তুমি
শুম্ভ আৰু নিশুম্ভক সমৰ ক্ষেত্ৰত।'
কালীৰ হাতত দেখি
ছিন্নশিৰ চণ্ড মুণ্ড অসুৰ দুটাৰ
পৰম কল্যাণময়ী কলে চণ্ডিকাই—
"যিহেতু বিনাশ কৰি এই সংগ্ৰামত
চণ্ড মুণ্ড উভয়ৰে শিৰ দেৱী দিলা উপহাৰ
এতিয়াৰে পৰা তুমি 'চামুণ্ডা' নামেৰে
হ'বা জনাজাত এই বিশ্ব-বসুধাত।"

অষ্টম অধ্যায়

অগণন সেনা সহ চণ্ড-মুণ্ড উভয়বে
বিন।শ বাতবি
যেতিযাই দৈত্যপতি শুম্ভাসুবে কবিলে শ্রবণ
ক্রোধত কম্পিত হ'ল আবক্ত নয়ন।
আদেশিলে সৈন্য-বাহিনীক—
"তুবন্তে সজ্জিত হোৱা সমবব কবি আয়োজন।
তোমালোক উদ্যত অস্ত্রেবে।
চিয়াশী প্রমুখ দৈত্য আৰু
কম্বুকুলজাত অসুব চৌৰাশীজন
কোটিবীর্য্য কুলোৎপন্ন অসুবব অৰ্দ্ধশত,
ধৌম্রবংশজাত সৈন্য এশদল
কালক দৌহ্রদ মৌর্য্য আৰু কালকেয
এই চাবিদল,
কবিছোঁ আদেশ মই
আজিয়েই কবক গমন।"
এইদবে প্রচাবি আদেশ
কঠোব শাসনকাবী দৈত্যেশ্বব শুম্ভ মহাসুবে
সহস্র সৈন্যেবে
পবিবৃত হৈ নিজে কবিলে গমন।
অতিকে দুর্দান্ত সেই সমস্ত অসুব সৈন্য
দেখি সমাগত,
দেৱী চণ্ডিকাই
সুনীল গগন ভেদি কঁপালে ধবণী

শৰদেৱে ধনু-টঙ্কাৰত।
চণ্ডীৰ বাহন মৃগেন্দ্রই কৰিলে গর্জ্জন,
ঘণ্টাধ্বনি কৰি অম্বিকাই
বৃদ্ধি কৰি সেই শব্দ কৰিলে ভীষণ।
সিংহনাদ ঘণ্টাধ্বনি ধনুৰ টঙ্কাৰ জিনি
বিস্তৃত বদনা দেৱী কালীয়ে কৰিলে ধ্বনি
পূর্ণ হ'ল আকাশমণ্ডল।
যেতিয়াই ভীতিকৰ নিনাদ সেই পশিলে কাণত
মহাক্রোধে দৈত্য সেনাগণে
চণ্ডী-কালী-কেশৰীক
চৌপাশে কৰিলে বেষ্টন।
অসুৰৰ বিনাশ আৰু অমৰৰ শুভ কামনাৰে
ব্রহ্মা বিষ্ণু শিৱ ইন্দ্র
কার্ত্তিকেয়ৰ শকতি সমূহ
আপোন দেহৰ পৰা হৈ বহির্গত
অনুৰূপ ৰূপ আৰু শক্তি লৈ প্রত্যেকে নিজৰ
চণ্ডিকাৰ সম্মুখত হ'ল সমাগত।
দেৱতাৰ যাৰ যেনে আকৃতি-প্রকৃতি
ভূষণ বাহন
তেনেকুৱা বেশ-ভূষা আৰু বাহনেৰে
যুদ্ধ কৰিবৰ বাবে অসুৰৰ সঙে
দেৱশক্তিবিলাকৰ হ'ল আগমন।
প্রথমে ব্রহ্মাৰ শক্তি
অক্ষমালা কমণ্ডলু ধৰি
হংসবাহী বিমানত আৰোহণ কৰি
আহিল ব্রহ্মাণী।
তাৰ পিছতেই--
মহেশ্বৰী মহেশ-শকতি ত্রিশূলধাৰিণী,

চন্দ্রকলা শিৱৰ ভূষণ যাৰ,
মহাসৰ্পগণ যাৰ বলয় হাতৰ,
বৃষভত কৰি আৰোহণ
প্ৰবেশিলে ৰণ-প্ৰাঙ্গণত।
কাৰ্ত্তিকেয়ৰ আকৃতি ধাৰণ কৰি
শক্তি হাতত লৈ
জগতৰ মাতা ময়ূৰবাহনা
কাৰ্ত্তিকীও সমৰত হ'ল সমাগতা।
বিষ্ণুশক্তি বৈষ্ণৱীয়েও
বিষ্ণুৰ আকৃতি ধৰি গৰুড়ত আৰোহণ কৰি
শঙ্খ চক্ৰ গদা অসি লৈ
ৰণাঙ্গনত দিলেহি দৰ্শন।
অনুপম যজ্ঞবৰাহৰূপধাৰী
শ্ৰীহৰিৰ অপৰা শক্তিয়ে
বৰাহৰ ৰূপ ধৰি যুদ্ধত নামিলে।
নৰসিংহ ৰূপ ধৰি নাৰসিংহী মহা শকতিয়ে
পশিলে যুদ্ধত,
কেশৰৰ আঘাতত যাৰ
নক্ষত্ৰ লৰিলে ঘনে নীল আকাশত।
ইন্দ্ৰতুল্য সহস্ৰনয়না
বজ্ৰ হাতত ধৰি
ঐৰাৱতৰ পিঠিত আৰোহণ কৰি
ব্ৰহ্মাণী আদিৰ সতে
ইন্দ্ৰশক্তি ইন্দ্ৰাণীও সমৰক্ষেত্ৰত
হ'ল উপস্থিত।
ব্ৰহ্মাণী প্ৰভৃতি সেই
দেৱশক্তিসকলেৰে পৰিবৃত হৈ
মোৰ সম্প্ৰীতিৰ হেতু

বধ কৰা অতি শীঘ্ৰে অসুৰগণক'—
এই বুলি কলে মহেশ্বৰে।
আৰু তেতিয়াই
দেৱীৰ দেহাৰ পৰা
আৰু এক অন্য শক্তি হ'ল বহির্গতা,
শত শত শিয়াল সঙ্গত যাৰ অনুচৰৰূপে
অতি ক্রুদ্ধা অতি ভয়ঙ্কৰা।
মহামায়া অপৰাজিতাই
ধূম্রবর্ণ জটাধাৰী মহেশক এইৰূপে বুলিলে বচন,
"হে ভগৱান
শুম্ভ আৰু নিশুম্ভৰ কাষলে আপুনি
দূতৰূপে কৰক গমন।
সেই অতি মদগর্বী শুম্ভ-নিশুম্ভক
আৰু যত অসুৰগণক—সমবেত ৰণ-প্রাঙ্গণত
ক'ব এইদৰে—
'ত্রিলোকৰ আধিপত্য কৰক পুনৰ লাভ
দেব পুৰন্দৰে
যজ্ঞভাগ দ্রব্য আদি কৰক ভক্ষণ যত
অমৰসকলে।
আৰু যদি তোমালোকে জীয়াই থাকিব খোজা
আছে যদি মমতা প্রাণৰ
পাতাল প্রৱেশ কৰা এই মুহূর্ত্ততে।
প্রত্যাখ্যান কৰি এই সজ উপদেশ
সৈন্যৰ গর্বেৰে যদি
দম্ভ কৰি যুজিবলে' কৰা অভিলাষ,
ততালিকে আহা আগবাঢ়ি
অসংখ্য জম্বুক মোৰ ক্ষুধাত আতুৰ
অসুৰৰ মঙহেৰে পূর্ণ কৰি উদৰ সিহঁতে

লভিব সন্তোষ।'
যিহেতু দেবীয়ে
শিবক নিযুক্তি দিলে এইদবে দূতব কার্য্যত
শিবদূতী নামে দেবী
পবিচিতা হ'ল এই বিশ্বব বক্ষত।
মহেশব মুখে শুনি দেবীব বচন
খণ্ডত অধীব হৈ যত্তমানে দৈত্যগণ
উপস্থিত হৈ সমীপত
শূল-শক্তি-খড়্গ-বাণ-শব প্রহাবেবে
আচ্ছাদিত কবিলে দেবীক।
দেবীয়েও ভেতিযা দিলে ধনুত টঙ্কাব;
চোকা চোকা বাণ মাবি ছেদন কবিলে
অসুবব শূল-শক্তি ধনুর্বাণ পবশু কুঠাব
শূলেবে আঘাত কবি লৌহ শক্তি হানি
বধ কবি দৈত্যগণ
দেখুবালে মহিমা শক্তিব
মহাসুব শুম্ভব আগত
কালিকাই বিদ্যুত-গতিবে কবি বিচবণ
সমব ক্ষেত্রত যেই দিশে ভ্রমিলে ব্রহ্মাণী
সকলো দিশতে সেই
কমণ্ডলুব জল কবি নিষিঞ্চন
বিনাশিলে অসুবব বীর্য্য পবাক্রম।
ত্রিশূলধাবিণী মহেশ্ববী মহেশ-শক্তিয়ে,
বৈষ্ণবীয়ে চক্র আৰু কৌমাবীয়ে শক্তি প্রহাবেবে
মহাকোপে অসুবক কবিলে নিধন।
ইন্দ্রাণীয়ে বজ্রেবে বিদীর্ণ কবি
শত শত দৈত্য-দানবক
ধবণীত কবিলে পতিত;

সিংহৰ শৰীৰৰ পৰা ৰক্তধাৰা হ'ল প্ৰবাহিত।
বাৰাহীয়ে কোনোটোক মুখেৰে আঘাত কৰি
বসুধাত কৰিলে লুণ্ঠিত,
কোনোটোক দাঁতেৰে আঘাত কৰি বিদাৰি হৃদয়
কোনোটোক চক্ৰ চালনাৰে মস্তক ছেদন কৰি
বধিলে অনেক অসুৰসৈন্য সমৰ-থলীত।
নাৰসিংহী নৃসিংহ-শক্তিয়ে
মুখৰিত কৰি নিনাদত
আকাশ-মণ্ডল চৌদিশ কৰি বিচৰণ
অসুৰক কৰিলে ভক্ষণ
শিৰদূতী দেৱীয়ে তেতিয়া অট্টহাস্য কৰি
অসুৰৰ পৰাক্ৰম কৰিলে হৰণ;
মূৰ্চ্ছিত অসুৰ সৈন্য হ'ল ধৰাশায়ী
দেৱীয়েও কৰিলে ভোজন।
ব্ৰহ্মাণী প্ৰমুখ্যে সেই ক্ৰুদ্ধা মাতৃগণে
অসংখ্য অসুৰ-সৈন্য এইদৰে কৰিলে দলন।
তাকে দেখি দৈত্য দানৱ আৰু অসুৰবিলাকে
ত্যজিলে সমৰ
এনি তেনি কৰি পলায়ন।
মাতৃগণৰ দ্বাৰা বিমৰ্দিত হৈ
অসুৰ সৈন্যক দেখি কৰা পলায়ন
ৰক্তাসুৰ মহাসুৰ অসুৰপ্ৰধান
সমৰত হ'ল আগুৱান।
যুদ্ধত প্ৰবৃত্ত সেই ৰক্তবীজ মহা অসুৰৰ
অস্ত্ৰৰ আঘাত লাগি
যোতয়া দেহাৰ পৰা ধৰাৰ বুকত পৰে
কণিকা তেজৰ,
সেই শোণিতৰ পৰা তাৰেই সদৃশ

জন্ম হয় অন্য এক পৰাক্রমী
ৰক্তবীজৰ।
মহাবীৰ ৰক্তবীজে ইন্দ্ৰাণীৰ সতে
গদা লৈ কৰিলে সমৰ,
ইন্দ্ৰাণীযেও ৰক্তবীজক কৰিলে প্ৰহাৰ
ভীতিপ্ৰদ বজ্ৰেবে নিজৰ।
ইন্দ্ৰাণীৰ বজ্ৰ-আঘাতত
বলে শোণিতৰ ধাৰা শৰীৰৰ পৰা
মহাসুৰ ৰক্তবীজৰ,
আৰু সেই শোণিতত জন্ম হ'ল পৰাক্ৰমী অনেক যুজাৰু
সমকক্ষ সেই অসুৰৰ।
ৰক্তবীজ অসুৰৰ নিগৰি শৰীৰ
যিমানেই ৰক্তবিন্দু পৰিল ভূমিত,
ভযৰ সঞ্চাৰ কৰি
সিমানেই পৰাক্ৰমী ৰক্তবীজ অসুৰ সদৃশ
অসংখ্য অসুৰ দৈত্য হ'ল উৎপাদিত।
আৰু সেই ৰক্তজাত অসুৰবিলাকে
অস্ত্ৰেবে সজ্জিত হৈ
মাতৃগণৰ সমে কৰিলে সমৰ।
পুনুবাৰ বজ্ৰ আঘাতত
ছিন্ন হ'ল মুণ্ড অসুৰৰ
বই গ'ল সোঁত শোণিতৰ
জন্ম হল হেজাৰ বিজাৰ সৈন্য
একে বল একে বীৰ্য্য একে সাদৃশ্যৰ।
বৈষ্ণৱীযে চক্ৰ ধাৰণ কৰি
ইন্দ্ৰাণীযে গদাৰে প্ৰহাৰ কৰি
ৰক্তবীজ অসুৰশ্ৰেষ্ঠৰ সতে যুজিলে বিস্তৰ।
বৈষ্ণৱীৰ চক্ৰৰ আঘাত লাগি

ৰক্ত ক্ষৰণ হ'ল অসুৰ দেহৰ
জন্ম হ'ল তাৰ দৰে পৰাক্ৰমী অসুৰ বিস্তৰ
গোটেই পৃথিৱী জুৰি
সৃষ্টি কৰি মহাত্ৰাস অমৰগণৰ।
কৌমাৰীয়ে শক্তি প্ৰহাৰেৰে
ৰাৰাহীয়ে খড়্গ-আঘাতেৰে
ত্ৰিশূলৰ আঘাতেৰে মহেশ্বৰী শিৰৰ শক্তিয়ে
মহাসুৰ ৰক্তবীজক কি লে তাড়ন;
অসুৰপ্ৰধান ৰক্তবীজ দুৰাত্মাযো
পৃথক পৃথকভাৰে মাতৃসকলক
কৰি আক্ৰমণ
কৰিলে প্ৰহাৰ ক্ৰোধে অতিকে ভীষণ।
শক্তি-শূল প্ৰভৃতিৰে আহত দৈত্যৰ
ভূপাতত হ'ল তেজোৰাশি
হেজাৰ বিজাৰ অসুৰৰ জন্ম হ'ল
জগত বিয়াপি।
তাকে দেখি দেৱতাসকল
হ'ল ভয়ে ভীত।
লক্ষ্য কৰি দেৱতাৰ বিষণ্ণ বদন
চণ্ডিকাই বুলিলে কালীক—
'শীঘ্ৰে চামুণ্ডা তুমি
কৰা তযু বিস্তৃত আনন;
অস্ত্ৰৰ আঘাত লাগি দৈত্যৰ দেহাৰ পৰা
বহিৰ্গত হোৱা তেজোৰাশি
আৰু সেই ৰক্তজাত পৰাক্ৰমী দৈত্যবিলাকক
কৰা তুমি তুৰন্তে ভক্ষণ।
এইদৰে কৰিলে শোণিত পান
দৈত্যক ভোজন,

নোৱাৰে উৎপন্ন হ'ব
বীৰ্যশালী দুষ্ট দৈত্যগণ।
ইদৰে কালীক কৈ
চণ্ডিকাই ত্ৰিশূলেৰে ৰক্তবীজ অসুৰক
কৰিলে প্ৰহাৰ,
কালীয়েও মুখ মেলি ৰক্তবীজৰ ৰক্ত
কৰিলে ধাৰণ।
তেতিয়া গদাৰে
ৰক্তবীজে চামুণ্ডাক কৰিলে আঘাত
কিন্তু দেৱীয়ে তাৰ গদা আঘাতত
নকৰিলে অনুভৱ অকণোকে বেদনা দেহত।
আহত দৈত্যৰ দেহ শৰীৰৰ পৰা
হ'ল বহু শোণিত ক্ষৰণ,
অসুৰৰ ক্ষৰিত শোণিত আৰু
ৰক্তজাত দৈত্যবিলাকক
চামুণ্ডায়ে লগে লগে কৰিলে ভোজন।
এনেদৰে চামুণ্ডাই কৰিলে শোণিত পান
বিস্তাৰিত কৰি মুখ দেৱীৰ কথাত,
দেৱীয়েও ৰক্তবীজক
শূল বজ্ৰ বাণ অসি মুষলেৰে হানিলে আঘাত।
মহাবীৰ ৰক্তবীজ ৰক্তহীন হৈ
নানা অস্ত্ৰ-প্ৰহাৰত প্ৰাণ হেৰুৱাই
বাগৰিল ধৰাৰ বুকুত।
দেৱগণ পুলকিত হ'ল হৰষত।
অমৰৰ শকতিৰে জনমধাৰিণী সেই
মাতৃসকলেও
অসুৰৰ ৰক্তৰূপ মধু পান কৰি
মত্ত হ'ল অপূৰ্ব নৃত্যত।

নবম অধ্যায়

যেতিয়া পৰিল ওৰ বক্তবীজ বধৰ বৰ্ণনা
মেধস মুনিক কলে সুৰথ ৰাজনে—
'ঋষিবৰ,
বক্তবীজ অসুৰৰ বধ সম্পৰ্কত
বিচিত্ৰ চৰিত্ৰ আৰু মহিমা দেৱীৰ
শুনালা আমাক তুমি অতি বিতোপন।
বক্তবীজ নিধন হোৱাত
কি কাৰ্য্য কৰিলে সেই
মহাক্ৰোধী শুম্ভ নিশুম্ভই
শুনিবৰ কৰিছোঁ তেপাহ
দয়া কৰি মনোবাঞ্ছা কৰিবা পূৰণ।"
তেতিয়া মুনিয়ে ক'লে
দৈত্যৰাজ শুম্ভ আৰু নিশুম্ভৰ কাহিনী পুনৰ।
বক্তবীজ আৰু সৈন্য মহাসুৰ দৈত্য অগণন
যেতিয়া শুনিলে হ'ল বুলি যুদ্ধত নিধন
শুম্ভ-নিশুম্ভাসুৰ
ক্ৰোধতেই আত্মাহাৰা হ'ল দুয়োজন।
প্ৰথমতে নিশুম্ভ অসুৰে
প্ৰধান প্ৰধান যত সৈন্য সেনানীৰে
মহাবোষে যুদ্ধযাত্ৰা আৰম্ভ কৰিলে।
দেৱীৰ বধৰ হেতু
মহা মহা অসুৰবিলাকে
মহাকোপে দাঁতেৰে কামুৰি ওঠ

সোঁৱে বাঁৱে আগে পাছে
নিশুম্ভৰ চৌপাশে সমবেত হৈ
সমৰৰ অভিমুখে গ'ল আগুৱাই।
মহাবীৰ্য শুম্ভাসুৰেও
যুদ্ধ কৰি মাতৃসকলৰ সঙে
চণ্ডিকাক বধিবৰ বাবে
সসৈন্যে কৰিলে যাত্রা পদভৰে পৃথিবী কঁপাই।
যিদৰে ডাৱৰে কৰে জল বৰিষণ
সিদৰেই শৰ বৰিষণ কৰা শুম্ভ নিশুম্ভৰ
দেৱীৰ লগত হল যুদ্ধ ভয়ঙ্কৰ।
অসুৰে ক্ষেপণ কৰা বাণ সমূহক
চোকা চোকা শৰ মাৰি দেৱী চণ্ডিকাই
অনায়াসে কৰিলে ছেদন।
দেৱীৰ শাণিত বাণে
শৰীৰত অসুৰদ্বয়ক
ক্ষিপ্র গতিৰে গৈ কৰিলে তাড়ন।
ঢাল আৰু শাণিত খড়্গেৰে
বীৰ্য্যবান নিশুম্ভ অসুৰে
দেৱীৰ বাহন সেই
মৃগেন্দ্রৰ মস্তকত কৰিলে প্রহাৰ।
যেতিয়া আহত হ'ল দেৱীৰ বাহন
'খুৰপ্র' নামেৰে এক অস্ত্রেৰে দেৱীয়ে
ছেদন কৰিলে
নিশুম্ভাসুৰৰ খড়্গ অষ্টচন্দ্রাযুক্ত বর্ম
উজ্জ্বল শোভাৰ।
খড়্গ বর্ম ছিন্ন হোৱা দেখি
ব্যর্থমনোৰথ হৈ নিশুম্ভ অসুৰে
শক্তি নামে অন্য এক অস্ত্র হাতে ধৰি

দেৱীলৈ কৰিলে নিক্ষেপ।
দেৱীয়েও চক্ৰৰ বলেৰে
দ্বিখণ্ডিত কৰি শক্তি কৰিলে নিঃশেষ।
ক্ৰোধত উঠিল জ্বলি দুৰ্মতি অসুৰ
হানিলে প্ৰচণ্ড শূল ভীষণ বেগত।
দেখি সমাগত
বিচূৰ্ণ কৰিলে শূল দেৱীয়েও মুষ্টি-আঘাতত।
তেতিয়া অসুৰে
ঘূৰাই ভীষণ গদা দেৱীলৈ কৰিলে ক্ষেপণ
চণ্ডিকায়ো সেই গদা ত্ৰিশূলেৰে কৰিলে নাশন,
মহিষমুৰ গদা হ'ল ভূমিত পতন।
খন্তেক পাচতে
হাতত পৰশু লৈ সমাগত দৈত্যশ্ৰেষ্ঠ নিশুম্ভাসুৰক
ৰাণবিদ্ধ কৰি চণ্ডিকাই
কৰিলে মূৰ্চ্ছিত।
ভীম-পৰাক্ৰমী ভ্ৰাতৃ
নিশুম্ভ মূৰ্চ্ছিত হৈ যেতিয়াই হ'ল ধৰাশায়ী
অতিকে কুপিত হৈ শুম্ভ মহাসুৰে
অম্বিকাক নিহত কৰাৰ হেতু
গ'ল আগবাঢ়ি।
অতি ভয়ঙ্কৰ দেহ শুম্ভ অসুৰৰ
অতি দীৰ্ঘ আঠোটা বাহুত
ধাৰণ কৰিলে অস্ত্ৰ শ্ৰেষ্ঠ ক্ষেপণত—
সমস্ত পৃথিবী আৰু আকাশ-মণ্ডল ব্যাপি
শোভা কৰি আৰোহণ কৰিলে ৰথত।
অহা দেখি আগুৰাই শুম্ভ মহাসুৰ
শঙ্খধ্বনি কৰি চণ্ডিকাই
ধনুত টঙ্কাৰ দিলে অসহ্য ভীষণ।

দৈত্য সেনাবিনাকৰ শোণিত বিনাশকাৰী
ঘণ্টাধ্বনি কৰি
দশোদিশ কৰিলে পূৰণ।
দেৱীৰ বাহন মৃগেন্দ্রয়ো বাৰংবাৰ
কৰিব ধৰিলে অতি বিকট গৰ্জন
আৰু সেই গৰ্জনত চতুৰ্দিশ ব্যাপি
স্তব্ধ হ'ল বসুন্ধৰা গগনমণ্ডল,
দিগ্‌ভ্রান্ত হ'ল দৈত্য অসুৰৰ সৈন্য অগণন।
কালিকাই জাপ মাৰি আকাশত উঠি
পুনৰাই পৰি ভূতলত
দুযো হাতে মহা বেগে কৰিলে আঘাত
শৰদত জিনিলে শঙ্খৰ ধ্বনি সিংহৰ নিনাদ।
শিৱদূতী দেৱীয়েও অট্টহাস্য কৰি
অসুৰৰ অন্তৰত সঞ্চাৰিলে ভয়ানক ত্রাস,
অতিশয় ক্রুদ্ধ হ'ল শুম্ভ মহাসুৰ।
'ক্ষান্ত হ ক্ষান্ত হ হেৰ' দুৰন্ত অসুৰ
খন্তেক অপেক্ষা কৰ
মৃত্যু তোৰ অতি সন্নিকট
যোতিযাই অম্বিকাই এহ বুলি কলে সেহ
দৈত্যৰাজ শুম্ভ অসুৰক,
দেৱতাসকলে দিলে অম্বিকাৰ জয়ধ্বনি
আকাশ মাগত।
চণ্ডিকাৰ প্রতি শুম্ভাসুৰে
অতিকে ভীষণ আৰু শক্তিশালী শক্তি অস্ত্র
কৰিলে নিক্ষেপ,
কিন্তু সেই অগ্নিশিখা সমতুল্য অস্ত্র অসুৰৰ
ব্যর্থ হ'ল নিমিষতে
হঠাতে উত্তৰ হোৱা এক মহা উল্কা-প্রভাবত

শুম্ভাসুৰে সিংহনাদ কৰিলে ভীষণ
ব্যাপ্ত হ'ল সেই নাদ জিনি ত্ৰিভুবন।
কিন্তু বিনামেঘে আকাশত বজ্ৰধ্বনি হৈ
নিঃশব্দ কৰিলে সেই আৰাও দৈত্যৰ।
দেৱী আৰু দৈত্যেশ্বৰে কৰিলে সমৰ
পৰস্পৰে কৰি নানা শৰৰ প্ৰহাৰ।
বল আৰু কৌশলেৰে
উভয়েই বিৰোধী পক্ষৰ শৰ কৰিলে ছেদ।
শেষত কুপিতা হৈ অম্বিকাই হানিলে ত্ৰিশূল
দৈত্য তি শুম্ভৰ বুকত
মুৰ্চ্ছা গল শুম্ভাসুৰ ধৰাত বুকত,
ত্ৰিশূলৰ তীব্ৰ আঘাতত
ইতিমধ্যে নিশুম্ভই লভিলে চেতনা
ধনুৰ্বাণ কৰিলে ধাৰণ,
চণ্ডিকা চামুণ্ডা আৰু কেশৰীৰ প্ৰতি
বৰষিলে শক্তিশালী শৰ অগণন।
দৈত্যপতি নিশুম্ভই বিস্তাৰি অযুত বাহু
চক্ৰ বাণ অসি আদি
হানিলে বিবিধ অস্ত্ৰ মায়া প্ৰভাবেৰে
জগত জননী দেৱী হ'ল অস্ত্ৰেৰে আবৃতা।
দুৰ্গতিহাৰিণী দুৰ্গা ভগৱতী হল ক্ৰুদ্ধা
আপোন শৰৰ দ্বাৰা
অসুৰে নিক্ষেপ কৰা
চক্ৰ বাণ শূল আদি সকলোটি কৰিলে খণ্ডিত
তেজিযা বেষ্টিত হৈ দৈত্য বাহিনীৰে
চণ্ডিকাক বধিবৰ বাবে
গদা ধৰি সবেগে ধাবিত হ'ল নিশুম্ভ অসুৰ।
চণ্ডিকাই শাণিত অস্ত্ৰেৰে

সেই গদা কবিলে নাশন,
তাকে দেখি অসুবেও
শক্তিশালী শূল তুহাততে কবিলে ধাবণ
বিদ্যুৎ বেগেবে সেই দেবী চণ্ডিকাই
হাততে শূলব সতে সমাগত নিশুম্ভাসুবব
শূলবিদ্ধ কবিলে হৃদয়।
'ক্ষণ্তেক অপেক্ষা কব
আজি তই সমুচিত পাবি প্রতিফল'—
ইদবেই কবি আস্ফালন
নিশুম্ভব আহত বক্ষব পবা
হ'ল এটা বীযবান দৈত্যব উদয়।
দেবীয়ে তেতিয়া হাঁহি উচ্চবরে খলকনি তুলি
ছেদন কবিলে সেই মস্তক দৈত্যব—
ততালিকে হ'ল ধবাশায়ী।
সিংহয়ো সুতীক্ষ্ণ তাব দাঁতেবে কামুবি
চূর্ণ কবি গলদেশ বিনাশি অসংখ্য দৈত্য
পুবালে উদব।
শিবদূতী কালিকায়ো অন্য বহু অসুবক
কবিলে ভক্ষণ ধবি মুণ্ডি ভয়ঙ্কব।
কৌমাবীয়ে শক্তি-আঘাতেবে,
ব্রহ্মাণীয়ে মন্ত্রপূত জলব বলেবে,
ত্রিশূলেবে হৃদয় বিদীর্ণ কবি মহেশ্ববী ঈশান-শক্তিয়ে,
দাঁতেবে মস্তক বিচূর্ণ কবি দেবী বাবাহীয়ে,
বৈষ্ণবীযে খণ্ড-বিখণ্ড কবি নিজ চক্রাঘাতে,
ইন্দ্রাণীয়ে ভয়ঙ্কব শবদব বজ্র-প্রহাবেবে,
অসুব দানব আৰু দৈত্যবিলাকক
কবিলে নিধন,
কিছুমানে ত্যজিলে সমব কবি পলায়ন।

দশম অধ্যায়

অসংখ্য সৈনিক আৰু প্ৰাণসম ভ্ৰাতৃ নিশুম্ভক
হোৱা দেখি যুদ্ধত নিহত
শোকে তাপে জৰ্জৰিত হৈ
মহাক্ৰোধে শুম্ভাসুৰে বুলিলে দুৰ্গাক—
'শুন হেৰ দুৰ্গা তই গৰিতা ৰমণী
লাভ কৰি শক্তি বল পৰৰ আশ্ৰয়
লভিছ সম্মান তই লভিছ বিজয়।
কিন্তু পুনুবাৰ
সকলোকে সেইদৰে বিজয় কৰিম বুলি
নকৰিবি মিছা অহঙ্কাৰ।
নকৰিবি বৃথা গৰ্ব নিজ ক্ষমতাৰ।'
দেৱীয়েও দিলে প্ৰত্যুত্তৰ সেই দৈত্যৰ কথাৰ—
'শুন মূৰ্খ দুৰ্মতি অসুৰ
এই বিশ্ব-ব্ৰহ্মাণ্ডত ময়ে অদ্বিতীয়া
মোৰ অবিহনে নাই দ্বিতীয় কোনোবা।
দেখিলি যিমান মোৰ
সৈন্যবল অজেয় শকতি
এই সমস্তই মাথো মোৰেই বিভূতি।
ভালদৰে কৰ নিৰীক্ষণ মোৰ মহিমা অসীম।
মোৰ এই অংশসম্ভূত শক্তি
হ'ল মোৰ দেহাত বিলীন।'
ততালিকে ব্ৰহ্মাণী প্ৰভৃতি
দেৱ-শক্তি যতমানে লীন হ'ল দেৱীৰ দেহত

একমাত্র জগত জননী দুর্গা
বিৰাজিলে ৰণ-প্ৰাঙ্গণত।
পুনৰ দেৱীয়ে ক'লে দৈত্যপ্ৰধানক—
'মই মোৰ বিভূতিৰে সমৰ-ক্ষেত্ৰত
প্ৰকাশিত হৈছিলো বহুধা ৰূপত।
সেই মোৰ নানা শক্তি নানা শক্তি নানা ৰূপ
সম্বৰণ কৰিলোঁ এতিয়া
মই একাকিনী।
ক্ষন্তেক অপেক্ষা কৰ মাযাৰী অসুৰ
যুদ্ধৰ স্থলাৰ পৰা নাযাবি আঁতৰি।'
দেৱতা অসুৰবোৰে চাই থাকোতেই
খণ্ডেকৰ পিছতেই
সমৰ আৰম্ভ হ'ল দেৱী আৰু শুম্ভৰ মাজত।
সকলোৰে অন্তৰত ভয়ৰ সূচনা হ'ল
উভয়ৰে শৰৰ বৰ্ষণ আৰু অস্ত্ৰ সংঘাতত।
দেৱী অম্বিকাই
যিদৰেই শত শত শক্তিশালী
অলৌকিক অস্ত্ৰ-শস্ত্ৰ কৰিলে ক্ষেপণ
দৈত্যৰাজ শুম্ভযো সিদৰে
সমানেই শক্তিশালী অস্ত্ৰ প্ৰহাৰেৰে
ব্যৰ্থ কৰি কৰিলে নাশন।
শুম্ভাসুৰে যিবিলাক দিব্য অস্ত্ৰ কৰিলে নিক্ষেপ
দেৱীযেও হুংকাৰ-ধ্বনিৰে
সেই সকলোটি অস্ত্ৰ সমূলঞ্চে কৰিলে বিনষ্ট,
নাৰাখিলে একো অৱশেষ।
অসুৰে হানিলে শৰ হেজাৰ বিজাৰ
আৱৰিলে দেৱীৰ শৰীৰ,
মহাকোপে দেৱীযেও

শত শত শক্তিশালী শৰ প্ৰহাৰেৰে
ধনুৰ্বাণ শক্তি অসি গদা শূল কাটি অসুৰক
কৰিলে অস্থিৰ।
ধনুৰ্বাণ হেৰুৱাই ক্ৰোধিত শুম্ভই
শক্তি অস্ত্ৰ কৰিলে গ্ৰহণ,
দেৱীয়েও নিজৰ হাতত থকা চক্ৰৰ বলেৰে
অসুৰৰ শক্তি অস্ত্ৰ হেলাৰঙে কৰিলে ছেদন।
দৈত্যপতি শুম্ভই তেতিয়া
এখন শাণিত খড়্গ
আৰু এক অতিকে প্ৰভাবশালী
শতচন্দ্ৰ নামে চৰ্ম কৰিলে ধাৰণ,
চণ্ডিকাৰ সম্মুখলৈ হ'ল অগ্ৰসৰ।
দেৱীয়েও মহাক্ৰোধে ধনুৰ্বাণ ধৰি
অতি তীক্ষ্ণ শৰ আঘাতেৰে
বিনাশ কৰিলে সেই খড়্গ চৰ্ম দুষ্ট অসুৰৰ;
অস্ত্ৰ-শস্ত্ৰ অশ্ব আৰু সাৰথি ৰথৰ।
হাতত মুদ্গৰ লৈ
চণ্ডিকা-নিধন হেতু আগবাঢ়ি গ'ল দৈত্যেশ্বৰ।
শাণিত শৰৰ দ্বাৰা
যেতিয়াই বিনাশ কৰিলে তাৰ হাতৰ মুদ্গৰ
মুঠি মাৰি দুয়ো হাত
শুম্ভাসুৰে যুজিলে পুনৰ।
অসুৰ সম্ৰাটে সেই মুষ্টি প্ৰহাৰেৰে
চণ্ডিকাৰ হৃদযত কৰিলে আঘাত
চণ্ডিকাযো দুয়ো হাতে অসুৰ-বক্ষত
দলে প্ৰতিঘাত।
আৰু সেই আঘাতত খন্তেক মুৰ্চ্ছিত হৈ
দুৰ্মতি অসুৰ সেই মাটিত পৰিল।

কিন্তু নিমিষতে যুদ্ধ কবিবব বাবে
ধবণী বুকব পবা পুনব উঠিল।
দেবীক বলেবে ধবি আকাশলে তুলি নিলে
জাপ মাবি ততালিকে দুর্দান্ত অসুবে,
দেবীয়েও যুজিলে অকলশবে মহা প্রতাপেবে
দেবী-দৈত্য উভয়েই বাহুযুদ্ধ কবি
সিদ্ধ-মুনিসকলক বিস্মিত কবিলে।
বহুতো সময জুবি বাহুযুদ্ধ কবি আকাশত
দেবী চণ্ডিকাই
মহাবেগে শূন্যতেই ঘুবাই ঘুবাই
ভূপাতিত কবিলে দৈত্যক,
তথাপিতো দুবাত্মাই
বধিবলে অভিলাষ কবি চণ্ডিকাক
দুযোটা হাতব মুঠি কবিলে উদ্যত,
দেবীযেও সুতীক্ষ্ণ শূলেবে
সমাগত শুম্ভাসুবব হৃদযত কবিলে আঘাত
অসুবেও ত্যজিলে পবাণ,
পর্বত সাগব আৰু মেদিনী কঁপাই
ভযঙ্কব শবদেবে পবিল ধবাত।
দুবাত্মা শুম্ভব হ'ল যেতিযা নিধন
শান্ত হ'ল নিখিল জগত।
আকাশ নির্মল হ'ল
উল্কাব সূচনা কৰা এনি তেনি ঘুবি ফুবা
ঘনবোব মেঘবোব হ'ল অন্তর্হিত।
জান-জুবি নদ-নদী
আকৌ আগব দবে হ'ল প্রবাহিত।
দেবগণ অতিশয হ'ল হবষিত
অপ্সবাসকলে নৃত্য কবিব ধবিলে,

গন্ধর্বই বজালে বাদ্য
গালে গীত অতি সুললিত।
ঋষিসকলব হিয়াত আনন্দ ঢালি
জলিল মঙ্গলময় যজ্ঞব অগনি।
বলে মিঠা মৃদু সমীবণ
আকাশত শোভা কবি দিবাকবে বিলালে কিবণ।

একাদশ অধ্যায়

মহামায়া দেবীব হাতত
অসুবসম্রাট শুম্ভ নিধন হ'লত
দেবতাব পূর্ণ হ'ল অভীষ্ট মনব।
অগ্নি প্রমুখ্যে সেই ইন্দ্রাদি দেবতাগণে
প্রফুল্লবদনে
মুখবিত কবি চতুর্দিশ
কাত্যায়নীক স্তুতি কবিব ধবিলে—
'হে দেবী হোরা তুমি প্রসন্না জননী
শবণাগতব দুখ বিনাশকাবিণী।
হে বিশ্বেশ্ববী
অখিল বিশ্বব দেবী তুমিয়ে জননী
তুষ্টা হৈ বক্ষা কবা নিখিল ধবণী।
তুমি দেবী চবাচব বিশ্বব ঈশ্ববী।
জগতব একমাত্র তুমিয়ে আশ্রয়
যিহেতু পৃথিবীৰূপে তুমি অবস্থিতা।

জলরূপে অবস্থিতা হৈ
পরিদৃশ্যমান এই বিশ্ব-ব্রহ্মাণ্ডর
তৃপ্তি সাধন মাতৃ তুমিযে করিছা ;
তোমার শকতি দেরী অতিক্রম করিব নোরবা।
তুমিযে বৈষ্ণবী শক্তি
নাই তযু শক্তির তুলনা।
তুমিযে পরমা মাযা
মূল হেতু সমগ্র বিশ্বর
মুগ্ধ করি আছা তুমি সকলোকে
দৃশ্যমান এই জগতর।
যার প্রতি হোরা তুমি প্রসন্না জননী
মুক্তি লাভ করি মরতত
লভে তেওঁ স্বর্গত বসতি।
অর্থবিদ্যা যজ্ঞবিদ্যা যতমানে বিদ্যা জগতর
তোমারেই মূর্ত্তি মাতৃ
তুমি দেরী আদ্যা শক্তি এই ত্রৈলোক্যর।
তোমারেই অংশস্বরূপা দেরী
এই যত নারী জাতি বিশ্ব-ব্রহ্মাণ্ডর।
জগত জননী দেরী তুমি একাকিনী
ব্যাপি আছা তিনিও ভুবন।
কিদরে করিব কোনে তোমার মিনতি স্তুতি
স্তর অতুলন
যথাযোগ্য কৃতজ্ঞতা করি নিবেদন।
তুমি দেবী স্বর্গ-মোক্ষ প্রদাযিনী-সর্বস্বরূপিণী
বাক্যরো অতীত তুমি মনরো অতীত
গুণানুকীর্ত্তন করি স্তর পাঠ করিবলৈ তোমার জননী
আছে করে ইমান শকতি ?
বুদ্ধিরূপে বিরাজিছা হৃদযত সকলো জীরর

তুমি ভুক্তি-মুক্তি প্রদায়িনী
হে দেবী নারায়ণী চরণত করিছোঁ প্রণতি।
কলা কাষ্ঠা ক্ষণ আদি কালরূপে অবস্থিতা হৈ
জগতর পরিণাম বিধান করিছা তুমি
বিশ্ব বিনাশরো শক্তি তুমিয়ে জননী;
হে দেরী নারায়ণী চরণত করিছোঁ প্রণতি।
সর্বমঙ্গলরো তুমি মঙ্গলস্বরূপা
সকলোরে কল্যাণকারিণী
সবারে শরণযোগ্য সর্বসিদ্ধিপ্রদায়িনী তুমি
গৌরবর্ণা তুমি মাতৃ তুমি ত্রিনয়নী;
হে দেরী নারায়ণী চরণত করিছোঁ প্রণতি।
তুমি সৃষ্টি তুমি স্থিতি সংহারকারিণী
গুণর আধার তুমি শক্তিস্বরূপিণী
তুমি নিত্যা সনাতনী গুণস্বরূপিণী
হে দেরী নারায়ণী চরণত করিছোঁ প্রণতি।
তুমি দেরী শরণাগতক
দীন দুখী পীড়িতজনক
পরিত্রাণ করি আছা জগতজননী
সমস্ত বিশ্বর তুমি দুখবিনাশিনী;
হে দেরী নারায়ণী চরণত করিছোঁ প্রণতি।
ব্রহ্মার শক্তিস্বরূপা তুমিযে ব্রহ্মাণী
হংসযুক্ত বিমানত করি আরোহণ
দিছা শান্তি জগতক
কুশপূত জল তুমি অভ্যুক্ষণ করি;
হে দেরী নারায়ণী চরণত করিছোঁ প্রণতি।
মহেশর শক্তিরূপা তুমি মহেশ্বরী
হাতত ত্রিশূল চক্র বলয় সর্পর
মস্তকত শোভা করি আছে শশধর

তুমি দেবী বৃষভবাহনা ;
হে দেবী নারায়ণী চরণত করিছোঁ প্রণতি।
হে দেবী জননী নির্মলা
শ্রেষ্ঠ পেখমধারী ময়ুরত অরস্থিতা
কার্ত্তিকেয়র শক্তি
মহাশক্তিধারিণী তুমি কৌমারীরূপিণী ;
হে দেবী নারায়ণী চরণত করিছোঁ প্রণতি।
হে দেবী বৈষ্ণবীরূপিণী
হোরা তুমি প্রসন্না জননী
শঙ্খ চক্র গদা খড়্গ ত্রিশূলধারিণী ;
হে দেবী নারায়ণী চরণত করিছোঁ প্রণতি।
বরাহস্বরূপা দেবী তুমিয়ে বারাহী
বরাহর রূপ লৈ দশন দ্বারা
উদ্ধার করিলা তুমি এই বসুন্ধরা ;
অতিকে ভীষণ চক্র করিছা ধারণ তুমি সুমঙ্গলময়ী ;
হে দেবী নারায়ণী চরণত করিছোঁ প্রণতি।
ভীষণ নৃসিংহমূর্ত্তি ধরি তুমি দেবী
করিলা উদ্যম দৈত্যকুল বিনাশর বারে ;
সেই হেতু
ত্রিলোকতারিণী-মূর্ত্তি তুমি নারায়ণী ;
হে দেবী নারায়ণী চরণত করিছোঁ প্রণতি।
তুমি দেবী ইন্দ্রাণীরূপিণী
হাতে মহা বজ্র ধরি শিরত কিরীটি
সহস্রলোচনে তযু আছে শোভা করি
বৃত্রাসুরর তুমি প্রাণ বিনাশিনী ;
হে দেবী নারায়ণী চরণত করিছোঁ প্রণতি।
শিরদূতী রূপে তুমি
অসুরর মহাসৈন্য করিলা বিনাশ

তুমি অতি ঘোৰৰূপা ভয়ঙ্কৰী ভীষণনাদিনী ;
হে দেৱী নাৰায়ণী চৰণত কৰিছোঁ প্ৰণতি।
দশন-পংক্তিৰে তুমি ভীষণবদনা
সংগ্ৰামত অজেয়া চামুণ্ডা
মুণ্ডাসুৰবিনাশিনী দেৱী তুমি নৃমুণ্ডমালিনী ;
হে দেৱী নাৰায়ণী চৰণত কৰিছোঁ প্ৰণতি।
তুমি মেধা সৰস্বতী
ঐশ্বৰ্য্যস্বৰূপা শ্ৰেষ্ঠা তুমিয়ে বৈষ্ণৱী
সৰ্বসামৰ্থ্যযুক্তা তমোময়ী তুমিয়ে নিয়তি ;
তুষ্টা হোৱা নাৰায়ণী চৰণত কৰিছোঁ প্ৰণতি।
সৰ্বশক্তিসমন্বিতা সৰ্বস্বৰূপা তুমি
সবাৰে ঈশ্বৰী
আমাক ভয়ৰ পৰা পৰিত্ৰাণ কৰা তুমি দেৱী ;
হে দুৰ্গা দুৰ্গতিনাশিনী চৰণত জনাওঁ প্ৰণতি।
ত্ৰিনয়ন শোভিত তোমাৰ
মনোহৰ বদনমণ্ডল,
সকলো প্ৰাণীৰ পৰা
ৰক্ষা কৰক যেন আমি সকলোকে ;
হে দেৱী জগতৰেণ্যা মাতৃ কাত্যায়নী
তযু চৰণত আমি কৰিছোঁ প্ৰণতি।
অগ্নিশিখা কান্তিযুক্ত অতি ভয়ঙ্কৰ
দৈত্যকুল ধ্বংসকাৰী তযু ত্ৰিশূলেৰে
আমাক ভয়ৰ পৰা
ৰক্ষা কৰা ভয়হাৰী দেৱী ভদ্ৰকালী ;
চৰণত নম্ৰনত কৰিছোঁ প্ৰণতি।
তুমি যিটো ঘণ্টাৰ ধ্বনিৰে
পূৰ্ণ কৰি নিখিল ভুবন
অসুৰৰ তেজোৰাশি কৰিলা হৰণ,

সেই ঘণ্টাৰেই তুমি
যিদৰে পুত্ৰক অভয়বাণীৰে কৰে মাতৃয়ে ৰক্ষণ
সিদৰে পাপৰ পৰা ৰক্ষা কৰি সততেই
কৰা দেৱী আমাক পালন।
অসুৰৰ ৰক্তমেদ পঙ্কত বিলিপ্ত
তোমাৰ হাতত থকা অতি তীক্ষ্ণ উজ্জ্বল খড়্গেৰে
কৰা দেৱী জগতৰ মঙ্গল বিধান
তোমাক কৰিছোঁ আমি সশ্ৰদ্ধ প্ৰণাম।
তুমি তুষ্টা হলে দেৱী
ৰোগ ব্যাধি সকলোটি হয় বিনাশন;
তুমি ৰুষ্টা হলে দেৱী
সকলোৰে অভীষ্ট কামনা যত ৰয় অপূৰণ।
যিজনে গ্ৰহণ কৰে তোমাৰ আশ্ৰয
সিজনৰ সংসাৰত
নাই একো বিপদ-সংশয়,
তোমাৰ আশ্ৰিতজনে দিব পাৰে আনকো অভয়।
হে দেৱী অভয়া জননী
ব্ৰহ্মাণী প্ৰভৃতি তুমি নানা ৰূপ ধৰি
আপোন ৰূপকে তুমি বহুৰূপে প্ৰদৰ্শন কৰি
ধৰ্মদ্ৰোহী অসুৰক বিনাশিলা তুমি ভগৱতী;
এনে কাৰ্য্য সম্পাদন কৰিবলে
তুমি বিনে নাই মাতৃ আনৰ শকতি।
নীতিজ্ঞান তৰ্ক মায়া বৈদ্যশাস্ত্ৰ আছে যতমাৎ
বিবেকবৰ্দ্ধক আদ্য বেদবাক্য আদি সমস্তৰে
তুমিয়েই একমাত্ৰ প্ৰবৰ্ত্তিকা
বিশ্ব-ব্ৰহ্মাণ্ডত;
তুমিয়ে আকৌ মাতৃ
এই মহা মোহময় মমতাগৰ্ভত

ৰাৰে ৰাৰে ভ্ৰমণ কৰাই আছা
নিখিল জগত।
আছে য'ত অতি তীব্ৰ বিষসৰ্প ৰাক্ষস ভীষণ
মাৰাত্মক অস্ত্ৰধাৰী শত্ৰু-দৈত্যগণ,
সেই সকলোতে তুমি কৰি বিচৰণ,
আৰু তুমি অৱস্থিতা হৈ মাতৃ
দাবানল সমুদ্ৰবক্ষত
কৰি আছা বিশ্বক পালন ;
বিশ্বৰ আতমা তুমি
সেই হেতু সমগ্ৰ বিশ্বক তুমি কৰিছা ধাৰণ।
যিবিলাকে ভক্তিভাৱে উপাসনা কৰি
নত হয় তযু চৰণত
ব্ৰহ্মা আদি দেৱতাযো পূজে সিসৰক,
তুমি পূজ্যা সকলোবে—সকলো পূজক ;
তুষ্টা হোৱা তুমি ভগৱতী।
এতিয়া যিমতে
কৰা মাত্ৰে তোমাক স্মৰণ
কৰি দৈত্য বিনাশন জগতক কৰিলা ৰক্ষণ,
দযা কৰি আমাক কৰিবা ৰক্ষা
ইদৰে সততে মাতৃ শত্ৰুৰ কবলৰ পৰা।
অতি শীঘ্ৰে দূৰ কৰা জগতৰ দুখৰ কাৰণ
মহামাৰী দুৰ্ভিক্ষ উৎপাত দেৱী
কৰা নিবাৰণ।
হে দেৱী জগতৰ দুখবিনাশিনী
প্ৰণত জনৰ প্ৰতি হোৱা তুমি সন্তুষ্টা জননী ;
চিৰপূজ্যা তুমি মাতৃ ত্ৰৈলোক্যবাসিনী
তুষ্টা হৈ দিয়া বৰ
সকলোকে নিজ নিজ অভীষ্ট সিদ্ধিৰ।'

দেৱতাক কৰি সম্বোধন
তেতিয়া দেৱীয়ে কলে—'শুনা দেৱগণ,
জগতৰ হিত কামনাৰে
তোমালোক সকলোৰে ইচ্ছা অনুসাৰে
যিবা বৰ কৰা নিবেদন
কৰিম প্ৰদান মই—মনোবাঞ্ছা কৰিম পূৰণ।'
দেৱগণে বুলিলে দেৱীক—
'হে সৰ্বেশ্বৰী
যিদৰে আমাৰ তুমি শত্ৰু নাশ কৰি
সকলো বিঘিনি মাতৃ কৰিলা আঁতৰ,
সিদৰে বিনাশ কৰা
বাধা-বিঘ্নি দুখ-দৈন্য এই ত্ৰৈলোক্যৰ।'
পুনৰ দেৱীযে
এইৰূপে দেৱতাক দিলে সমিধান—
'বৈবস্বত নামে সপ্তম মনুৰ
অষ্টাবিংশ যুগত পুনৰ
শুম্ভ নিশুম্ভ নামে আন দুটা মহাসুৰে
লভিব জনম,
নন্দৰ ঘৰত মই জন্ম লভি যশোদা-গৰ্ভত
বিন্ধ্যাচল পৰ্বতত হৈ অৱস্থিতা
সেই দুই অসুৰক কৰিম নিধন।
পুনৰ্বাৰ ভীষণ ৰূপেৰে অৱতীৰ্ণ হৈ পৃথিবীত
বিপ্ৰচিত্তিবংশী দানৱগণক মই
কৰিম নাশন
সেই উগ্ৰ বৈপ্ৰচিত্ত অসুৰগণক
কৰিম ভক্ষণ,
ডালিম ফুলৰ দৰে
দশন-পংক্তিযে ল'ব ৰক্তিম ৰৱণ।

স্বর্গৰ দেৱতা আৰু মৰ্ত্ত্যৰ মানৱগণে
ৰক্তদন্তিকা নামে তেতিয়া কৰিব
মোৰ গুণানুকীৰ্ত্তন।
পুনৰাই শতেক বছৰ ব্যাপি
অনাবৃষ্টি হ'ব পৃথিবীত,
সিদ্ধ-ঋষি-মুনিগণে কৰিব মিনতি স্তুতি
স্তৱ সুললিত।
হ'ম মই আকউ উৎপন্না অযোনিসম্ভৱা।
শত নয়নেৰে
মুনিসকলক মই কৰিম দৰ্শন,
মানৱ সমাজে তেতিয়া পুনৰ
শতাক্ষী নামেৰে মোক কৰিব পূজন।
যত দিন ধৰি জলবৃষ্টি নহয় ধৰাত
নিজৰ দেহাৰ পৰা সৃজি নানা শাক
সকলো প্ৰাণীকে মই কৰিম পোষণ;
সেই হেতু শাকম্ভৰী নামে খ্যাত হ'ম এই বসুধাত।
এই অৱতাৰতেই
বধ কৰি দুৰ্গম নামেৰে এক মহা অসুৰক
'দুৰ্গা' নামেৰে হ'ম পুনঃ প্ৰখ্যাত।
আকৌ যেতিয়া
ঋষি-মুনিসকলৰ ত্ৰাণৰ কাৰণে
হিমালয় নিলয়ত
অতি ভয়ঙ্কৰাৰূপে অৱতীৰ্ণা হৈ
ৰাক্ষসগণক মই কৰিম বিনাশ।
ভক্তিভাৱে অৱনত হৈ সকলো মুনিয়ে
কৰিব মোৰেই স্তুতি মোৰেই স্তৱ পাঠ
ভীমাদেৱী নামে মই পুনৰ ধৰাত
হ'ম জনাজাত।

অৰুণ নামেৰে এক ভীষণ অসুৰে
ত্ৰৈলোক্যত অত্যাচাৰ উৎপীড়ন কৰিব যেতিয়া,
ত্ৰিলোকৰ হিতৰ কাৰণে মই
অগণন ভ্ৰমৰবেষ্টিতা হৈ
ভ্ৰমৰ ৰূপেৰে
সেই মহা অসুৰক নাশিম তেতিয়া—
তেতিয়া ভ্ৰামৰী বুলি সবাই কৰিব স্তুতি
হৈ সমাগত।
যেতিয়াই ভৱিষ্যত অসুৰৰ পৰা
বিপদ বিঘিনি ভয় হ'ব উপস্থিত,
তেতিয়াই আবিৰ্ভূতা হৈ
বধ কৰি অৰিকুল
জগতৰ উপকাৰ কৰিম সাধিত।

দ্বাদশ অধ্যায়

পুনৰ দেৱীয়ে কলে এইদৰে অমৰগণক—
'একাগ্রচিত্তেৰে মোক যি জন ব্যক্তিয়ে
ভক্তি সহকাৰে
এই স্তুতি কৰিব স্তৱন,
সিজনৰ সকলো বিঘিনি-ব্যাধি
নিসন্দেহে কৰিম নাশন।
চতুর্দশী নৱমী কিম্বা অষ্টমী তিথিত
মধু-কৈটভৰ
মহিষ-অসুৰ আৰু শুম্ভ-নিশুম্ভৰ বধ বিষয়ৰ
মোৰ এই উত্তম চৰিত
ভক্তিপূর্ণ একাগ্র মনেৰে
যিজনে কৰিব পাঠ কৰিব শ্রৱণ,
সিজনৰ আপদ বিঘিনি পাপ
দৰিদ্রতা হ'ব বিনাশন,
বন্ধু-বিচ্ছেদৰো কোনো নাথাকে কাৰণ
কেতিয়াও নাথাকে একোই ভয়
দস্যু-শত্রু ৰাজ-ৰোষ অথবা অস্ত্রৰ
কিম্বা অগ্নি জলপ্লাবনৰ।
সেই হেতু সমাহিতচিত্তে আৰু শ্রদ্ধা-ভকতিৰে
এই মোৰ মহিমা-আখ্যান
নিতউ কৰিবা পাঠ অথবা শ্রৱণ
হ'ব শান্তি মঙ্গল সাধন।
মোৰ এই উপাখ্যান কৰিলে কীর্ত্তন কিম্বা কৰিলে শ্রৱণ

নানা বিধ উপদ্রব মহামারী সমুদ্ভব
হ'ব দুরীভূত,
হ'ব নাশ
দিব্য কিম্বা আন্তরীক্ষ অথবা পার্থিব
এই তিনি প্রকারব উৎপাত অদ্ভুত।
যার বাসভবনত
করে নিত্তে মোর এই মহিমা কীর্ত্তন
হওঁ মই ইন্দ্রিয়গোচর,
সেই বাসভবন কদাপি
এরি থৈ নাযাওঁ আঁতরি
পূজা যজ্ঞ বলি নৃত্য
বিয়া শ্রাদ্ধ মহাউছবত
মোর এই মহিমার সমস্ত আখ্যান
শ্রবণ কীর্ত্তন করা উচিত বিধান
বিধিজ্ঞ পণ্ডিত কিম্বা অবিধিজ্ঞ জনে
হলেও বা দোষ-ত্রুটি বিধি-বিধানর
করে যদি পূজা হোম বলিদান করি
মোর এই মহিমা-কীর্ত্তন
গ্রহণ করিম মই সেই সকলোকে
প্রীতিরে পরম।
শরত ঋতুত হেরা প্রতি বরষত
মোর মহা পূজা-উছবত
ভক্তিভারে শুনি মোর আখ্যান-মহিমা
মোরে কৃপা লাভ করি মানব-সমাজ
মুক্ত হয় বাধা-বিঘ্নি বিপদর পরা,
নিসন্দেহে হয় সদা
পুত্র-ধন-সম্পদসংযুক্ত সৌভাগ্যে আরবা।
এই মোর অপার মহিমা

শুভ আবির্ভাব আৰু সমৰত বিক্রমৰ কথা
শ্রদ্ধা ভকতিৰে শুনে যিজন মানুহে
সিজনৰ অমঙ্গল পৰা
দূৰ হয় ভীতি-বিহ্বলতা,
শত্রু বিনাশ হয় ৰ-শৰ সমৃদ্ধি হয়
আৰু হয় কল্যাণ সর্বদা।
যতমানে শান্তিৰ কার্য্যত
দুখ শোক ভয়ে ভৰা স্বপ্নদর্শনত,
নিদাৰুণ গ্রহপীড়া হ'লে উপস্থিত
মোৰ এই মাহাত্ম্য শ্রৱণ কৰা নিতান্ত উচিত।
শ্রদ্ধাৰে কৰিলে পাঠ
এই উপাখ্যানে
ৰক্ষা কৰে বালগ্রহ ভূতাদিপীড়িত শিশুবিলাকক ;
পৰস্পৰে ঘটিলে বিবাদ
মিত্রতা স্থাপন কৰি
শান্তি দিয়ে মানৱ প্রাণত।
নাশ কৰে বল-শক্তি প্রমথাদি দুর্বৃত্তগণৰ
সমূলি বিনাশ হয় ভয়-ভীতি
ভূত-প্রেত পিশাচাদি আৰু ৰাক্ষসৰ।
মোৰ তুষ্টি মানসেৰে
গন্ধ-পুষ্প ধূপ-দীপ
অর্ঘ্য আৰু নানা বিধ স্নানৰ সম্ভাৰে
অতিকে উত্তম পশু বলি ব্রহ্ম-ভোজনেৰে,
অনুষ্ঠিত কৰি হোম
দান কৰি নানা ভোগ ৰতন কাঞ্চন
সমস্ত বছৰ ব্যাপি অহর্নিশে কৰিলে পূজন
যিবা প্রীতি হয় উৎপাদন,
এবাৰ শুনিলে মাথো মোৰ শুভ উপাখ্যান

তেনেকুৱা প্ৰীতি মোৰ হয় জাগৰণ।
মোৰ অৱতাৰ-বাৰ্তা শুনিলে কাহিনী
হ'ব পাপ বিনাশন হ'ব ৰোগ নিবাৰণ
দুষ্ট প্ৰাণীৰ পৰা হ'ব সদায় ৰক্ষণ।
সমৰত দুষ্ট অসুৰক
বিনাশন কৰা মোৰ শুনিলে চৰিত
অৰাতি। পৰা ভীতি
মানুহৰ নাথাকে কিঞ্চিত।
তোমালোক দেৱগণে যিবা স্তৱ কৰিলা পঠন
ব্ৰহ্মৰ্ষিসকলে আৰু ব্ৰহ্মাই স্বয়ং
যিমানে কৰিলে মোৰ স্তৱ নিবেদন
সেই সকলোটি স্তৱ-স্তুতি-গীত কৰিলে শ্ৰৱণ
তত্ত্বজ্ঞানদায়িকা শক্তি হ'ব আহৰণ।
অতি ঘোৰ বনৰ মাজত
বহুদূৰ ব্যাপি থকা জনশূন্য গহীন স্থানত,
অৰণ্যৰ অগনিয়ে কৰিলে বেষ্টিত,
নিঃসহায় অৱস্থাত শত্ৰুদ্বাৰা হলে পৰিবৃত
দস্যুবেও কৰিলে আবৃত,
বনৰ মাজত যদি
সিংহ বাঘ হাতীয়ে খেদে প্ৰাণ নাশ কৰিবৰ বাবে,
ৰজাৰ ক্ৰোধত যদি গতি হয় বধ্য-ভূমিলই,
কিম্বা হয় কাৰাৰুদ্ধ হয় শৃঙ্খলিত,
সাগৰৰ নাৰৰ বুকুত উঠি কৰোঁতে ভ্ৰমণ যদি
প্ৰবল বতাহে পাই নাওখনি কৰি বিঘূৰ্ণিত,
অতি ঘোৰ সমৰত শতৰুৰ অস্ত্ৰ-প্ৰহাৰত,
ভুগিলে যাতনা আৰু ব্ৰণ-পীড়া ভীষণ ৰোগত,
আৰু অন্য এনেকুৱা
ভীষণ-সঙ্কট-ক্ষণ হলে উপস্থিত,

মানুহে লভিব শান্তি সর্ব বাধা অতিক্রমি
স্মৰণ কৰিলে মাথো মোৰেই চৰিত।
সুৰিবিলে মোৰ এই চৰিত্ৰ মধুৰ
সিংহ আদি হিংস্ৰক জন্তু আছে যত শত্রু দস্যু
হ'ব শীঘ্রে দূৰতে বিদূৰ।'
ঋষিয়ে পুনৰ কলে সুৰথ ৰজাক—
'ইদৰেই অমৰগণক কৈ
প্রচণ্ডবিক্রমা ভগৱতী অম্বেয়া চণ্ডিকা
দেৱতাৰ সম্মুখত হ'ল অন্তর্হিতা।
বিনাশিলে শত্রুগণ দেৱীয়ে যেতিয়া
ইন্দ্রাদি দেৱতাগণে আকৌ আগৰ দৰে
লাভ কৰি নিজ অধিকাৰ
নির্ভযেৰে যজ্ঞভাগ কৰিলে গ্রহণ।
সমৰত দেৱীৰ হাতত
অতুল বিক্রমী মহাবীর্য্য বিশ্বধ্বংসকাৰী
দেৱতাৰ মহা শত্রু
শুম্ভ নিশুম্ভৰ নিধন হ'লত
অৱশিষ্ট দৈত্য অসুৰবোৰে
প্রবেশিলে পাতালপুৰত।
যদিওবা সনাতনী দেৱী ভগৱতী
এইৰূপে বাৰে বাৰে আবির্ভূতা হৈ
কৰিছে পালন ৰজা বিশ্বচৰাচৰ
তেওঁৰ মায়াতে মুগ্ধ নিখিল জগত
জন্মদাত্রী তেৱেঁ জগতৰ।
আকাঙ্ক্ষা ৰহিত হৈ কৰিলে প্রার্থনা
হয় দেৱী মুক্তিপ্রদায়িনী
ফলৰ আকাঙ্ক্ষা কৰি উপাসনা কৰিলে দেৱীক
দিয়ে দান ঐশ্বর্য্য-বিভূতি।

শুনা হে ৰাজন
প্রলয় কালত
মহামাৰীস্বৰূপিণী সেই দেৱী মহাকালীয়েই
সমস্ত জগত এই কৰে বিনাশন।
মানৱৰ মঙ্গল-কালত
লক্ষ্মীস্বৰূপে তেওঁ
বৃদ্ধি কৰে ধন-ধান সম্পদ সম্ভাৰ,
অশুভ কালত তেওঁ অলক্ষ্মী ৰূপেৰে
সকলো বিনাশ কৰে জীৱনো অসাৰ
গন্ধ-পুষ্প ধূপ-দীপ কৰি নিবেদন
পূজিলে দেৱীক নিতে স্তৱ পাঠ কৰি
দিয়ে তেওঁ পুত্ৰ ধন ধৰ্মত সুমতি।

ত্রয়োদশ অধ্যায়

মেধস মুনিয়ে কলে—
'শুনা হেবা সুবথ বাজন
দেৱীব মাহাত্ম্য এই অভিকে উত্তম
তোমাব কাযত মই কবিলো কীর্ত্তন।
সেই দেৱী মহাশক্তি প্রভাবসম্পন্না
নিখিল ব্রহ্মাণ্ড তেওঁ কবিছে ধাবণ।
ভগবতী বিষ্ণুমায়াস্বৰূপিণী দেৱীয়ে বিদবে
অসুব বিনাশ কবি
বক্ষা কবে বিশ্ব-ব্রহ্মাণ্ডক,
সিদবে দেৱীয়ে
তত্ত্বজ্ঞানো দিয়ে সুজনক।
বিষ্ণুমায়াস্বৰূপা সেই দেৱীয়ে তোমাক
সমাধি বৈশ্যক আৰু
তত্ত্বজ্ঞানে জ্ঞানীসকলকো
কবিছে মোহিত,
কবিছিল অতীততে কবিবও ভবিষ্যতে
তেওঁ সকলোকে বঙ্গা
মায়াবে আবৃত।
সিহেতু বাজন
হোৱা তুমি শবণাপন্ন
ভগবতী পবম ঈশ্বৰী সেই দেৱী চবণত।
আবাধনা কবিলে দেৱীক
লভিলে সন্তোষ

প্রদানিব বাজ্য আদি সুখ ভোগ ইহ জনমত
স্বর্গ-সুখ মুক্তি দিব মৃত্যুব পিছত।'
মার্কেণ্ডেয় মহর্ষিয়ে ক্রৌষ্টুক মুনিক
বুলিলে দুনাই—
অতিশয় অহংভাবব দ্বাবা
হেকবাই বাজ্যধন শত্রুব হাতত
অনুতপ্ত সুবথ বাজনে
মেধস মুনিব মুখে যেতিয়া শুনিলে
দেবীব আখ্যান আৰু ঋষি-উপদেশ,
তীব্রব্রতধাৰী সেই মহাভাগ মেধসক কবি প্রণিপাত
তপস্যাব হেতু তেওঁ ততালিকে কবিলে গমন।
বিষয়ব সুখ ভোগ বিত্ত-পবাঙ্মুখ
সমাধি বৈশ্যয়ো
মেধসব চবণত প্রণতি জনাই
কবিবব হেতু তপ আচবণ
মাগিলে বিদায়।
নৃপতি সুবথ আৰু বৈশ্য সমাধিয়ে
তপস্যাবে দর্শন লাভব হেতু
জগত-মাতৃক,
নদীব পাবত বহি দেবী-সূক্ত জপ কবি
পূজিলে ভক্তিত।
সুবথ সমাধি দুয়ো নদীব তীবত
দেবীব মৃন্ময়ী মূর্ত্তি কবিলে নির্মাণ
প্রদানি সুগন্ধি কুসুম ধূপ
হোম আৰু তর্পণেবে পূজিলে দেবীক
হৈ ভক্তিমান।
জিতেন্দ্রিয় সমাধি সুবথে
কেতিয়াবা অনাহাবে

কেতিয়াবা ফলমূল আদি কৰি যতিৰ আহাৰে,
দেৱী চণ্ডিকাৰ প্ৰতি নিবিষ্ট চিত্তেৰে
বলিৰূপে নিজ নিজ শৰীৰৰ শোণিত প্ৰদানি
আৰাধনা কৰিলে দেৱীক।
এনেদৰে তিনিটা বছৰ ব্যাপি একাগ্ৰচিত্তেৰে
আৰাধনা কৰাৰ শেষত
জগদ্ধাত্ৰী চণ্ডিকা প্ৰসন্না হৈ
দিলেহি দৰ্শন।
আৰু সেই সুৰথ সমাধি দুয়োজনকেই
স্মিতমুখে বুলিলে বচন—
'শুনা হেৰা সুৰথ ৰাজন
আৰু বৈশ্যকুলৰ নন্দন
তোমালোক উভয়ৰে প্ৰাৰ্থনাত পৰিতুষ্টা মই
ব্যক্ত কৰা মনোৰথ কৰিম পূৰণ'।
মাৰ্কণ্ডেয় মহৰ্ষিয়ে বুলিলে পুনৰ—
এইদৰে দেৱীৰ উক্তিত
নৃপতি সুৰথে
ইহ জনমত নিজ বলবিক্ৰমেৰে বিনাশি শত্ৰুক
হৃতৰাজ্য উদ্ধাৰৰ বাবে
আৰু পৰ জনমত নিষ্কণ্টক ৰজা হ'বলৈ—
নিবেদিলে মনৰ কামনা।
বিষয়-বিৰক্ত সেই বিবেকী বৈশ্যই
পুত্ৰ ভাৰ্য্যা শৰীৰত নকৰি আসক্তি
'মই' 'মোৰ' এনেবোৰ অহংবোধ-বিনাশৰ
আত্মতত্ত্ব জ্ঞান লাভ কৰিবৰ হেতু
কৰিলে প্ৰাৰ্থনা।
উভয়ৰে নিবেদন শুনি চণ্ডিকাই
দিলে প্ৰত্যুত্তৰ—

"শুনা নৃপবৰ
অতি অল্প সময়তে শত্রু নাশ কৰি
লভিবা আপোন বাজ্য
সেই বাজ্য নহ'ব খণ্ডিত।
মৃত্যুৰ পিচতো পুনু
সূর্য্যদেৱৰ পৰা জন্ম লাভ কৰি
সাৱৰ্ণি নামেৰে মনু
হ'বা পৃথিবীত।
আৰু তুমি শুনা বৈশ্যবৰ,
তুমি যিবা বৰ মোক কৰিছা প্রার্থনা
মই তাক কৰিছোঁ প্রদান,
মোক্ষ লাভৰ বাবে
তোমাৰ উদয় হ'ব শীঘ্রে তত্ত্বজ্ঞান।'
ইদৰে দেবীয়ে
সুৰথ বাজন আৰু সমাধি বৈশ্যক
নিজ নিজ অভিলাষ অনুসৰি
নিবেদিলে আকাঙ্ক্ষিত বৰ,
তেতিয়া উভয়ে পুনু
ভকতিৰে স্তৱ পাঠ কৰিলে চণ্ডীৰ,
পলকতে অন্তর্ধান হ'ল দেৱী
মাতৃ জগতৰ।
ইদৰেই ক্ষত্রিয়শ্রেষ্ঠ সুৰথ ৰজাই
দেৱীৰ কাষত লভি ইষ্ট বৰ
সূর্য্যৰ যোগেদি জন্ম কৰিলে গ্রহণ আৰু
হ'ল মনু পৃথিবীত সাৱৰ্ণি নামৰ।

ওঁম্ শান্তি

মহিষনাশিনী

(আলেখ্য)

(শঙ্খ কাঁহ ডবাব ধ্বনি। ধ্বনি ক্ষীণ হৈ অহাব লগে লগে স্তব আবম্ভ হ'ব)

ওঁ জয় ত্বং দেবি চামুণ্ডে জয় ভূতাপহাবিণি
জয় স্বর্গগতে দেবি কালবাত্রি নমোঽস্তুতে।
জয়ন্তী মঙ্গলা কালী ভদ্রকালী কপালিনী
দুর্গা শিবা ক্ষমা ধাত্রী স্বাহা স্বধা নমোঽস্তুতে।
মধু-কৈটভবিধ্বংসি বিধাতৃ—ববদে নমঃ
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
মহিষাসুবনির্ণাশি ভক্তানাং সুখদে নমঃ।
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
ধূম্রনেত্রবধে দেবি ধর্মকামার্থদায়িনি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
বক্তবীজবধে দেবি চণ্ডমুণ্ডবিনাশিনি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
নিশুম্ভশুম্ভনির্ণাশি ত্রৈলোক্যশুভদে নমঃ
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
বন্দিতাংঘ্রিযুগে দেবি সর্বসৌভাগ্যদায়িনি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
অচিন্ত্যরূপচবিতে সর্বশত্রুবিনাশিনি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
নতেভ্যঃ সর্বদা ভক্ত্যা চাপর্ণে দুবিতাপহে
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
স্তুবন্ত্যো ভক্তিপূর্বং ত্বাং চণ্ডিকে ব্যাধিনাশিনি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।

চণ্ডিকে সততং যুদ্ধে জয়ন্তি পাপনাশিনি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
দেহি সৌভাগ্যমারোগ্যং দেহি দেবি পরং সুখং
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
বিধেহি দেবি কল্যাণং বিধেহি বিপুলাং শ্রিয়ম্
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
বিধেহি দ্বিষতাং নাশং বিধেহি বলমুচ্চকৈঃ
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
সুরাসুরশিরোরত্ননিঘৃষ্টচরণাম্বুজে
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
বিদ্যাবন্তং যশস্বন্তং লক্ষ্মীবন্তঞ্চ মাং কুরু
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
দেবি প্রচণ্ডদোর্দণ্ডদৈত্যদর্পনিসূদিনি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
প্রচণ্ডদৈত্যদর্পঘ্নে চণ্ডিকে প্রণতায় মে
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
চতুর্ভুজে চতুর্বক্ত্রসংস্তুতে পরমেশ্বরি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি
কৃষ্ণেন সংস্তুতে দেবি শশ্বদ্ভক্ত্যা সদাম্বিকে
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
হিমাচলসুতানাথসংস্তুতে পরমেশ্বরি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
ইন্দ্রাণীপতিসদ্ভাবপূজিতে পরমেশ্বরি
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
দেবি ভক্তজনোদ্দামদত্তানন্দোদয়েঽম্বিকে
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।
ভার্য্যাং মনোরমাং দেহি মনোবৃত্ত্যনুসারিণীম্
রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি।

কথা— দেৱৰাজ ইন্দ্ৰ আৰু মহিষাসুৰৰ ৰাজত্ব-কালত
শতেক বছৰ ব্যাপি দেৱাসুৰে যুজিছিল সমৰ-ক্ষেত্ৰত।
সমৰত জয়লাভ কৰি বিতাড়িত কৰি দেৱতাক
অসুৰসম্ৰাট সেই মহিষ অসুৰে
ইন্দ্ৰত্বও লভিলে স্বৰ্গত।
হৃতৰাজ্য অধিকাৰ উদ্ধাৰৰ বাবে
ব্ৰহ্মাক লগত লৈ দেৱতাসকলে
বিষ্ণু আৰু মহেশক যথাযোগ্য প্ৰণতি জনাই
বিবৰিলে অত্যাচাৰৰ কথা—অন্তিকে দুৰ্দান্ত সেই মহিষাসুৰৰ।
নিবেদিলে লাঞ্ছনাৰ কৰুণ কাহিনী যত অমৰগণৰ।
সবাৰে শেষত
মহিষ নিধন হেতু
মাগিলে উপায় উভয়ৰে পূত চৰণত।
দেৱতাৰ সকৰুণ দুখৰ কাহিনী শুনি
ব্ৰহ্মা-বিষ্ণু-মহেশৰ হিয়াত উঠিল জ্বলি ক্ৰোধৰ অগনি,
বদনমণ্ডল হৈ ভ্ৰূকুটী কুটিল
শোণিতৰ প্লাবন জাগিল।
ইন্দ্ৰ আদি সমবেত যতেক দেৱতা
ক্ৰোধভৰে সবাৰে মুখৰ পৰা শোণিত নিৰ্গত হ'ল
ধৰাৰ বক্ষত।
শিৱবিধিমাধৱৰ আৰু সেই দেৱতাগণৰ
তেজোৰাশি মিলি গল এটি পলকত;
দিগন্ত বিয়পি শিখা জ্বলন্ত পৰ্বত সম
অনুপম তেজোৰাশি পুঞ্জীভূত হৈ
দিব্য এক নাৰীমূৰ্ত্তি কৰিলে ধাৰণ
মহামায়া মহাশক্তি মায়াৰ কাৰণ।
সৃষ্টি হ'ল শিৱৰ তেজৰ পৰা বদনমণ্ডল
যমৰ তেজত হ'ল কেশ বিন্যোপন

বিষ্ণুর তেজত হ'ল এহেজাৰ বাহু অভুলন।
চন্দ্রৰ তেজত হ'ল স্তনযুগ্ম অতি মনোহৰ
মধ্যদেহ সৃষ্টি হ'ল তেজেৰে ইন্দ্রৰ।
নিতম্বৰ সৃষ্টি হ'ল ভূমিৰ তেজত
বৰুণ-তেজেৰে জঙ্ঘা উৰু শোভাকৰ।
ব্রহ্মাৰ তেজেৰে হ'ল চৰণযুগল
ভবি আৰু হাতৰ আঙুলি ক্রমে
বসুগণ আৰু ভাস্কৰৰ।
প্রজাপতি দক্ষ প্রভৃতিৰ
তেজেৰে হ'ল সৃষ্টি দশনপংক্তিৰ
নেত্রত্রয় সৃষ্টি হ'ল তেজেৰে অগ্নিৰ।
সন্ধ্যাৰ তেজেৰে হ'ল ভ্রূযুগলৰ
সৃষ্টি হ'ল বায়ুৰ তেজেৰে সুদর্শন কাণ দুখনৰ।
অন্য অন্য দেৱতাৰ মিলিত তেজেৰে
পূর্ণ হ'ল দেৱীৰ শৰীৰ।
তেতিয়া অসুৰপীড়িত সেই দেৱতাসকলে
দেৱতাৰ তেজঃসম্ভূতা সেই দেৱীমূৰ্ত্তিক কৰি দৰ্শন
হ'ল সবে আনন্দে অধীৰ।
সেই দেৱীমূৰ্ত্তিয়েই অসুৰক বিনাশ কৰিব বুলি দেৱতাসকলে
দেৱীৰ হাতত দিলে অস্ত্র সমৰৰ।
আপোন শূলৰ দৰে দিলে শূল পিনাকপাণিয়ে
আপোন চক্রৰ দৰে দিলে চক্র দেৱ নাৰায়ণে।
শঙ্খটি বৰুণে দিলে
শক্তি দিলে দেৱ হুতাশনে
ধনুর্বাণ প্রদানিলে দেৱতা পবনে।
দেৱৰাজ পুৰন্দৰে
ঐৰাবতৰ ঘণ্টা আৰু বজ্র কৰিলে প্রদান
যমে দিলে কালদণ্ড যিটো নিজ দণ্ডৰ সমান।

সমুদ্রই দিলে মহাপাশ
ব্রহ্মায়ো অক্ষমালা কমণ্ডলু অর্পিলে দুর্গাক।
লোমকূপে বশ্মিরাশি দিলে দিবাকরে
খড়্গ কবচ চর্ম দিলে আহি কালে।
ক্ষীরোদধি আহি দিলে
মুকুতামণ্ডিত হার বস্ত্র মনোহর
চূড়ামণি কিরীটি শিবর,
কাণর কুণ্ডল আর কঙ্কণ হাতর।
মনোহর বাজু দিলে সমস্ত বাহুত
কপালত অর্দ্ধচন্দ্র চরণে নূপুর।
পরম সুন্দর মালা পিন্ধালে ডিম্ভিত
আঙুলিত সোণর আঙঠি দিলে
হীরা মুক্তা মরকত রত্নেরে খচিত।
বিশ্বকর্মাই দিলে নির্মল পরশু আর
দিব্য অস্ত্র অভেদ্য কবচ;
অম্লান পঙ্কজমালা সাগরে পিন্ধালে
শির আর দেরীর বক্ষত,
মনোহর এটি পদ্ম যাচিলে হাতত।
হিমালয়ে দিলে সিংহ দেরীর বাহন
নানা বিধ মণি-মুক্তা অমূল্য রতন।
মধু সহ মধুপাত্র কুবেরেও করিলে অর্পণ।
ধরণী ধারণকর্ত্তা সর্ব নাগেশ্বরে
মহামণি-বিভূষিত নাগহার সমর্পিলে
অতি সুশোভিত।
এইদরে অস্ত্র অলঙ্কার আর বস্ত্র আভরণ
দান করি দেবতাসকলে
জয়ধ্বনি দিলে সেই সিংহবাহিনীর।
গন্ধর্বই গালে গীত

মুনিগণে ভক্তিভাবে স্তব পাঠ করিলে দেবীর।
(জয় সিংহবাহিনীর জয়, জয় আদ্যাশক্তির জয় আদি ধ্বনি)

স্তব

ত্বং স্বাহা ত্বং স্বধা ত্বং হি বষট্‌কারঃ স্বরাত্মিকা
সুধা ত্বমক্ষরে নিত্যে ত্রিধামাত্রাত্মিকা স্থিতা।
অর্দ্ধমাত্রাস্থিতা নিত্যা যানুচ্চার্য্যা বিশেষতঃ
ত্বমেব সা ত্বং সাবিত্রী ত্বং দেবজননী পরা।
ত্বয়ৈব ধার্য্যতে সর্বং ত্বয়ৈতৎ সৃজ্যতে জগৎ
ত্বয়ৈতৎ পাল্যতে দেবি ত্বমৎস্যন্তে চ সর্বদা।
বিসৃষ্টৌ সৃষ্টিরূপা ত্বং স্থিতিরূপা চ পালনে
তথা সংহৃতিরূপান্তে জগতোঽস্য জগন্ময়ে।
মহাবিদ্যা মহামায়া মহামেধা মহাস্মৃতিঃ
মহামোহা চ ভবতী মহাদেবী মহাসুরী।
প্রকৃতিস্ত্বং হি সর্বস্য গুণত্রয়বিভাবিনী
কালরাত্রির্মহারাত্রির্মোহরাত্রিশ্চ দারুণা।
ত্বং শ্রীস্ত্বমীশ্বরী ত্বং হ্রীস্ত্বং বুদ্ধির্বোধলক্ষণা
লজ্জা পুষ্টিস্তথা তুষ্টিস্ত্বং শান্তিঃ ক্ষান্তিরেব চ।
খড়্গিনী শূলিনী ঘোরা গদিনী চক্রিণী তথা
শঙ্খিনী চাপিনী বাণভুশুণ্ডীপরিঘায়ুধা।
সৌম্যাঽসৌম্যাতরাশেষসৌম্যেভ্যস্ত্বতিসুন্দরী
পরা পরাণাং পরমা ত্বমেব পরমেশ্বরী।

গীত

জাগো জাগো জাগো হে মাতৃ জাগো
জাগো জাগো মাতৃ মঙ্গলদাত্রী।

মহিষ অসুৰ বধি দৈত্য-দানৰ নাশি
দলিতৰ মুক্তিৰে বিশ্বৰ কল্যাণ সাধন কৰা।
জাগা জাগা জাগা হে মাতৃ জাগা।
কঁপিছে ধৰিত্রী বাধা তৰ সৃষ্টি
লাঞ্ছনা হাহাকাৰ দূৰ কৰা মাতৃ
তাপিতৰ পৰাণত শান্তিৰ মৈত্রীৰ অমিয়া বৰষা
জয়তু জয়তু দেৱী মহামায়া।

কথা— ভেটিয়া দেৱীয়ে অট্টহাস্য কৰি উচ্চৰৱে কৰিলে নিনাদ
ভয়ানক নিনাদত পূর্ণ হ'ল সমগ্র আকাশ;
প্রতিধ্বনি উঠি তাৰ কঁপিল ধৰণী পর্বত অস্থিৰ
সমুদ্রত হ'ল খলকনি।
(দেৱীৰ অট্টহাস্য আৰু শঙ্খধ্বনি)
ত্রিভুবন ক্ষুব্ধ দেখি অসুৰবিলাকে
সসৈন্যে সজ্জিত হৈ অস্ত্র-শস্ত্র লৈ
সাজ হ'ল সমৰৰ বাবে।

মহিষ— আঃ ই কি? কিহৰ নিনাদ?
কিহৰ শব্দত ইটো কঁপে ত্রিভুবন?
সৈন্যগণ! অগ্রসৰ হোৱা ততালিকে
চৌদিশে কৰা অন্বেষণ।

কথা— এই বুলি মহিষাসুৰেও
লক্ষ্য কৰি অট্টহাস্য দেৱীৰ নিনাদ
ক্ষিপ্রবেগে সৈন্যসহ কৰিলে গমন
আগবাঢ়ি মহাসুৰে কিছু পাচতেই
দেৱী সিংহবাহিনীক কৰিলে দর্শন।
ভেটিয়া লাগিল যুদ্ধ—
ঘোৰ যুদ্ধ অসুৰৰ দেৱীৰ লগত।

চতুর্দিশ দীপ্ত হ'ল
দেৱী আৰু অসুৰৰ শৰ সন্ধানত।
(ৰণবাদ্য শুনা যায়)
অসুৰৰ অধিপতি মহিষাসুৰৰ লগত আছিল
সেনাপতি 'চিক্ষুৰ' প্ৰধান
'অসিলোমা' 'বিড়ালাক্ষ' 'উদগ্ৰ' আৰু 'মহাহনু'
'চামৰ' আৰু 'বাস্কল' প্ৰভৃতি খ্যাতনামা যোদ্ধা সুনিপুণ।
লক্ষ্য নিযুত সৈন্য কোটি কোটি ৰথযান
অগণন হাতী ঘোঁৰা অস্ত্ৰ সমৰৰ।
দুৰ্দান্ত অসুৰবোৰে হাতে হাতে লৈ সবে
ভিণ্ডিপাল তোমৰ মুষল
শক্তি খড়্গ পৰশু পট্টিশ
কৰিছিল ভীষণ সমৰ।
ভগৱতী দেৱী অম্বিকাই নিজ অস্ত্ৰ কৰি বৰিষণ
নিবাৰিলে অস্ত্ৰ অসুৰৰ।
শক্তি গদা খড়্গ ত্ৰিশূলেৰে
লক্ষ লক্ষ অসুৰক কৰিলে বিনাশ।
দেৱীৰ বাহন সিংহ মহাকোপে হ'ল মত্তলীয়া
অসুৰৰ সৈন্যৰ মাজত মহাকোপে কৰি বিচৰণ
বিনাশিলে হেজাৰ বিজাৰ সৈন্য চকু-পলকতে।
নিশ্বাসত অম্বিকাৰ সৃষ্টি হোৱা প্ৰমথ-সৈন্যয়ো
বিনাশিলে জাকে জাকে অসুৰ-সেনাক।
এইদৰে ক্ষীণ হৈ যোৱা দেখি নিজ সৈন্যবল
দৈত্যপতি মহিষ অসুৰে
মহিষৰ ৰূপ ধৰি কৰিলে ত্ৰাসৰ সৃষ্টি দেৱীৰ আগত।
খণ্ডতে উফৰি ফুৰি খুৰাৰেই খান্দিলে ভূতল
উচ্চ পৰ্বতৰ মালা শিঙেৰে খহাই কৰিলে গৰ্জন।
লৱৰত অসুৰৰ পৰ্বত বিদীৰ্ণ হ'ল

ধরণী প্লাবিত হ'ল সমুদ্র-জলেরে
সঞ্চালন করোতে বিশাল নেজ মহিষাসুরর।
এনেভারে ক্রুদ্ধ মহিষক
হোরা দেখি সমাগত ভীষণ মূর্ত্তিরে
ভগবতী দেবী ভদ্রাকীয়ে মহাপাশ করিলে ক্ষেপণ
মহিষ অসুর হ'ল
বন্দী সেই অম্বিকার অব্যর্থ পাশত।
পাশবদ্ধ মহাসুরে ত্যাগ করি মহিষর রূপ
মায়াবী কেশরী রূপ করিলে ধারণ।
সিংহমূর্ত্তি ধরি সেই দুরন্ত অসুরে
ভয়ানক করিলে সমর।
আরু দেবী অম্বিকাই শিরশ্ছেদ করিলে যেতিয়া তার
লগে সি কৃপাণধারী রূপ অসুরর।
আরু সেই অসুরক খড়্গ চর্ম সহ
যেতিয়াই বাণবিদ্ধ করিলে দেবীয়ে
পুনর হাতীর রূপ লগে মহাসুরে।
হাতীরূপী অসুরে যেতিয়া
দেবীর বাহন কেশরীক আক্রমণ করি তার ভীষণ শুঁরেরে
করিলে গর্জ্জন
দেবীয়ে অস্ত্রেরে তার শুঁর ভয়ঙ্কর
অচিরতে করিলে ছেদন।
আরু সেই মহাসুরে ত্রৈলোক্য ক্ষোভিত করি
পুনর মহিষ বেশ করিলে ধারণ।
যেতিয়া জগতমাতা হ'ল অতি ভীষণ কুপিতা।
বারে বারে মধুপান করি
আরক্তনয়না দেবী চণ্ডিকাই
মৃদু মৃদু হাঁহির ধরিলে।
মধুরাগে উজ্জ্বলবদনা দেবী চণ্ডিকাই

কলে এইদবে—

দেবী— শুন। শুন হেব অসুব অধম
কবোঁ মানে মধুপান কব আস্ফালন,
কিন্তু যেভিয়াই মই তোক কবিম নিধন
তেভিয়াই দেবতাসকলে
আনন্দব উল্লাসত অট্টহাস্য কবি
পাবেমানে কবিব গর্জ্জন।

কথা— এই বুলি সিংহব পিঠিব পবা দেবী ভবানীয়ে
জাপ মাবি মহিষব কান্ধত এপদ থৈ
সমগ্র বিশ্বব ভাব আবোপণ কবি
আক্রমণ কবিলে কণ্ঠত
ত্রিশূলেবে হানিলে বক্ষত।
পদাক্রান্ত মহিষব মুখ গহ্বববব পবা
বাজ হ'ল অর্দ্ধেক পুৰুষ
অভিভূত দেবী শকতিত।
সমবত বত সেই মহিষাসুবব
শিবশ্ছেদ কবিলে দেবীযে
অতি তীক্ষ্ণ অসি প্রহাবত।
হোবা দেখি মৃত্যু সেই
অসুবব অধিপতি মহিষাসুবব
অবশিষ্ট অসুবব সৈন্য সেনানী যত
ভযে ভীত হৈ কবে পলাযন।
আনন্দে নধবা হ'ল শক্রহীন দেবতাব মন।
দেবর্ষি মহর্ষি আৰু দেবগণ মিলি
ভগবতী চণ্ডিকাব কবিব ধবিলে স্তুতি-স্তব অতুলন।
গালে গীত সুললিত গন্ধর্বসকলে
সবগত অপ্সবাই নাচোন নাচিলে।

নমো দেব্যৈ মহাদেব্যৈ শিবায়ৈ সততং নমঃ।
নমঃ প্রকৃত্যৈ ভদ্রায়ৈ নিয়তাঃ প্রণতাঃ স্ম তাম্॥
রৌদ্রায়ৈ নমো নিত্যায়ৈ গৌর্য্যৈ ধাত্র্যৈ নমো নমঃ।
জ্যোৎস্নায়ৈ চেন্দুরূপিণ্যৈ সুখায়ৈ সততং নমঃ॥
কল্যাণ্যৈ প্রণতা বৃদ্ধ্যৈ সিদ্ধ্যৈ কুর্মো নমো নমঃ।
নৈঋত্যৈ ভূভৃতাং লক্ষ্ম্যৈ শর্বাণ্যৈ তে নমো নমঃ॥
দুর্গায়ৈ দুর্গপারায়ৈ সারায়ৈ সর্বকারিণ্যৈ।
খ্যাত্যৈ তথৈব কৃষ্ণায়ৈ ধূম্রায়ৈ সততং নমঃ॥
অতিসৌম্যাতিরৌদ্রায়ৈ নতাস্তস্যৈ নমো নমঃ।
নমো জগৎপ্রতিষ্ঠায়ৈ দেব্যৈ কৃত্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু বিষ্ণুমায়েতি শব্দিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু চেতনেত্যভিধীয়তে।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু বুদ্ধিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু নিদ্রারূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু ক্ষুধারূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু ছায়ারূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু শক্তিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু তৃষ্ণারূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥
যা দেবী সর্বভূতেষু ক্ষান্তিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।

যা দেবী সর্বভূতেষু জাতিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু লজ্জারূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু শান্তিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু শ্রদ্ধারূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু কান্তিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু লক্ষ্মীরূপেণ সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু বৃত্তিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু স্মৃতিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু দয়ারূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু তুষ্টিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
যা দেবী সর্বভূতেষু মাতৃরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।
যা দেবী সর্বভূতেষু ভ্রান্তিরূপেণ সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥
ইন্দ্রিয়াণামধিষ্ঠাত্রী ভূতানাঞ্চাখিলেষু যা।
ভূতেষু সততং তস্যৈ ব্যাপ্তিদেব্যৈ নমো নমঃ ॥
চিতিরূপেণ যা কৃৎস্নমেতদ্ ব্যাপ্য স্থিতা জগৎ।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥

(২)

সর্ব্বমঙ্গলমঙ্গল্যে শিবে সর্ব্বার্থসাধিকে।
শরণ্যে ত্র্যম্বকে গৌরি নারায়ণি নমোঽস্তুতে।
সর্ব্বস্বরূপে সর্ব্বেশে সর্ব্বশক্তিসমন্বিতে।
ভয়েভ্যস্ত্রাহি নো দেবি দুর্গে দেবি নমোঽস্তুতে॥

গীত

জয় জয় হে জয় মহিষবিমর্দিনী দৈত্যবিনাশিনী বিশ্ববিমোহিনী দুর্গা শিবা।
ভবভয়-নাশিনী সংকটতারিণী সন্তাপহারিণী মঙ্গলদায়িনী উমা তারা॥
শত্রুবিনাশিনী মোক্ষপ্রদায়িনী সম্পদদায়িনী বরদা সাবিত্রী শিবজায়া।
মধু-কৈটভনাশিনী চণ্ডবিঘাতিনী মুণ্ডনিপাতিনী শুম্ভ-নিশুম্ভঘাতী চণ্ডীরূপা॥
চণ্ডিকা অম্বিকা সুরাসুর-পূজিতা সিংহবাহিনী শোভা শিবদূতী যোগমায়া।
ভদ্রকালী শ্যামা কাত্যায়নী ভীমা দক্ষর যজ্ঞবিনাশিনী অপরাজিতা॥
পাপ-তাপনাশিনী ব্যাধিবিনাশিনী স্বর্গপ্রদায়িনী বিশ্ববিমোহিনী বিষ্ণুমায়া।
ব্রহ্মা-বিষ্ণু-মহেশ্বরপূজ্যা ত্রিভুবনবন্দিতা বক্তদন্তিকা স্বাহা স্বধা॥
ভক্তির অঞ্জলি ধূপ-ধুনা দীপ জ্বালি নিবেদিছোঁ চরণত ভগরতী বিশ্বমাতা।
জয় জয় চণ্ডিকা জয় জয় অম্বিকা জয় জয় জয় হে জয় দুর্গতিনাশিনী দুর্গারূপা॥

কথা— দেরতার স্তুতি-স্তরনত
মহামায়া মহিষমর্দিনী দুর্গা হ'ল আবির্ভূতা
শরতরে আহিনর কৃষ্ণা চতুর্দশী তিথির যোগত
নরমীত মহিষাসুরক বধি
অন্তর্ধান হ'ল দেরী দশমীর পূত লগনত।
ভদ্রকালীরূপে পুনু হৈ আবির্ভূতা
বিনাশি দক্ষর যজ্ঞ
দক্ষযজ্ঞ-বিনাশিনী নামে হ'ল সুপূজিতা।
রাবণ বধর হেতু
শ্রীরামেও পূজিছিল অকাল বোধন করি

পূত ঋতু শৰৎ কালত
সেয়ে আজি বসুধা বুকুত
শৰতৰে আহিন মাহত
আয়োজন কৰি পূজা আই ভৱানীৰ
সন্তানে কৰিছে ধ্যান জননী দুৰ্গাৰ
এইদৰে ভকতিৰে সচন্দন বক্ত পুষ্প লৈ—

ধ্যান

ওঁ জটাজুটসমাযুক্তামর্দ্ধেন্দুকৃতশেখৰাম্ ।
লোচনত্রয়সংযুক্তাং পূর্ণেন্দুসদৃশাননাম্ ।।
অতসীপুষ্পৱর্ণাভাং সুপ্রতিষ্ঠাং সুলোচনাম্ ।
নৱযৌৱনসম্পন্নাং সর্ৱাভৰণভূষিতাম্ ।।
সুচাৰুদশনাং তদ্বৎ পীনোন্নতপয়োধৰাম্ ।
ত্রিভঙ্গস্থানসংস্থানাং মহিষাসুৰমর্দিনীম্ ।।
ত্রিশূলং দক্ষিণে ধ্যায়েৎ খড়্গং চক্রং ক্রমাদধঃ ।
তীক্ষ্ণ বাণং তথা শক্তিং ৱামতোঽপি নিবোধত ।।
খেটকং পূর্ণচাপঞ্চ পাশমঙ্কুশমেৱ চ ।
ঘণ্টাং ৱা পৰশুং ৱাপি ৱামতঃ সন্নিৱেশয়েৎ ।।
অধস্তাম্মহিষং তদ্বদ্বিশিৰস্কং প্রদর্শয়েৎ ।
শিৰশ্ছেদোদ্ভৱং তদ্বদ্দানৱং খড়্গপাণিনম্ ।।
হৃদি শূলেন নির্ভিন্নং নির্য্যদন্ত্রৱিভূষিতম্ ।
ৰক্তৰক্তীকৃতাঙ্গঞ্চ ৰক্তবিস্ফুৰিতেক্ষণম্ ।
ৱেষ্টিতং নাগপাশেন ভ্রূকুটীভীষণাননম্ ।
সপাশৱামহস্তেন ধৃতকেশঞ্চ দুর্গয়া ।।
ৱমদ্রুধিৰৱক্ত্রঞ্চ দেৱ্যাঃ সিংহং প্রদর্শয়েৎ ।
দেৱ্যাস্তু দক্ষিণং পাদং সমং সিংহোপৰি স্থিতম্
কিঞ্চিদূর্দ্ধং তথা ৱামমঙ্গুষ্ঠং মহিষোপৰি ।
স্তূয়মানঞ্চ তত্রূপমমৰৈঃ সন্নিৱেশয়েৎ ।।

কথা— মাতৃপূজার আজি কবি আয়োজন
অবোধ সন্তানে তব নিবেদিছে ভক্তিভারে পূজা-উপচার
মহামায়া জননীর পূত চরণত
এই মাথো একেটি মন্ত্রেরে—
পূজামন্ত্র— ওঁ জয়ন্তী মঙ্গলাকালী ভদ্রকালী কপালিনী।
দুর্গা শিবা ক্ষমা ধাত্রী স্বাহা স্বধা নমোঽস্তু ত।

কথা— শঙ্খ-ঘণ্টা ডমরু-কাঁহ বিবিধ বাদ্যেরে
সুললিত সুমধুর গোসানীর নাম আর
গীত কীর্ত্তনেরে
মাঙ্গলিক উলুলি-ধ্বনিরে
মুখরিত আজি এয়া ভরানীর পূজার মণ্ডপ।

নাম

(১) নমো দেবী কাত্যায়নী
নমো দেবী নারায়ণী
নমো দেবী মহিষমর্দ্দিনী হে মা।
নমো দেবী ভদ্রকালী
নমো দেবী মহেশ্বরী
নমো দেবী সঙ্কটতারিণী হে মা।
নমো দেবী মহালক্ষ্মী
নমো দেবী সরস্বতী
নমো দেবী দুর্গতিনাশিনী হে মা।
নমো দেবী মহাকালী
নমো দেবী শিবদূতী
নমো দেবী জগতপালিনী হে মা।
নমো দেবী ক্ষমা ধাত্রী
নমো দেবী দুর্গা কালী
নমো দেবী সম্পদদায়িনী হে মা।

নমো দেবী শিবা চণ্ডী
নমো দেবী জগদ্ধাত্রী
নমো দেবী অশুভনাশিনী হে মা।
নমো দেবী বামবতা
নমো দেবী বিশ্বরূপা
নমো দেবী দক্ষজা দক্ষিণা হে মা।
নমো দেবী গৌরী গঙ্গা
নমো দেবী গুহপ্রিয়া
নমো দেবী গণেশজননী হে মা।
নমো দেবী মহাবিদ্যা
নমো দেবী দিব্যরূপা
নমো দেবী বিশ্বরে ঈশ্বরী হে মা।
(২) শিব সর্বাণী রুদ্রাণী
শিব পর্বতনন্দিনী
শিব মহাদেবপ্রিয়া জয়া হে।
শিব দৈবকী দ্রৌপদী
শিব রুক্মিণী জাহ্নবী
শিব কৃষ্ণা কৃষ্ণবরপ্রদা হে।
শিব সুশীলা সুন্দরী
শিব রাধিকা কামিনী
শিব বিশ্বনাথপ্রিয়া শিবা হে।
শিব নির্মলা সুগন্ধা
শিব বিজয়া কমলা
শিব বিশ্বেশ্বরী বিশ্বরূপা হে।
শিব কৌষিকী কূটজা
শিব ঈশানী সারদা
শিব কেশিনী কেশর-প্রিয়া হে।
শিব বৈষ্ণবী বারাহী

শিব চামুণ্ডা ইন্দ্রাণী
শিব সুবেশ্বরী শুভপ্রদা হে।

(৩) বিশ্ব-শান্তি কামনাবে পুজিছো ভকতিভারে জগতজননী আই
জয় জয় জগত-মাতা জগদ্ধাত্রী জয়ন্তী জয়দা।
চরণ-ছত্রর ছায়া দিয়া মাতৃ করা দয়া বিপদনাশিনী আই
জয় জয় জগত-মাতা জগদ্ধাত্রী জয়ন্তী জয়দা।
হৃদয়তে দিয়া মাতৃ শক্তি বুদ্ধি জ্ঞান ভক্তি শান্তির সুষমা আই
জয় জয় জগত-মাতা জগদ্ধাত্রী জয়ন্তী জয়দা।
শরণাগতকে তুমি যুগে যুগে রক্ষা করি পালিছা ত্রৈলোক্য আই
জয় জয় জগত-মাতা জগদ্ধাত্রী জয়ন্তী জয়দা।
তয় গুণে তুষ্টা হোরা আশিস-নির্মালি দিয়া কল্যাণী তারিণী আই
জয় জয় জগত-মাতা জগদ্ধাত্রী জয়ন্তী জয়দা।

গীত

আজি সুপ্ত জাগ্রত হ'ল রুদ্ধ মুক্ত হ'ল
বিশ্বত শান্তির অমিয়া সুধা
স্বর্গ-মর্ত্ত্য ভেদি ন্যায্যর স্বীকৃতি
সত্যর মৈত্রীর প্রীতিরে গঁথা।
পূত যজ্ঞকুণ্ড সাজি দীপ্ত অগ্নি জ্বালি
নিবেদিছে জননীক ভক্তি-ক্ষুধা।
আজি ক্লান্তি শান্তি হ'ল
ভ্রান্তি বিনাশ হ'ল
উজলিছে সৃষ্টির দিব্য শোভা

সংকীর্ত্তন

জয় দুর্গা মহামায়া জয়ন্তী মঙ্গলা শিবা মহিষমর্দ্দিনী।
ব্রহ্মা-বিষ্ণু-শিব মাতা বিশ্ববিমোহিনী মায়া বিশ্বরে জননী॥

অমবে কবিলে স্তুতি মহিষ নাশিলা তুমি
দেৱতাক দিলা পুনু স্বর্গত বসতি।
সমাধি সুবথে পূজি লভিলে অভীষ্টসিদ্ধি
স্বর্গভোগ প্রদানিলা সাধিলা মুকুতি।
ব্রহ্মায়ো তোমাক ভজি পালে শান্তি সুখ-প্রীতি
মধু-কৈটভৰ পৰা লভিলে নিষ্কৃতি।
শ্রীৰামে তোমাক পূজি বাৱণক বধ কৰি
উদ্ধাৰিলে প্রিয় ভার্য্যা জানকী গোসানী।
পূর্বে তুমি নানা ৰূপ অসীম শকতি বলে
বিপদ বিবিধ নাশি পালিলা ধৰিত্রী।
জয় দুর্গা মহামায়া জয়ন্তী মঙ্গলা শিৱা মহিষমর্দ্দিনী।
ব্রহ্মা বিষ্ণু শিৱ মাতা বিশ্ববিমোহিনী মায়া বিশ্বৰে জননী॥

কথা— পৰিত্র অগনি জ্বালি আহুতি প্রদানি
শেষ কৰি জপ-তপ অর্চ্চনা দেৱীৰ
ভক্তৰ কণ্ঠত এয়া শেষ স্তুর আই ভৱানীৰ।
(নামৰ মাজত সুবিধা বুজি মাজে মাজে এই
আহুতি-প্রদান মন্ত্রটো শুনাব পাৰিলে ভাল
"ওঁ জয়ন্তী মঙ্গলা কালী ভদ্রকালী কপালিনী
দুর্গা শিৱা ক্ষমা ধাত্রী স্বাহা স্বধা নমোঽস্তুতে হ্রীং
ওঁ দুর্গায়ৈ নমঃ স্বাহা—ইদং দুর্গায়ৈ")

স্তব

ওঁ পৰংব্রহ্মস্বৰূপাঞ্চ ৱেদগর্ভাং জগন্ময়ীং
শৰণ্যে ত্বামহং ৱন্দে দুর্গাং দুর্গতিনাশিনীম্॥
কামাখ্যাং কামদাং শ্যামাং কামৰূপাং মনোৰমাং
ঈশ্বৰীং ত্বামহং ৱন্দে দুর্গাং দুর্গতিনাশিনীম্।
ত্রিনেত্রাং হাস্যসংযুক্তাং সর্ৱালঙ্কাৰভূষিতাং
বিজয়াং ত্বামহং ৱন্দে দুর্গাং দুর্গতিনাশিনীম্।

ব্রহ্মাদিভিঃস্তূয়মানাং সিদ্ধগন্ধর্বসেবিতাং।
ভবানীং ত্বামহং বন্দে দুর্গাং দুর্গতিনাশিনীম্।
নিশুম্ভশুম্ভমথনীং মহিষাসুরঘাতিনীং।
দিব্যরূপামহং বন্দে দুর্গাং দুর্গতিনাশিনীম্।
রিংশত্যর্দ্ধভুজাং দেবীং শুদ্ধকাঞ্চনসন্নিভাং।
গৌরীরূপামহং বন্দে দুর্গাং দুর্গতিনাশিনীম্॥
ত্রিশূলং খড়্গচক্রঞ্চ বাণশক্তিং পরশ্বধং
দধানাং ত্বামহং বন্দে দুর্গাং দুর্গতিনাশিনীম্॥
জগন্ময়ীং মহারিদ্যাং সৃষ্টিসংহারকারিণীং।
সর্বদেবময়ং বন্দে দুর্গাং দুর্গতিনাশিনীম্॥

(স্তবের লগে লগে ঘণ্টাধ্বনি হৈ থাকিব। স্তবের অন্তত শঙ্খ, ডবা, কাঁহ আদি বাদ্য বজাব আরু. উকলি-ধ্বনিবে অনুষ্ঠানর সামরণি পরিব।)